GSK S5 03 (M)
Exam Code : SKM5C

ধর্মশাস্ত্র আৰু উপনিষদ

পঞ্চম যাণ্মাসিক

সংস্কৃত

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৰা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৱিহণা যোগাইছে**
১-৬	ড° বিনীমা বুজৱবৰুৱা সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° শ্রুতিধৱা চক্রৱর্তী, মুৱব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (১-৬)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৯

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৱাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ ধর্মশাস্ত্র আৰু উপনিষদ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ প্রধান পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিৰ নাম হৈছে ধর্মশাস্ত্র আৰু উপনিষদ। ইয়াত সর্বমুঠ চৈধ্যটা অধ্যায় আছে তথা পাঠ্যবিষয়টি দুটা খণ্ডত বিভক্ত কৰা হৈছে। প্রথম খণ্ডত ছটা অধ্যায় আছে আৰু এই অধ্যায়সমূহত ধর্মশাস্ত্র আৰু মনুসংহিতাৰ বিষয়ে আলোচনা কৰা হৈছে। প্রথম অধ্যায়ত ধর্মশাস্ত্র (সাধাৰণ অধ্যয়ন) আৰু দ্বিতীয় অধ্যায়ত মনুসংহিতা— সাধাৰণ অধ্যয়নৰ বিষয়ে আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ত মনুসংহিতাৰ (সপ্তম অধ্যায়ৰ মূলপাঠ, শ্লোকসংখ্যা ১-১৩) আৰু ষষ্ঠ অধ্যায়ত মনুসংহিতাৰ (সপ্তম অধ্যায়ৰ মূলপাঠ) (শ্লোকসংখ্যা- ১৪-৩৪) আলোচনা কৰা হৈছে। তৃতীয় আৰু চতুর্থ অধ্যায়ত ক্রমে মনুসংহিতা (২য় অধ্যায়, ১৪-৩৪) আৰু ষষ্ঠ অধ্যায়ত মনুসংহিতা (৩য় অধ্যায়, ৯৯-১০৭) আলোচনা কৰা হৈছে। পাঠ্যবিষয়টিৰ দ্বিতীয় খণ্ডৰ সপ্তম অধ্যায়ত নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয়, অষ্টম অধ্যায়ত নাৰদস্মৃতি ঃ প্রথম অধ্যায় ঃ ‘ব্যৱহাৰ’ৰ মূলভূত অংগ, নৱম অধ্যায়ত নাৰদস্মৃতি ঃ প্রথম অধ্যায় ঃ ‘ব্যৱহাৰ’ৰ বিভিন্ন দিশ আলোচনা, দশম অধ্যায়ত নাৰদস্মৃতি ঃ চতুর্থ অধ্যায় ঃ দায়ভাগ আলোচনা, একাদশ অধ্যায়ত উপনিষদ আলোচনা, দ্বাদশ অধ্যায়ত ঈশোপনিষদ্ আলোচনা, ত্রয়োদশ অধ্যায়ত কঠোপনিষদ (সাধাৰণ অধ্যয়ন), চর্তুদশ অধ্যায়ত তৈত্তিৰীয়োপনিষদ - সাধাৰণ পৰিচয় আলোচনা কৰা হৈছে।

খণ্ড পৰিচয় - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ পঞ্চম ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়ৰ প্রথম খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ধর্মশাস্ত্র আৰু মনুসংহিতাৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত সর্বমুঠ ছটা অধ্যায় আছে।

পাঠ্যবিষয়টিৰ অধ্যায়সমূহ হ’ল—

অধ্যায় ১ ঃ ধর্মশাস্ত্র (সাধাৰণ অধ্যয়ন)

অধ্যায় ২ ঃ মনুসংহিতা— সাধাৰণ অধ্যয়ন

অধ্যায় ৩ ঃ মনুসংহিতা (২য় অধ্যায়, ১৪-৩৪)

অধ্যায় ৪ ঃ মনুসংহিতা (৩য় অধ্যায়, ৯৯-১০৭)

অধ্যায় ৫ ঃ মনুসংহিতা (সপ্তম অধ্যায়ৰ মূলপাঠ, শ্লোকসংখ্যা ১-১৩)

অধ্যায় ৬ ঃ মনুসংহিতা (সপ্তম অধ্যায়ৰ মূলপাঠ) (শ্লোকসংখ্যা- ১৪-৩৪)

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। ‘জানি থোৱা ভাল’ বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ ‘অগ্রগতি নিৰীক্ষণ’ যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া ‘অগ্রগতিৰ খতিয়ান’ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ’ব। অধ্যায়বোৰৰ শেষত ‘আৰ্হি প্রশ্ন’ হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে ‘অধিক জানিবলৈ’ শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ’লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ধর্মশাস্ত্র (সাধাৰণ অধ্যয়ন) ৫-১৯

ধর্ম আৰু ইয়াৰ উৎসসমূহ; ধর্মশাস্ত্ৰৰ পৰিচয় ঃ ধর্মশাস্ত্র কি, ধর্মশাস্ত্র ৰচনাৰ কাল, ধর্মসূত্র আৰু ছন্দোৱদ্ধ স্মৃতিৰ মাজত থকা পার্থক্যসমূহ, ধর্মশাস্ত্ৰৰ সংখ্যা; ধর্মসূত্ৰৰ পৰিচয়; ধর্মসূত্ৰৰ আলোচনা ঃ গৌতম ধর্মসূত্র, বৌধায়ন ধর্মসূত্র, আপস্তম্ব ধর্মসূত্র, বশিষ্ঠ ধর্মসূত্র, অন্যান্য ধর্মসূত্রসমূহ; ছন্দোৱদ্ধ স্মৃতিশাস্ত্ৰৰ আলোচনা ঃ মনুস্মৃতি, যাজ্ঞৱল্ক্য স্মৃতি, পৰাশৰ স্মৃতি, নাৰদ স্মৃতি, বৃহস্পতি স্মৃতি, কাত্যায়ন স্মৃতি, অন্যান্য ছন্দোবদ্ধ স্মৃতিশাস্ত্রসমূহ।

অধ্যায় ২ ঃ মনুসংহিতা— সাধাৰণ অধ্যয়ন ২০-২৯

ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস ঃ ধর্মৰ অর্থ, ধর্মশাস্ত্ৰৰ পৰিচয়; মনুসংহিতাৰ বিশদ ধাৰণা ঃ মনু আৰু মনুসংহিতাৰ পৰিচয়, মনুসংহিতাৰ বিষয়বস্তু, কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান।

অধ্যায় ৩ ঃ মনুসংহিতা (২য় অধ্যায়, ১৪-৩৪) ৩০-৪৩

নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ; শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ তথা অসমীয়া অনুবাদ; ধর্ম, ধর্মশাস্ত্ৰৰ অধিকাৰী আৰু ধর্মানুষ্ঠানযোগ্য দেশ বিষয়ক শ্লোকসমূহৰ সাৰাংশ; বর্ণধর্ম সম্বলিত শ্লোকসমূহৰ সাৰাংশ; সন্ধিযুক্ত শব্দৰ সন্ধি বিচ্ছেদ।

অধ্যায় ৪ ঃ মনুসংহিতা (৩য় অধ্যায়, ৯৯-১০৭) ৪৪-৫৬

নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ; শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ তথা অসমীয়া অনুবাদ; পাঠ্যাংশৰ সাৰাংশ; কেতবোৰ শ্লোকৰ ব্যাখ্যা; সন্ধিযুক্ত শব্দৰ সন্ধি বিচ্ছেদ।

অধ্যায় ৫ ঃ মনুসংহিতা (সপ্তম অধ্যায়ৰ মূলপাঠ, শ্লোকসংখ্যা ১-১৩) ৫৭-৬৬

শ্লোকসমূহৰ মূল সংস্কৃত পাঠ; শ্লোকসমূহৰ (১-১৩) গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদ; কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য; শ্লোকসমূহৰ সাৰাংশ।

অধ্যায় ৬ ঃ মনুসংহিতা (সপ্তম অধ্যায়ৰ মূলপাঠ) (শ্লোকসংখ্যা- ১৪-৩৪) ৬৭-৭৯

শ্লোকসমূহৰ মূল সংস্কৃত পাঠ; শ্লোকসমূহৰ গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদ; কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য নিৰূপণ; শ্লোকসমূহৰ সাৰাংশ।

অধ্যায় ১ ঃ ধর্মশাস্ত্র (সাধাৰণ অধ্যয়ন)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ধর্ম আৰু ইয়াৰ উৎসসমূহ

১.৪ ধর্মশাস্ত্ৰৰ পৰিচয়

- ১.৪.১ ধর্মশাস্ত্র কি
- ১.৪.২ ধর্মশাস্ত্র ৰচনাৰ কাল
- ১.৪.৩ ধর্মসূত্র আৰু ছন্দোৱদ্ধ স্মৃতিৰ মাজত থকা পার্থক্যসমূহ
- ১.৪.৪ ধর্মশাস্ত্ৰৰ সংখ্যা

১.৫ ধর্মসূত্ৰৰ পৰিচয়

১.৬ ধর্মসূত্ৰৰ আলোচনা

- ১.৬.১ গৌতম ধর্মসূত্র
- ১.৬.২ বৌধায়ন ধর্মসূত্র
- ১.৬.৩ আপস্তম্ব ধর্মসূত্র
- ১.৬.৪ বশিষ্ঠ ধর্মসূত্র
- ১.৬.৫ অন্যান্য ধর্মসূত্রসমূহ

১.৭ ছন্দোৱদ্ধ স্মৃতিশাস্ত্ৰৰ আলোচনা

- ১.৭.১ মনুস্মৃতি
- ১.৭.২ যাজ্ঞৱল্ক্য স্মৃতি
- ১.৭.৩ পৰাশৰ স্মৃতি
- ১.৭.৪ নাৰদ স্মৃতি
- ১.৭.৫ বৃহস্পতি স্মৃতি
- ১.৭.৬ কাত্যায়ন স্মৃতি
- ১.৭.৭ অন্যান্য ছন্দোবদ্ধ স্মৃতিশাস্ত্রসমূহ

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্রগতিৰ খতিয়ান

১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ধর্ম আৰু ইয়াৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিব
- ধর্মশাস্ত্রৰ সাধাৰণ পৰিচয়, ইয়াৰ ৰচনাৰ কাল, ধর্মসূত্র আৰু ছন্দোৱদ্ধ স্মৃতিসমূহৰ পার্থক্য আদিৰ সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- বিভিন্ন ধর্মসূত্রসমূহৰ, যেনে গৌতম ধর্মসূত্র, বৌধায়ন ধর্মসূত্র, আপস্তম্ব ধর্মসূত্র আৰু বশিষ্ঠ ধর্মসূত্রৰ এক বিশদ বিৱৰণ লাভ কৰিব
- ছন্দোৱদ্ধ স্মৃতি যেনে মনুস্মৃতি, যাজ্ঞৱল্ক্যস্মৃতি, নাৰদ স্মৃতি আদিৰ বিশেষ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব।

১.২ পৰিচয়

সংস্কৃত সাহিত্যৰ বিভিন্ন শাখাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য শাখা হৈছে ধর্মশাস্ত্র। এই অধ্যায়ত আপুনি ধর্মশাস্ত্রৰ এটি সাধাৰণ পৰিচয় লাভ কৰিব পাৰিব। এই প্রসংগত ধর্ম আৰু ইয়াৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিব। ধর্মশাস্ত্রৰ ৰচনাকাল, ধর্মসূত্র আৰু ছন্দোবদ্ধ স্মৃতিসমূহৰ পার্থক্য সম্পর্কেও অৱগত হ'ব। ইয়াৰ উপৰিও বিশেষ বিশেষ ধর্মসূত্রসমূহ যেনে - গৌতম ধর্মসূত্র, বৌধায়ন ধর্মসূত্র আৰু ছন্দোবদ্ধ স্মৃতিশাস্ত্র যেনে মনুস্মৃতি, যাজ্ঞবল্ক্য স্মৃতি আদিৰ বিষয়েও জ্ঞান লাভ কৰিব পাৰিব।

১.৩ ধর্ম আৰু ইয়াৰ উৎসসমূহ

এই অংশত আপুনি ধর্ম আৰু ইয়াৰ উৎসসমূহ সম্পর্কে জ্ঞান লাভ কৰিব।

ধর্ম ঃ সংস্কৃত ধর্ম শব্দটো √ধৃ ধাতুৰ পৰা নিষ্পন্ন হৈছে। ইয়াৰ অর্থ হৈছে ধাৰণ কৰা। অর্থাৎ যিয়ে ধাৰণ কৰে বা ধৰি ৰাখে সেয়ে ধর্ম। ধর্ম শব্দটো ঋগ্বেদত বহুবাৰ উল্লেখিত হৈছে। বেছিভাগ ক্ষেত্রতেই দেখা যায় যে ধর্ম শব্দটোৱে ধর্মীয় বিধি বা আচৰণৰ অর্থ প্রকাশ কৰে। ঋগ্বেদৰ চতুর্থ, পঞ্চম আৰু ষষ্ঠ মণ্ডলত আচৰণৰ বিধি অর্থত ধর্মক উপস্থাপন কৰা হৈছে। ঋগ্বেদত অগ্নিদেবতাক স্বধর্ম ৰূপে উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও সত্যধর্ম শব্দটো বিভিন্ন দেৱতাৰ ক্ষেত্রত প্রয়োগ কৰা হৈছে যেনে— সৱিতৃ, বিশ্বেদেবাঃ, অগ্নি ইত্যাদি। ইয়াত এই শব্দটোৱে প্রকাশ কৰা অর্থটো হৈছে, যাৰ বিধি কেতিয়াও বিফল নহয়। ঐতৰেয় ব্রাহ্মণত ধর্ম শব্দটোৱে সমগ্র ধার্মিক কার্যসমূহক সূচায়। বৃহদাৰণ্যক উপনিষদত ধর্ম আৰু সত্যক একে অর্থত প্রকাশ কৰা হৈছে। ছান্দোগ্য উপনিষদত আশ্রমসমূহৰ বিশেষ কর্তব্য বুজাবলৈ ধর্ম শব্দটো ব্যৱহাৰ কৰা হৈছে। তৈত্তিৰীয় উপনিষদতো নিজৰ নিজৰ কর্তব্য বুজাবলৈ ধর্ম শব্দৰ ব্যৱহাৰ কৰা হৈছে। ইয়াত কোৱা হৈছে সত্যং বদ, ধর্মং চৰ। অর্থাৎ সত্য কথা কবা, ধর্ম আচৰণ কৰিবা। ভগৱদ্গীতাতো

এই অর্থই প্রকাশ কৰা হৈছে— স্বধর্মে নিধনং শ্রেয়ঃ। মনুস্মৃতিতো পোৱা যায় যে ঋষিসকলে সকলো বর্ণৰ ধর্ম বা কর্তব্যসমূহৰ বিষয়ে ক'বলৈ মনুক অনুৰোধ কৰিছিল। যাজ্ঞবল্ক্য স্মৃতিতো এই একে অর্থতেই ধর্ম শব্দৰ উপস্থাপন কৰা হৈছে।

পূর্বমীমাংসাসূত্রত জৈমিনীয়ে ধর্মৰ লক্ষণ এনেদৰে দাঙি ধৰিছে— চোদনালক্ষণো'র্থো ধর্মঃ। অর্থাৎ বেদৰ দ্বাৰা নির্দেশিত বিধিয়েই হৈছে ধর্ম।

মনুস্মৃতি গ্রন্থত ধর্মৰ এটি সাধাৰণ লক্ষণ পোৱা যায়। তাত কোৱা হৈছে— সেয়াই হৈছে ধর্ম যি সজ তথা ৰাগ-দ্বেষ ৰহিত বিদ্বানসকলৰ দ্বাৰা সেৱিত আৰু তেওঁলোকৰ হৃদয়গ্রাহ্য। কামন্দকৰ নীতিসাৰ গ্রন্থতো পোৱা যায় যে বেদাদি শাস্ত্র আর্য্য বা পূজ্য ব্যক্তিসকলে যি কার্যৰ সম্পাদনত প্রশংসা কৰে সেয়াই হৈছে ধর্ম।

গতিকে কোনো এটা বর্ণৰ বা আশ্রমৰ এজন সদস্য হিচাপে ব্যক্তি এজনৰ কর্তব্য বা আচৰণেই হৈছে ধর্ম।

ধর্মৰ উৎস ঃ ধর্মৰ উৎস সম্পর্কে বিভিন্ন ধর্মশাস্ত্রসমূহত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। গৌতম ধর্মসূত্রত কোৱা হৈছে যে বেদ, স্মৃতি আৰু শীল— এই তিনিটা হৈছে ধর্মৰ উৎস। বেদো ধর্মমূলম্। তদ্বিদাং চ স্মৃতিশীলে। বশিষ্ঠ ধর্মসূত্রত উল্লেখ আছে যে শ্রুতি স্মৃতি আৰু শিষ্টাচাৰ হৈছে ধর্মৰ উৎস। শ্রুতিস্মৃতিবিহিতো ধর্মঃ। তদলাভে শিষ্টাচাৰ ঃ প্রমাণম্।

মনুস্মৃতিত মনুৱে ধর্মৰ পাঁচ প্রকাৰৰ উৎস প্রদর্শন কৰিছে। সেয়া হৈছে— বেদ, স্মৃতি, শীল, সাধু নামাচাৰ অর্থাৎ সাধুসকলৰ আচাৰ আৰু আত্মনস্তুষ্টি অর্থাৎ আত্মাৰ তুষ্টি।

বেদো'খিলো ধর্মমূলং স্মৃতিশীলে চ তদ্বিদাম্।
আচাৰশ্চৈৰ সাধূনামাত্মনস্তুষ্টিৰেৰ চ।।

মনুৰ দৰে যাজ্ঞৱল্ক্যইও তেওঁৰ স্মৃতিত পাঁচ প্রকাৰৰ উৎসৰ বিষয়ে কৈছে। সেয়া হৈছে— শ্রুতি, স্মৃতি, সদাচাৰ, স্বস্য আত্মনঃ প্রিয়ম্ অর্থাৎ নিত্য আত্মাৰ বাবে যি প্রিয় আৰু সম্যক্ সংকল্পজ কাম অর্থাৎ প্রকৃত সংকল্পৰ পৰা উদ্ভৱ হোৱা ইচ্ছা।

তলত মনুস্মৃতিত উল্লেখ থকা পাঁচপ্রকাৰৰ উৎসৰ এটি চমু আলোচনা দাঙি ধৰা হ'ল—

(১) **বেদ ঃ** বেদ বুলি ক'লে ঋগ্বেদ, যজুর্বেদ, সামবেদ আৰু অথর্ববেদক বুজায়। এই বেদসমূহক ধর্মৰ উৎস বুলি কোৱা হয়। কাৰণ এইসমূহৰ পৰা মানুহে ধর্ম বা কর্তব্য সম্পর্কে জ্ঞান লাভ কৰে। বেদৰ ব্রাহ্মণ ভাগত থকা বিধি বিষয়ক উক্তিসমূহৰ দ্বাৰা আৰু কিছুমান ক্ষেত্রত মন্ত্রসমূহৰ দ্বাৰাও এই জ্ঞান লাভ কৰা হয়। বেদৰ অর্থবাদ অংশয়ো এই ক্ষেত্রত অৰিহণা আগবঢ়ায়।

(২) **স্মৃতি ঃ** বেদবেত্তা মনু আদিৰ যি সমূহ স্মৃতি আছে সেইসমূহো ধর্মৰ প্রমাণৰূপে স্বীকৃত হয়। স্মৃতিসমূহক এই কাৰণেই প্রমাণ বুলি অভিহিত কৰা হয়। কাৰণ সেইবোৰৰ মূল হৈছে বেদ। যেতিয়া কোনোবা ক্ষেত্রত বেদৰ উক্তি উপলব্ধ নহয় তেতিয়া ধর্ম নির্ধাৰণ কৰিবলৈ স্মৃতিৰ সহায় লোৱা হয়।

(৩) **শীল ঃ** যেতিয়া বেদ আৰু স্মৃতিৰ উক্তি উপলব্ধ নহয় তেনে ক্ষেত্রত ধর্ম বা কর্তব্য বেদজ্ঞ



হৃদয়গ্রাহ্য - অন্তৰ বা বিবেকে যাক গ্রহণ কৰে।



কামন্দকৰ নীতিসাৰ - কামন্দকৰ দ্বাৰা ৰচিত এখন ৰাজনীতি বিষয়ক গ্রন্থ।



বেদবেত্তা -বেদৰ জ্ঞান থকা লোক।

লোকৰ শীল বা আচৰণৰ ওপৰত ভিত্তি কৰি নির্ধাৰণ কৰিব লাগে। হাৰীত স্মৃতিত তেৰ প্ৰকাৰৰ 'শীল'ৰ প্ৰদৰ্শন কৰা হৈছে।

(৪) **সাধূনামাচাৰ ঃ** সাধুলোকৰ আচাৰ বা তেওঁলোকে কৰা আচৰণক সদাচাৰ বুলি কোৱা হয়। যেতিয়া বেদৰ বা স্মৃতিৰ উক্তি উপলব্ধ নহয় তেতিয়া ধাৰ্মিক, সজ লোকসকলে যিটো ধৰ্মৰূপে বিবেচনা কৰি সম্পাদন কৰে সেইটোকেই বেদ আৰু স্মৃতিত প্ৰদত্ত বুলি বিবেচনা কৰিব লাগে।

আত্মনস্তুষ্টি ঃ আত্মাৰ তুষ্টি বা সন্তুষ্টি বুলি ক'লে সেইসকল লোকৰ আত্মাৰ সন্তুষ্টি বুজোৱা হৈছে যিসকল বেদজ্ঞ আৰু সাধু। কোনো এটা কাৰ্যৰ সম্পাদনৰ ক্ষেত্ৰত জ্ঞানী আৰু সাধুলোকে যেতিয়া সন্তুষ্টি অনুভৱ কৰে তেতিয়া সেই কাৰ্য শুদ্ধ বা উচিত কাৰ্যৰূপে গ্ৰহণ কৰিব লাগে। কাৰণ এনে লোকে অনুচিত কৰ্মৰ ক্ষেত্ৰত কেতিয়াও সন্তুষ্টি অনুভৱ নকৰে। অথবা কোনো কাৰ্য সম্পাদনৰ ক্ষেত্ৰত যেতিয়া বিভিন্ন বিকল্প থাকে, তেনে ক্ষেত্ৰত যিটোৰ দ্বাৰা নিজৰ মনটোৱে সন্তুষ্টি লাভ কৰে সেইটোহে গ্ৰহণ কৰা উচিত।

১.৪ ধৰ্মশাস্ত্ৰৰ পৰিচয়

এই অংশত আপুনি ধৰ্মশাস্ত্ৰৰ এক পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব।

১.৪.১ ধৰ্মশাস্ত্ৰ কি

সংস্কৃত সাহিত্যৰ বিভিন্ন বিভাগ বা শাখাসমূহৰ ভিতৰত ধৰ্মশাস্ত্ৰ হৈছে অন্যতম। বিষ্ণুপুৰাণত (৩.৬.২৮) উল্লেখ আছে যে ধৰ্মশাস্ত্ৰ হৈছে ওঠৰ প্ৰকাৰৰ বিদ্যাৰ ভিতৰত এক উল্লেখযোগ্য বিদ্যা। ধৰ্মশাস্ত্ৰ শব্দটো ধৰ্মসূত্ৰ আৰু ছন্দোৱদ্ধ স্মৃতিশাস্ত্ৰ এই উভয়ৰ ক্ষেত্ৰতেই প্ৰয়োগ হয়। অৱশ্যে সকলো ধৰ্মশাস্ত্ৰকেই মনুৱে স্মৃতি বুলি ঘোষণা কৰিছে। মনুসংহিতাৰ দ্বিতীয় অধ্যায়ত উল্লেখ আছে— 'ধৰ্মশাস্ত্ৰং তু ৱৈ স্মৃতিঃ'।

১.৪.২ ধৰ্মশাস্ত্ৰ ৰচনাৰ কাল

ধৰ্মশাস্ত্ৰসমূহ কেতিয়া ৰচনা কৰা হৈছিল এই কথা স্পষ্টভাৱে নির্দিষ্ট কৰিব পৰা নাযায়। পণ্ডিতসকলে অনুমান কৰে যে যাস্কাচাৰ্য্যৰ নিৰুক্ত ৰচনাৰ আগেয়ে ধৰ্মশাস্ত্ৰ ৰচনাৰ কাম আৰম্ভ হৈছিল। যাস্কাচাৰ্য্যৰ নিৰুক্ত ৰচনা কৰাৰ সময় আছিল খৃষ্টপূৰ্ব ৬০০-৩০০। এই কথাও স্পষ্টভাৱে ক'ব পৰা নাযায় যে ধৰ্মসূত্ৰ আৰু ছন্দোৱদ্ধ স্মৃতিসমূহৰ ভিতৰত কোনসমূহ আগতে ৰচনা কৰা হৈছিল। কোনো কোনো পাশ্চাত্য পণ্ডিতে ক'ব বিচাৰে যে ধৰ্মসূত্ৰসমূহ ছন্দোৱদ্ধ স্মৃতি সমূহতকৈ আগতে ৰচনা কৰা হৈছিল। কিন্তু আৰু তেওঁৰ স্মৃতিশাস্ত্ৰৰ লগতে আন কিছুমানৰ বিষয়ে বহু ধৰ্মসূত্ৰত উল্লেখ কৰা হৈছে। সেয়ে এই কথা কোৱাটো কঠিন যে সকলো ছন্দোৱদ্ধ স্মৃতি ধৰ্মসূত্ৰতকৈ পিছত ৰচনা

কৰা হৈছিল। কিন্তু এইটো দৃঢ়তাৰে ক'ব পৰা যায় যে ধর্মশাস্ত্ৰৰ ৰচনা যাস্কৰ আগতেই অর্থাৎ খ্ৰীঃপূব ৬০০-৩০০ৰ আগতেই আৰম্ভ হৈছিল আৰু খ্ৰীঃপূব ২য় শতাব্দীত মানৰ জীৱনৰ পৰিচালনাৰ ক্ষেত্ৰত এইসমূহে বিশেষ অৰিহণা যোগাইছিল।

১.৪.৩ ধর্মসূত্র আৰু ছন্দোৱদ্ধ স্মৃতিৰ মাজত থকা পার্থক্যসমূহ

ধর্মসূত্র আৰু ছন্দোৱদ্ধ স্মৃতিসমূহৰ মাজত কিছুমান পার্থক্য পৰিলক্ষিত হয়—

১) ধর্মসূত্রসমূহৰ বেছিভাগেই কল্পসূত্রৰ অংশ নাইবা গৃহ্যসূত্রৰ লগত সম্পর্কযুক্ত হয়। কিন্তু ছন্দোৱদ্ধ স্মৃতিসমূহ সেইসমূহৰ অন্তর্ভুক্ত নহয়।

২) ধর্মসূত্রসমূহ কেৱল গদ্যত নাইবা কেতিয়াবা গদ্য আৰু পদ্য বা শ্লোক উভয়তে ৰচনা কৰা হয়। কিন্তু ছন্দোৱদ্ধ স্মৃতিসমূহ, কেৱল শ্লোকতেই ৰচনা কৰা হয়।

৩) ধর্মসূত্রসমূহৰ বিষয়বস্তু সুসংৱদ্ধভাৱে সজোৱা নাথাকে। কিন্তু ছন্দোৱদ্ধ স্মৃতিসমূহৰ বিষয়বস্তুসমূহ সাধাৰণতে নির্দিষ্টৰূপত সজোৱা হয় আৰু আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত এই তিনিটা ভাগত ভগোৱা হয়।

৪) ধর্মসূত্রসমূহৰ ভাষা ছন্দোৱদ্ধ স্মৃতিসমূহতকৈ প্রাচীনতৰ।

৫) বেছিভাগ ধর্মসূত্র ছন্দোৱদ্ধ স্মৃতিসমূহতকৈ আগতে ৰচনা কৰা হৈছিল। ধর্মসূত্রসমূহৰ ভিতৰত গৌতম ধর্মসূত্রক আৰু আন স্মৃতিসমূহৰ ভিতৰত মনুস্মৃতিক আটাইতকৈ প্রাচীন হিচাপে স্বীকৃতি দিয়া হয়।

কল্পসূত্র আৰু গৃহ্যসূত্র - কল্পসূত্র বেদৰ এটা অঙ্গ আৰু গৃহ্যসূত্র কল্পসূত্রৰ এটা বিভাগ।

১.৪.৪ ধর্মশাস্ত্রৰ সংখ্যা

ধর্মশাস্ত্রৰ সংখ্যাৰ বিষয়ে বিভিন্ন শাস্ত্রত বিভিন্ন ধৰণে উল্লেখ আছে। গৌতমধর্মসূত্রত ধর্মশাস্ত্রকাৰ হিচাপে কেৱল মনুৰ বিষয়ে উল্লেখ আছে। বৌধায়নে নিজৰ বাহিৰে আন সাতজন ধর্মশাস্ত্রকাৰৰ নাম উল্লেখ কৰিছে। বশিষ্ঠই ধর্মশাস্ত্রকাৰৰূপে পাঁচজনৰ নাম উল্লেখ কৰিছে। সেইসকল হৈছে— গৌতম, প্রজাপতি, মনু, যম আৰু হাৰীত। আপস্তম্বই ধর্মশাস্ত্রকাৰ দহজনৰ নাম উল্লেখ কৰিছে। মনুস্মৃতিত মনুৱে নিজকে ধৰি ছয়জন ধর্মশাস্ত্রকাৰৰ নাম উল্লেখ কৰিছে। সেইসকল হৈছে— মনু, অত্রি, ভৃগু, বশিষ্ঠ, বৈশানস আৰু শৌনক। যাজ্ঞবল্ক্যস্মৃতিত, বিশজন ধর্মশাস্ত্রকাৰৰ নাম স্পষ্টভাৱে একেলগে উল্লেখ কৰা হৈছে। সেইসকল হৈছে— মনু, অত্রি, বিষ্ণু, হাৰীত, যাজ্ঞবল্ক্য, উশনা, অঙ্গিৰা, যম, আপস্তম্ব, সংৱর্ত্ত, কাত্যায়ন, বৃহস্পতি, পৰাশৰ, ব্যাস, শঙ্খ, লিখিত, দক্ষ, গৌতম, শাতাতপ আৰু বশিষ্ঠ। পদ্মপুৰাণত ৩৬জন ধর্মশাস্ত্র ৰচকৰ নাম পোৱা যায়। বৃদ্ধ গৌতমস্মৃতিত ৫৭খন ধর্মশাস্ত্রৰ বিষয়ে উক্ত হৈছে। পৰৱর্তী নিবন্ধসমূহত উল্লেখ কৰা সকলো ধর্মশাস্ত্র বা স্মৃতি গোট খুৱালে ইয়াৰ সংখ্যা প্রায় এশ হ'ব।

জানি থোৱা ভাল



ধর্মশাস্ত্র হৈছে বিদ্যাসমূহৰ ভিতৰত অন্যতম। সংস্কৃত সাহিত্যৰ বিভিন্ন শাস্ত্রত বিদ্যাৰ প্রকাৰ সম্বন্ধে বিভিন্ন ধৰণে উল্লেখ আছে। উশনস্ অর্থাৎ শুক্রাচার্য্যৰ শিষ্যসকলে দণ্ডনীতিকেই কেৱল বিদ্যা বুলি স্বীকাৰ কৰিছে। বৃহস্পতিৰ শিষ্যসকলে বিদ্যা দুই প্রকাৰৰ বুলি কৈছে। সেয়া হ'ল— বার্তা আৰু দণ্ডনীতি। কৌটিল্যৰ অর্থশাস্ত্রত চাৰিপ্রকাৰৰ বিদ্যাৰ উল্লেখ আছে— আন্বীক্ষিকী, ত্রয়ী, বার্তা আৰু দণ্ডনীতি। মনুস্মৃতিত মহর্ষি মনুৱে ১৪ প্রকাৰৰ বিদ্যাৰ উল্লেখ কৰিছে। সেইবোৰ হ'ল— ছয় বেদাঙ্গ, চাৰিবেদ, মীমাংসা, ন্যায়, পুৰাণ আৰু ধর্মশাস্ত্র। শুক্রনীতিশাস্ত্রত আকৌ বত্রিশ প্রকাৰৰ বিদ্যাক স্বীকাৰ কৰা হৈছে। ইয়াৰ ভিতৰত স্মৃতি বা ধর্মশাস্ত্র হৈছে অন্যতম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধর্ম শব্দটো কি ধাতুৰ পৰা নিষ্পন্ন হৈছে আৰু ইয়াৰ অর্থ কি?

.....

.....

প্রশ্ন নং ২ ঃ মনুস্মৃতি অনুসৰি ধর্মৰ উৎসসমূহ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ ধর্মশাস্ত্র বুলিলে কি বুজা যায়?

.....

.....

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক

(ক) ..... তু বৈ স্মৃতিঃ।

(খ) চোদনালক্ষণো'র্থো .....।

১.৫ ধর্মসূত্রৰ পৰিচয়

ধর্মসূত্র হৈছে বেদাঙ্গসমূহৰ ভিতৰত অন্যতম কল্পসূত্রৰ এটা ভাগ। বেদৰ ছয় প্রকাৰ অঙ্গ আছে। সেয়া হৈছে— শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ। এই ছয় বেদাঙ্গৰ ভিতৰত কল্পক বেদপুৰুষৰ হস্ত বা হাত বুলি কোৱা হৈছে। এই কল্পৰ চাৰিটা বিভাগ— শ্রৌত, গৃহ্য, ধর্ম আৰু শুল্ব। এই আটাইবোৰ সূত্র আকাৰত ৰচনা কৰা হৈছিল আৰু সেয়ে এইসমূহক

শ্ৰৌতসূত্ৰ, গৃহ্যসূত্ৰ, ধর্মসূত্ৰৰ আৰু শুল্বসূত্ৰৰূপে অভিহিত কৰা হয়। ইয়াৰে ভিতৰত ধর্মসূত্ৰৰ বিষয়বস্তু আনসমূহতকৈ সম্পূৰ্ণ পৃথক আৰু ই সামাজিক বিধিসমূহৰ বিষয়ে আলোচনা কৰে।

১.৬ ধর্মসূত্ৰৰ আলোচনা

এতিয়া আপুনি বিভিন্ন ধর্মসমূহৰ বিষয়ে জানিব পাৰিব।

১.৬.১ গৌতম ধর্মসূত্ৰ

ধর্মসূত্ৰসমূহৰ ভিতৰত গৌতমধর্মসূত্ৰকেই প্ৰাচীনতম ৰূপে গণ্য কৰা হয়। সামবেদৰ অনুগামী (followers) সকলে এই ধর্মসূত্ৰখন বিশেষভাৱে অধ্যয়ন কৰিছিল। **চৰণব্যূহ**ৰ টীকা এই কথা কোৱা হৈছে যে ৰাণায়নীয় শাখাৰ নটা বিভাগৰ ভিতৰত গৌতম হৈছে অন্যতম। গৌতম ধর্মসূত্ৰত ২৮টা অধ্যায় আছে আৰু প্ৰায়সকলো বিষয় আলোচনা কৰা হৈছে। ইয়াৰ আলোচ্য বিষয়সমূহ হৈছে— ধর্মৰ উৎস, বর্ণসমূহৰ উপনয়নৰ কাল, শৌচ আৰু আচমনৰ বিধি, গুৰুৰ ওচৰলৈ গমনৰ বিধি, ব্ৰহ্মচাৰীৰ অধ্যয়নৰ কাল, চাৰি আশ্ৰম, ভিক্ষু আৰু বৈখানসৰ কর্তব্য, গৃহস্থৰ বাবে বিধি, বিবাহ, বিবাহৰ বয়স, ৮ প্ৰকাৰৰ বিবাহ, নিত্যকৰণীয় পঞ্চমহা যজ্ঞ, পিতৃ-মাতৃক সন্মান জনোৱাৰ বিধি, গুৰুক সন্মান জনোৱা বিধি, চল্লিশ প্ৰকাৰৰ সংস্কাৰ, আঠপ্ৰকাৰৰ গুণ যেনে দয়া, ক্ষমা আদি, **স্নাতক** আৰু গৃহস্থৰ ব্ৰত, ৰজাৰ কর্তব্য, বাৰ, শিশুৰ সম্পত্তিৰ অভিভাৱকত্ব, দণ্ডবিধান, ব্ৰাহ্মণৰ দণ্ডৰ ক্ষেত্ৰত বিশেষ সুবিধা, ঋণ পৰিশোধ, সাক্ষী সম্পর্কীয় বিধি, জন্ম আৰু মৃত্যুৰ অশৌচৰ বিধি, পঞ্চ প্ৰকাৰৰ শ্ৰাদ্ধ, ব্ৰাহ্মণ আৰু আন বর্ণৰ বাবে ভক্ষ্য আৰু অভক্ষ্য পদার্থ, স্ত্ৰী ধর্ম, নিয়োগ ব্যৱস্থা, প্ৰায়শ্চিত্তৰ হেতু আৰু কাল, পাপ খণ্ডনৰ পঞ্চ প্ৰকাৰ- জপ, তপ, হোম, ব্ৰত আৰু দান, পাপকর্মত লিপ্ত প্ৰায়শ্চিত্ত নকৰা জনৰ কাৰণে বিধান, বিভিন্ন স্তৰৰ পাতক, মহাপাতক, উপপাতক আদি, হত্যাৰ বাবে প্ৰায়শ্চিত্ত, মদ্যপানৰ প্ৰায়শ্চিত্ত কৃচ্ছ্ৰ আৰু অতিকৃচ্ছ্ৰ তপস্যা, চান্দ্ৰায়ন তপ, স্ত্ৰীধন, বাৰপ্ৰকাৰৰ পুত্ৰ, উত্তৰাধিকাৰী ইত্যাদি।

সমগ্ৰ গৌতমধর্মসূত্ৰ গদ্যত ৰচনা কৰা হৈছে। ইয়াত কোনো শ্লোক নাই। গৌতমধর্মসূত্ৰৰ এগৰাকী উল্লেখযোগ্য টীকাকাৰ হৈছে হৰদত্ত। এই টীকাটোৰ নাম মিতাক্ষৰা। হৰদত্তৰ পূর্বতে এই ধর্মসূত্ৰৰ আন এটা লেখত ল'বলগীয়া টীকা ৰচনা কৰিছিল টীকাকাৰ মস্কৰীয়ে।



চৰণব্যূহ - শৌনকৰ দ্বাৰা ৰচিত আৰু ই বেদৰ এখন পৰিশিষ্ট গ্ৰন্থ।



স্নাতক - গুৰু গৃহত শিক্ষা সমাপ্ত কৰি আনুষ্ঠানিক স্নান কৰা লোক।

১.৬.২ বৌধায়ন ধর্মসূত্ৰ

বৌধায়ন ধর্মসূত্ৰ কৃষ্ণযজুর্বেদৰ লগত সম্পর্কিত। এই ধর্মসূত্ৰখন চাৰিটা প্ৰশ্নত বিভক্ত। অৱশ্যে ইয়াৰ চতুর্থ প্ৰশ্নত আন তিনিটা বিভাগ বা প্ৰশ্নতকৈ ৰীতি, ভাষা আদিৰ ক্ষেত্ৰত পার্থক্য পৰিলক্ষিত হয়। সেয়েহে ইয়াক **প্ৰক্ষিপ্ত** অংশ বুলি ধাৰণা কৰা



প্ৰক্ষিপ্ত-পৰৱর্তী সময়ত কৰা সংযোজন।

হয়। এই প্রশ্ন মূলতঃ শ্লোকত ৰচনা কৰা হৈছে। বৌধায়ন ধর্মসূত্রৰ বিষয়বস্তুৰ গাঁথনি দুর্বল আৰু ই সংক্ষিপ্ত নহয়। এই গ্রন্থত বহু বিষয় একাধিক স্থানত আলোচনা কৰা দেখা যায়। যিটো বহুক্ষেত্রত যুক্তিসংগত নহয়।

বৌধায়ন ধর্মসূত্র গৌতম ধর্মসূত্রতকৈ পিছত ৰচনা কৰা হৈছিল। এই ধর্মসূত্রত দুবাৰ গৌতমৰ নাম উল্লেখ কৰা হৈছে। বৌধায়ন ধর্মসূত্র হৈছে বৌধায়ন শ্রৌতসূত্র আৰু বৌধায়ন গৃহ্যসূত্রৰ পৰিশিষ্ট অংশ। গোৱিন্দস্বামীক এই ধর্মসূত্রৰ একমাত্র ভাষ্যকাৰৰূপে বিবেচনা কৰা হয়।

বৌধায়ন ধর্মসূত্রৰ বিষয়বস্তু এনেধৰণৰ—

প্রথম প্রশ্ন— ধর্মৰ উৎস, শিষ্ট কোন, পৰিষদ, শিষ্টৰ নিবাসনস্থল, সংকীর্ণজাতিৰ নিবাস, গুৰুগৃহত অধ্যয়নৰ কাল, উপনয়নৰ কাল, ব্রহ্মচাৰীৰ কর্তব্য, স্নাতকৰ কর্তব্য, কায়িক আৰু মানসিক শৌচ, জন্ম আৰু মৃত্যুৰ অশৌচ, সপিণ্ড আৰু সাকুল্যৰ অর্থ, ৰজাৰ কর্তব্য, পঞ্চমহাপাপ, দণ্ডবিধান, অষ্টপ্রকাৰৰ বিবাহ ইত্যাদি।

দ্বিতীয় প্রশ্ন—ব্রহ্মহত্যাৰ প্রায়শ্চিত্ত, কৃচ্ছ্র, অতিকৃচ্ছ্র তপস্যাৰ বর্ণনা, সম্পত্তিৰ বিভাজন, জ্যেষ্ঠ পুত্রক বেছি অংশ প্রদান, উত্তৰাধিকাৰৰ পৰা বঞ্চিতলোক, নিয়োগৰ বিধি, গৃহস্থৰ নিত্য কর্তব্য, সন্ধ্যা, স্নান, আচমন, সূর্য্য উপাসনা, দেবতা, ঋষি আৰু পিতৃ তর্পনৰ বিধি, পঞ্চমহাযজ্ঞ, চাৰিবর্ণ আৰু সেইসমূহৰ কর্তব্য, শ্রাদ্ধ, সন্ন্যাসৰ বিধি ইত্যাদি।

তৃতীয় প্রশ্ন — ঋষিৰ কর্তব্য আৰু জীৱন ধাৰণৰ উপায়, ব্রহ্মচাৰী আৰু গৃহস্থৰ ব্রত সম্পন্ন নকৰা বাবে প্রায়শ্চিত্ত, কুষুমাণ্ড হোম, চান্দ্রায়ন তপ, নিৰাহাৰী হৈ কৰা বেদপাঠ ইত্যাদি।

চতুর্থ প্রশ্ন — বিভিন্ন প্রকাৰৰ প্রায়শ্চিত্ত, প্রাণায়াম, জপ, হোম, ইষ্টি আৰু যন্ত্রৰ দ্বাৰা সিদ্ধি লাভৰ উপায়, কৃচ্ছ্র, অতিকৃচ্ছ্র, সান্তাপন, পৰাক, চান্দ্রায়ণ তপস্যা ইত্যাদি।

১.৬.৩ আপস্তম্ব ধর্মসূত্র

আপস্তম্ব ধর্মসূত্র কৃষ্ণযজুর্বেদৰ তৈত্তিৰীয় শাখাৰ লগত সম্পর্কযুক্ত। এই ধর্মসূত্র গৌতম আৰু বৌধায়ন ধর্মসূত্রৰ পিছত আৰু চতুর্থ শতাব্দীৰ আগতে ৰচিত। এই ধর্মসূত্রৰ এটা টীকা হৈছে উজ্জ্বলা আৰু ইয়াৰ ৰচক হৈছে হৰদত্ত। বৌধায়ন ধর্মসূত্রৰ তুলনাত ই বহু সংক্ষিপ্ত। এই ধর্মসূত্রখন দুটা প্রশ্নত বিভক্ত। ইয়াৰ প্রতিটো প্রশ্ন পুনৰ এঘাৰটাকৈ পটলত বিভক্ত। ইয়াৰ প্রথম প্রশ্নৰ এঘাৰটা পটলক আকৌ ৩২টা কণ্ডিকাত ভাগ কৰা হৈছে। সেইদৰে দ্বিতীয় প্রশ্নৰ এঘাৰটা পটল ২৯টা কণ্ডিকাত বিভক্ত। এই ধর্মসূত্র পূর্বমীমাংসাৰ লগত বিশেষভাৱে সম্পর্কযুক্ত।

আপস্তম্বধর্মসূত্রৰ বিষয়বস্তু এনেধৰণৰ—

উপনয়ন, উপনয়নৰ কাল, গৃহস্থাশ্রমৰ ধর্ম, ব্রহ্মচর্য্য বিধি, তপৰ অর্থ, বেদ অধ্যয়নৰফল, স্বাধ্যায়ৰ মহত্ব, মহাযজ্ঞ, গৃহস্থাশ্রৰ ধর্ম, ধর্ম আচৰণৰ প্রয়োজন, বিনিময়ৰ নিয়ম, পতনীয়

কর্ম, আত্মজ্ঞানৰ মহত্ব, বিভিন্ন পাপৰ প্ৰায়শ্চিত্ত, পশুবধৰ প্ৰায়শ্চিত্ত, গুৰুৰ প্ৰতি শিষ্যৰ কৰ্তব্য, হোমকৰ্মৰ নিয়ম, অতিথি সৎকাৰৰ নিয়ম, ৰজাৰ কৰ্তব্য, দণ্ডবিধান, বিবাহৰ প্ৰকাৰ, উত্তৰাধিকাৰ, শ্ৰাদ্ধকালীন হোম, চাৰি আশ্ৰম, সন্যাসীৰ বাবে নিয়ম, বানপ্ৰস্থীৰ বাবে নিয়ম, উত্তম ৰজা, কৰ গ্ৰহণৰ নিয়ম, কৃষিকৰ্ম নকৰাৰ দণ্ড, ধৰ্মৰ আচৰণৰ মহত্ব ইত্যাদি।

১.৬.৪ বশিষ্ঠ ধৰ্মসূত্ৰ

বশিষ্ঠ ধৰ্মসূত্ৰ ঋগ্বেদৰ লগত সম্পৰ্কিত। এই ধৰ্মসূত্ৰ ত্ৰিশটা অধ্যায়ত বিভক্ত। ঋগ্বেদ, তৈত্তিৰীয় আৰু মৈত্ৰায়নীয় সংহিতা আৰু যজুৰ্বেদৰ শতপথ ব্ৰাহ্মণৰপৰা ইয়াত বহু উদ্ধৃতি থকাটো পৰিলক্ষিত হয়। ইয়াৰ ৰচনা ৰীতি গৌতম ধৰ্মসূত্ৰৰ দৰে। ইয়াৰ বহু সূত্ৰ গৌতম আৰু বৌধায়ণধৰ্মসূত্ৰৰ লগত একে। ইয়াত মনুস্মৃতিৰ পৰাও বহু উদ্ধৃতি পোৱা যায়। পৰৱৰ্তী সময়ত নিবন্ধসমূহত বেছিভাগতেই বশিষ্ঠ ধৰ্মসূত্ৰৰ পৰা উদ্ধৃতি পোৱা যায়। বশিষ্ঠই নিয়োগ ব্যৱস্থাৰ আৰু নাবালিকা বিধবাৰ পুনৰ্বিবাহৰ অনুমোদন জনাইছিল। বশিষ্ঠই কেৱল ছয়প্ৰকাৰৰ বিবাহৰ উল্লেখ কৰিছে। সেয়া হৈছে ব্ৰাহ্ম, দৈৱ, আৰ্ষ, গান্ধৰ্ব, ক্ষাত্ৰ আৰু মানুৰ। বহু স্থানত বশিষ্ঠই গৌতম, বৌধাসন আদি আন ধৰ্মসূত্ৰকাৰ সকলতকৈ ভিন্ন মত পোষণ কৰা দেখা যায়। বশিষ্ঠ ধৰ্মসূত্ৰ ৰচনাৰ কালে হৈছে খ্ৰীঃ পূঃ ৩০০-১০০।



নিৱন্ধ - ধৰ্মশাস্ত্ৰৰ বিধিসমূহ সংগ্ৰহ কৰি ৰচনা কৰা এক শ্ৰেণীৰ গ্ৰন্থ।

বশিষ্ঠ ধৰ্মসূত্ৰৰ বিষয়বস্তু এনেধৰণৰ— ধৰ্মৰ লক্ষণ, ছয় প্ৰকাৰৰ বিবাহ, চাৰিবৰ্ণ, আচাৰ্যৰ মহত্ব, পৰিষদ গঠন, আচমনবিধি, অতিথিসৎকাৰ, আচাৰৰ প্ৰশংসা, ব্ৰাহ্মণৰ নৈতিক বৈশিষ্ট্য, চাৰি আশ্ৰম, ব্ৰহ্মচাৰীৰ কৰ্তব্য, গৃহস্থৰ কৰ্তব্য, বানপ্ৰস্থীৰ কৰ্তব্য, সন্ন্যাসীৰ কৰ্তব্য, উপনয়ন, উপনয়নৰ কাল, স্নাতকৰ বিধি, বেদ অধ্যয়নৰ বিধি, দত্তকপুত্ৰৰ বিধি, ন্যায় ব্যৱস্থা, সাক্ষীৰ গুণ, ঔৰষ পুত্ৰৰ প্ৰশংসা, বাৰ প্ৰকাৰৰ পুত্ৰ, নিয়োগবিধি, উত্তৰাধিকাৰৰ বিধি, শূদ্ৰৰদ্বাৰা বেদ অধ্যয়ন নিষিদ্ধ, ৰজাৰ কৰ্তব্য, পুৰোহিতৰ গুৰুত্ব, বিভিন্ন পাপৰ প্ৰায়শ্চিত্ত, কৃচ্ছ্ৰ আৰু অতিকৃচ্ছ্ৰ তপস্যা, স্ত্ৰীৰ প্ৰশংসা, ব্ৰহ্মচৰ্য্য, তপ, ধৰ্মৰ প্ৰশংসা ইত্যাদি।

১.৬.৫ অন্যান্য ধৰ্মসূত্ৰসমূহ

ওপৰত আলোচনা কৰা ধৰ্মসূত্ৰসমূহৰ উপৰিও অন্যান্য কেতবোৰ ধৰ্মসূত্ৰ হৈছে— হাৰীত ধৰ্মসূত্ৰ, বিষ্ণুধৰ্মসূত্ৰ, হিৰণ্যকেশী ধৰ্মসূত্ৰ, বৈশানসধৰ্মসূত্ৰ, ঔশনস ধৰ্মসূত্ৰ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ধর্মসূত্র বেদৰ কোনটো অঙ্গৰ অন্তর্ভুক্ত ?

.....

প্রশ্ন নং ৬ ঃ গৌতমধর্মসূত্রৰ এগৰাকী টীকাকৰৰ নাম লিখক।

.....

প্রশ্ন নং ৭ ঃ বৌধায়ন ধর্মসূত্র কোনখন বেদৰ লগত সম্পর্কযুক্ত ?

.....

প্রশ্ন নং ৮ ঃ আপস্তম্ব ধর্মসূত্রৰ যিকোনো তিনিটা বিষয়বস্তু উল্লেখ কৰক।

.....

.....

১.৭ ছন্দোৱদ্ধ স্মৃতিশাস্ত্রৰ আলোচনা

এই অংশত আপুনি ছন্দোৱদ্ধ স্মৃতিশাস্ত্রসমূহৰ বিষয়ে এক বিশেষ জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।

১.৭.১ মনুস্মৃতি

মনুস্মৃতি হৈছে ছন্দোৱদ্ধ স্মৃতিশাস্ত্রসমূহৰ ভিতৰত আটাইতকৈ প্রাচীন আৰু সবাতোকৈ উল্লেখযোগ্য। বেদত মনুক মানৱজাতিৰ পিতৃৰূপে উল্লেখ কৰা হৈছে। নিৰুক্ত, গৌতমধর্মসূত্র, আপস্তম্বধর্মসূত্র আৰু মহাভাৰত আদি শাস্ত্রত মনুৰ উদ্ধৃতি দিয়া হৈছে।

মনুস্মৃতিত ১২টা অধ্যায় আছে। এই স্মৃতিত থকা সর্বমুঠ শ্লোকৰ সংখ্যা হৈছে ২৬৯৪টা। মনুস্মৃতিখনৰ ৰচনাৰীতি অতি সৰল আৰু ই সহজবোধ্য। গৌতম, বৌধায়ন আৰু আপস্তম্বৰ ধর্মসূত্রত থকা বিধিসমূহ মনুস্মৃতিত সমর্থন কৰা দেখা যায়। ইয়াৰ উপৰিও বশিষ্ঠ ধর্মসূত্র, বিষ্ণু ধর্মসূত্র আৰু মনুস্মৃতিৰ বহু শ্লোক একে হোৱাটো পৰিলক্ষিত হয়। মনুস্মৃতিৰ ওপৰত বহু টীকাকাৰে টীকা ৰচনা কৰিছে। সেইসকলৰ ভিতৰত মেধাতিথি, গোবিন্দৰাজ, কুল্লুক, নাৰায়ণ, ৰাঘৱানন্দ, নন্দন, ৰামচন্দ্র আদিৰ নাম উল্লেখযোগ্য।

আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত— এই তিনিওটা বিষয়তেই মনুস্মৃতিত আলোচনা কৰা হৈছে। এই কথা প্রায়েই কোৱা হয় যে মনুৰ উক্তিসমূহ ভেষজ বা ঔষধস্বৰূপ। মনুস্মৃতি শাস্ত্রখন পৰৱর্তী স্মৃতিসমূহৰ বাবে আর্হিস্বৰূপ।

মনুস্মৃতিৰ বিষয়বস্তু এনেধৰণৰ— জগতৰ উৎপত্তি, বেদসৃষ্টি, গছ-গছনিৰ

সৃষ্টি, মন্বন্তৰ কথন, চতুৰ্বৰ্ণৰ কৰ্তব্য, ধৰ্মৰ লক্ষণ, উপনয়ন, আচমনৰ বিধি, প্ৰাণায়াম, সন্ধ্যাত্ৰয় বৰ্ণনা, আচাৰ্য্য-উপাধ্যায়ৰ পৰিচয়, বেদাভ্যাসৰ শ্ৰেষ্ঠতা, গুৰুৰ আজ্ঞা পালনবিধি, ত্ৰিবৰ্গ, গুৰুশুশ্ৰূষা, গুৰুদক্ষিণা, ব্ৰহ্মচৰ্য্যবিধি, অষ্টপ্ৰকাৰৰ বিবাহ, পঞ্চমহাযজ্ঞ, পঞ্চপাপ মোচন বিধি, দেৱকাৰ্য-পিতৃকাৰ্য বিধি, পিণ্ডদান বিধি, পিতৃপুৰুষৰ প্ৰশংসা, গৃহস্থৰ বাবে জীৱিকা সম্বন্ধীয় নিৰ্দেশ, ইন্দ্ৰিয়াসক্তিৰ নিষেধ, দুষ্টৰ লগত সঙ্গ নিষেধ, সত্য তথা প্ৰিয়কথাৰ বিধান, বেদাভ্যাস পৰম ধৰ্ম, সদাচাৰৰ প্ৰশংসা তথা ফল, সুখ-দুখৰ লক্ষণ, বিবাদৰ অযোগ্য ব্যক্তি, দান লোৱাৰ বাবে অযোগ্য ব্যক্তি, দানধৰ্ম পালন, বেদদানৰ শ্ৰেষ্ঠতা, অভক্ষ্য পদাৰ্থ, ভক্ষ্য পদাৰ্থ, পত্নীধৰ্ম, বানপ্ৰস্থৰ বিধান, সন্যাসৰ বিধান, গৃহস্থৰ শ্ৰেষ্ঠতা, ধৰ্মৰ দহ লক্ষণ, ৰজাৰ উৎপত্তি, দণ্ডৰ সৃষ্টি, ৰজাৰ কৰ্তব্য, যুদ্ধ গমন তথা যুদ্ধ ব্যৱস্থা, ক্ষত্ৰিয়ৰ কৰ্তব্য, সন্ধি-বিগ্ৰহ আদি ষড়্গুণ বৰ্ণনা, ঔঠৰ প্ৰকাৰ বিবাদ বা মোকৰ্দমা, বিবাদ নিৰ্ণয়ত ধৰ্মৰ ৰক্ষা, সাক্ষী ব্যৱস্থা, সীমাবিবাদ, ঋত্বিক, মাতৃ পিতৃ ত্যাগৰ বাবে দণ্ড, শুল্ক ব্যৱস্থা, স্ত্ৰী পুৰুষৰ কৰ্তব্য, **দায়ভাগ**, দ্বাদশ প্ৰকাৰৰ পুত্ৰ, স্ত্ৰীধন, বৈশ্য আৰু শূদ্ৰৰ কৰ্তব্য, ব্ৰাহ্মণৰ শ্ৰেষ্ঠতা, ব্ৰাহ্মণৰ বাবে আপতকালীন কৰ্ম আৰু নিষিদ্ধ কৰ্ম, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ আপতকালীন কৰ্ম, দান আৰু যজ্ঞসম্বন্ধীয় বিধান, মহাপাতকৰ বৰ্ণনা, উপপাতকৰ বৰ্ণনা, মহাপাতক আৰু উপপাতকৰ প্ৰায়শ্চিত্ত, ব্ৰহ্মহত্যাৰ প্ৰায়শ্চিত্ত, পশুপক্ষী, কীট আদিৰ বধৰ প্ৰায়শ্চিত্ত, প্ৰাজাপত্য ব্ৰতৰ বিধি, চান্দ্ৰায়ণ ব্ৰতৰ বিধি, কৃচ্ছ্ৰসান্তপন, অতিকৃচ্ছ, পৰাককৃচ্ছ্ৰ ব্ৰতৰবিধি, সত্ত্ব, ৰজ, তম গুণৰ পৰিচয়, তিনি গুণৰ আধাৰত তিনিগতি, ভাৱনানুসাৰে ভাল-বেয়া কৰ্ম, আত্মজ্ঞানৰ বৰ্ণনা, তপ আৰুবিদ্যাৰ বৰ্ণনা, ধৰ্মৰ বৰ্ণনা ইত্যাদি।

দায়ভাগ - উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পত্তি ৰ বিভাজন।

১.৭.২ যাজ্ঞৱল্ক্যস্মৃতি

মনুস্মৃতিৰ পিছতে আন এখন উল্লেখযোগ্য স্মৃতিশাস্ত্ৰ হৈছে যাজ্ঞবল্ক্য স্মৃতি। এই স্মৃতি মনুসংহিতাৰ দৰে বিশাল কলেবৰৰ নহয় যদিও এই গ্ৰন্থ অতি সুসংৰদ্ধভাৱে ৰচনা কৰা হৈছিল। মনুস্মৃতিৰ প্ৰায় সকলো বিষয় যাজ্ঞবল্ক্যস্মৃতিত অন্তৰ্ভুক্ত হৈছে। কিন্তু যাক্ষৱল্ক্যই সংক্ষিপ্তকৰণৰ গুৰুত্ব দিছিল। বহু বিষয়ত যাজ্ঞবল্ক্যস্মৃতিয়ে মনুস্মৃতিক সমৰ্থন কৰে যদিও দুয়োখনৰ মাজত কিছুমান বিষয়ত পাৰ্থক্যও দেখা যায়। এই স্মৃতি বাজসনেয়ীশাখাৰ লগত জড়িত। যাজ্ঞৱল্ক্যস্মৃতিৰ সম্ভাব্যকাল হৈছে খৃঃ পূঃ ১০০-খৃঃ ৩০০।

যাজ্ঞৱল্ক্যস্মৃতি তিনিটা কাণ্ডত বিভক্ত। সেয়া হৈছে— আচাৰ, ব্যৱহাৰ আৰু প্ৰায়শ্চিত্ত। সমগ্ৰ যাজ্ঞৱল্ক্যস্মৃতি অনুষ্টুভ্ ছন্দত ৰচনা কৰা হৈছে। ইয়াৰ ৰচনাৰীতি সাৱলীল আৰু পোনপটীয়া। যাজ্ঞৱল্ক্য স্মৃতিৰ আটাইতকৈ উল্লেখযোগ্য টীকাটো হৈছে বিজ্ঞানেশ্বৰৰ দ্বাৰা ৰচিত মিতাক্ষৰা। ইয়াৰ আন দুটা উল্লেখযোগ্য টীকা হৈছে বালক্ৰীড়া আৰু অপৰাৰ্ক যাজ্ঞবল্ক্যস্মৃতিৰ বিষয়বস্তু এনেধৰণৰ—

আচাৰকাণ্ড — চৌধ প্রকাৰৰ বিদ্যা, বিশজন ধর্মশাস্ত্রকাৰ, ধর্মৰ উৎস, গর্ভাধানৰ পৰা বিবাহলৈ বিভিন্ন সংস্কাৰসমূহ, ব্রহ্মচাৰীৰ কর্তব্য, ব্রহ্মচর্য্যৰ কাল, আঠপ্রকাৰৰ বিবাহ, স্ত্রীধর্ম, গৃহস্থৰ ধর্ম, পঞ্চমহাযজ্ঞ, স্নাতকৰ ধর্ম, দান, দানৰ বাবে যোগ্য ব্যক্তি, গোদান, বিদ্যা শ্রেষ্ঠদান, শ্রাদ্ধ, ৰাজধর্ম, ৰজাৰ যোগ্যতা, মন্ত্রী, পুৰোহিত, শুল্ক, ষড়্‌গুণ ইত্যাদি।

ব্যৱহাৰ কাণ্ড — ব্যৱহাৰপদ, চতুষ্পাৎ ব্যৱহাৰ, ত্রিবিধ প্রমাণ লিখিত, ভুক্তি আৰু সাক্ষী, ঋণাদান, সাক্ষী, লেশ্য, দায়ভাগ, বাৰপ্রকাৰৰ পুত্র, স্ত্রীধনৰ প্রকাৰ, স্ত্রীধনৰ উত্তৰাধিকাৰী, সীমা বিবাদ, **বাক্‌পাৰুষ্য, দণ্ডপাৰুষ্য,** সাহস ইত্যাদি।

প্রায়শ্চিত্ত কাণ্ড — বানপ্রস্থীৰধর্ম, যতিৰ ধর্ম, আত্মজ্ঞান লাভৰ উপায়, প্রায়শ্চিত্তৰ উদ্দেশ্য, ২১খন নৰকৰ নাম, উপপাতক, ব্রাহ্মণ আৰু আনলোকৰ হত্যাৰ প্রায়শ্চিত্ত, মদ্যপানৰ প্রায়শ্চিত্ত, দহ প্রকাৰৰ যম আৰু নিয়ম, সান্তপন, মহাসান্তপন, ওপ্তকৃচ্ছ্র, পৰাক, চান্দ্রায়ণ ব্রত, এই স্মৃতি পঠনৰ ফল ইত্যাদি।

বাক্‌পাৰুষ্য - কোনো দেশ, জাতি বা কুলৰ প্রতি চিঞৰি চিঞৰি অকথ্য ভাষাৰে কোৱা কথা।

দণ্ডপাৰুষ্য - হাত, ভৰি, ভস্ম আদি বা কোনো অস্ত্রৰ দ্বাৰা আনৰ শৰীৰত কৰা আক্রমণ।

১.৭.৩ পৰাশৰ স্মৃতি

মহর্ষি পৰাশৰৰ দ্বাৰা ৰচিত পৰাশৰ স্মৃতি হৈছে আন এক উল্লেখযোগ্য স্মৃতিশাস্ত্র। কলিযুগৰ বাবে এই শাস্ত্র অতি উপযুক্ত বুলি কোৱা হয়। এই স্মৃতিত আচাৰ আৰু প্রায়শ্চিত্ত সম্পর্কে আলোচনা কৰা হৈছে। ইবাৰটা অধ্যায়ত বিভক্ত। এই স্মৃতিশাস্ত্রৰ ওপৰত ৰচিত মাধবাচার্যৰ টীকা অতি উল্লেখযোগ্য। এই স্মৃতিৰ বিষয়বস্তুসমূহৰ ভিতৰত আছে— ধর্ম, ছয় প্রকাৰৰ নিত্য কর্ম, গৃহস্থৰ ধর্ম, স্ত্রীৰ পুনর্বিবাহ, শূদ্র, স্ত্রী, বৈশ্য, ক্ষত্রিয় হত্যাৰ প্রায়শ্চিত্, গো হত্যাৰ প্রায়শ্চিত্ত, পৰিষদ গঠন, জ্ঞানী ব্রাহ্মণৰ প্রশংসা, অন্যান্য প্রায়শ্চিত্ত যেনে চান্দ্রায়ণ, সান্তপন আদি, মদ্যপানৰ বাবে প্রায়শ্চিত্ত, পঞ্চপ্রকাৰৰ স্নান, ব্রহ্মহত্যাৰ প্রায়শ্চিত্ত ইত্যাদি।

১.৭.৪ নাৰদ স্মৃতি

নাৰদ স্মৃতি মহর্ষি নাৰদে ৰচনা কৰিছিল আৰু ই স্মৃতিশাস্ত্রসমূহৰ ভিতৰত এক বিশেষ গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিছে। মনুৰে দহগৰাকী প্রজাপতিৰ অন্যতম ৰূপে নাৰদক উল্লেখ কৰিছে। নাৰদস্মৃতিশাস্ত্রত ধর্মশাস্ত্রসমূহত সচৰাচৰ আলোচনা হোৱা তিনিটা বিভাগৰ কেৱল ব্যৱহাৰৰ বিষয়েহে আলোচনা কৰা হৈছে। আন দুটা অর্থাৎ আচাৰ আৰু প্রায়শ্চিত্ত ইয়াত আলোচিত হোৱা নাই। বিচাৰদর্শন, ব্যৱহাৰ মাতৃকা আৰু সভা লক্ষণ এই তিনিটা অৱতৰণিকা অধ্যায় প্রথমেই নাৰদস্মৃতিত পোৱা যায়। ইয়াৰ পিছত ১৮ প্রকাৰৰ ব্যৱহাৰ পদ যেনে— ঋণাদান, উপনিধি, সংভূয়সমুত্থান, দত্তাপ্রদানিক, অভ্যুপেত্যাশুশ্রূষা, বেতনস্যানপাকর্ম, অস্বামিবিক্রয়, বিক্রীয়াসম্প্রদান, ক্রীত্বানুশয়, সময়স্যানপকর্ম, সীমাবন্ধ, স্ত্রীপুংসংযোগ, দায়ভাগ, সাহস, পাৰুর্য্য বাক্ আৰু দণ্ড্য, দ্যূত আৰু প্রকীর্ণক। ইয়াৰ পিছত এটি পৰিশিষ্ট অংশ আছে।

নাৰদৰ উৎপত্তি কাল হৈছে খ্ৰীঃ ১০০-৩০০। নাৰদ স্মৃতিৰ মনুস্মৃতিৰ লগত বহু সামঞ্জস্য থকাটো পৰিলক্ষিত হয়। নাৰদস্মৃতিৰ প্ৰায় ৫০ টা শ্লোক মনুস্মৃতিৰ সৈতে একে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত নাৰদ স্মৃতিৰ মনুস্মৃতিৰ লগত পাৰ্থক্যও পৰিলক্ষিত হয়।

১.৭.৫ বৃহস্পতি স্মৃতি

বৃহস্পতি স্মৃতি আন এক গুৰুত্বপূৰ্ণ স্মৃতি শাস্ত্ৰ। অৱশ্যে এই স্মৃতি পূৰ্ণাংগৰূপত এতিয়াও আৱিষ্কাৰ হোৱা নাই। বৃহস্পতিয়ে তেওঁৰ স্মৃতিশাস্ত্ৰত মনুস্মৃতিক অনুসৰণ কৰাটো পৰিলক্ষিত হয়। বহুক্ষেত্ৰত মনুস্মৃতিত উল্লেখ কৰা বিষয়ৰ বিশদ বৰ্ণনা বৃহস্পতি স্মৃতিত দিয়া হৈছে। বৃহস্পতিয়েই হৈছে প্ৰথম ধৰ্মশাস্ত্ৰকাৰ যিয়ে ১৮ প্ৰকাৰৰ ব্যৱহাৰ পদ ধন মূল আৰু হিংসামূলৰূপে দুভাগত বিভক্ত কৰিছে। ইয়াৰ ১৪ প্ৰকাৰ ধনসমুদ্ভৱ আৰু চাৰিপ্ৰকাৰ হিংসাৰ পৰা উদ্ভৱ ৰূপে দেখুওৱা হৈছে। নাৰদ স্মৃতিৰ লগতো বৃহস্পতি স্মৃতিৰ ৰচনাকাল হৈছে খ্ৰীঃ ২০০-খ্ৰীঃ ৪০০। বৃহস্পতিস্মৃতি সাতটা অধ্যায়ত বিভক্ত আৰু ইয়াত ব্যৱহাৰ, আচাৰ আৰু প্ৰায়শ্চিত্ত সেই তিনিওটা বিষয়ৰেই আলোচনা কৰা হৈছে। ইয়াৰ বেছিভাগ অংশই শ্লোকত নিবদ্ধ যদিও কেইটামান অংশ গদ্যত ৰচনা কৰা হৈছে।

১.৭.৬ কাত্যায়ন স্মৃতি

মনু স্মৃতি, বৃহস্পতি স্মৃতি, নাৰদ স্মৃতি আৰু কৌটিল্যৰ অর্থ শাস্ত্ৰৰ লগত বিশেষভাৱে সাদৃশ্য থকা আন এখন গুৰুত্বপূৰ্ণ স্মৃতিশাস্ত্ৰ হৈছে কাত্যায়ন স্মৃতি। এই স্মৃতিশাস্ত্ৰত স্ত্ৰীধনৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। বৃহস্পতিস্মৃতিৰ বহু উদ্ধৃতিৰ এই স্মৃতিশাস্ত্ৰত উল্লেখ কৰা হৈছে। কাত্যায়ন স্মৃতিৰ ৰচনাকাল খ্ৰীঃ ৩০০-৪০০ বুলি ধাৰণা কৰা হয়।

১.৭.৭ অন্যান্য ছন্দোবদ্ধ স্মৃতিশাস্ত্ৰসমূহ

ওপৰত আলোচনা কৰা স্মৃতিশাস্ত্ৰসমূহৰ উপৰিও অন্যান্য কেতবোৰ ছন্দোৱদ্ধ স্মৃতিশাস্ত্ৰ হ'ল দক্ষস্মৃতি, যমস্মৃতি, ব্যাসস্মৃতি, সংৱৰ্ত্তস্মৃতি ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ মনুস্মৃতিত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ১০ ঃ মনুস্মৃতিৰ দুজন টীকাকাৰৰ নাম লিখক।

.....

প্রশ্ন নং ১১ ঃ যাজ্ঞবল্ক্য স্মৃতিশাস্ত্রৰ বিভাগকেইটাৰ নাম কি কি?

.....

প্রশ্ন নং ১২ ঃ শুদ্ধ নে অশুদ্ধ?

নাৰদ স্মৃতিত কেৱল প্রায়শ্চিত্তৰ আলোচনা কৰা হৈছে।

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ধর্ম আৰু ইয়াৰ উৎসসমূহৰ বিষয়ে জানিব পাৰিলে।
- ধর্মশাস্ত্র কি, ইয়াৰ ৰচনা কাল, ধর্মসূত্র আৰু ছন্দোৱদ্ধ স্মৃতিসমূহৰ পার্থক্য আদিৰ সম্যক জ্ঞান লাভ কৰিলে।
- বিভিন্ন ধর্মসূত্রসমূহৰ যেনে গৌতম ধর্মসূত্র, বৌধায়ন ধর্মসূত্র আদিৰ এক বিশদ বিৱৰণ লাভ কৰিলে।
- ছন্দোৱদ্ধ স্মৃতিশাস্ত্রসমূহ যেনে মনুস্মৃতি, যাজ্ঞবল্ক্যস্মৃতি আদিৰ লগত বিশেষ পৰিচয় লাভ কৰিবলৈ সুযোগ পালে।



১.৯ অধিক জানিবলৈ

১) কানে পি ভি (১৯৬৮) হিষ্টৰী অব্ ধর্মশাস্ত্র, খণ্ড-১ পুনাঃ ভাণ্ডাৰকাৰ ওৰিয়েণ্টেল ৰিছার্স ইন্সটিটিউট।

২) কালচাৰেল হেৰিটেইজ অব্ ইণ্ডিয়া, (১৯৬২) খণ্ড-২, কলকাতাঃ ৰামকৃষ্ণ মিচন, ইনস্টিটিউট অব্ কালচাৰ।

৩) ঝা গঙ্গানাথ (১৯২৯) মনুস্মৃতি, কম্পাৰেটিভ, কলকাতাঃ ইউনিভাৰচিটি অব্ কলকাতা।

৪) চোৱাই ব্রজকিশোৰ (২০০৪) ধর্মশাস্ত্র, এন ইন্ত্রদাক্তৰী এনালাইচিচ, দিল্লীঃ অক্ষয় প্রকাশন।



১.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ √ধৃ ধাতুৰ পৰা, অৰ্থ হৈছে ধাৰণ কৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মনুস্মৃতি অনুসৰি ধৰ্মৰ পাঁচপ্ৰকাৰৰ উৎস হৈছে—

বেদ, স্মৃতি, শীল, সাধুসকলৰ আচাৰ আৰু আত্মাৰ তুষ্টি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্মশাস্ত্ৰ বুলিলে ধৰ্মসূত্ৰ আৰু ছন্দোৱদ্ধ স্মৃতিশাস্ত্ৰসমূহক বুজা যায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ধৰ্মশাস্ত্ৰং (খ) ধৰ্মঃ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কল্প।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হৰদত্ত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষ্ণ যজুৰ্বেদ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্মচাৰীৰ কৰ্তব্য, অষ্টপ্ৰকাৰৰ বিবাহ, পঞ্চমহাযজ্ঞ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ বাৰটা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ মেধাতিথি, কুল্লুক।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ আচাৰ, ব্যৱহাৰ, প্ৰায়শ্চিত্ত।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।



১.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

(ক) গৌতম ধৰ্মসূত্ৰ (খ) আপস্তম্ব ধৰ্মসূত্ৰ

(গ) মনুস্মৃতি (ঘ) যাজ্ঞৱল্ক্যস্মৃতি।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ধৰ্ম কি? ধৰ্মৰ উৎসসমূহৰ এটি আলোচনা আগবঢ়াওঁক।

প্ৰশ্ন ২ ঃ ধৰ্মশাস্ত্ৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ২ ঃ মনুসংহিতা— সাধাৰণ অধ্যয়ন

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস

২.৩.১ ধর্মৰ অর্থ

২.৩.২ ধর্মশাস্ত্ৰৰ পৰিচয়

২.৪ মনুসংহিতাৰ বিশদ ধাৰণা

২.৪.১ মনু আৰু মনুসংহিতাৰ পৰিচয়

২.৪.২ মনুসংহিতাৰ বিষয়বস্তু

২.৪.৩ কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ধর্ম আৰু ধর্মশাস্ত্ৰৰ এক চমু আভাস লাভ কৰিব
- মনুসংহিতাৰ বিশদ ধাৰণা লাভ কৰিব
- মনুসংহিতাত সন্নিবিষ্ট কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ জ্ঞান লাভ কৰিব।

২.২ পৰিচয়

ইতিমধ্যে আপুনি সংস্কৃত সাহিত্যৰ বিভিন্ন গুৰুত্বপূর্ণ শাখাৰ সৈতে পৰিচিত হৈছে। সংস্কৃত সাহিত্যৰ আন এটা গুৰুত্বপূর্ণ শাখা হৈছে ধর্মশাস্ত্র। এই ধর্মশাস্ত্রসমূহ বেদৰ ওপৰত ভিত্তি কৰিয়েই ৰচনা কৰা হৈছিল। ধর্মশাস্ত্রসমূহে প্রধানকৈ ধর্মীয়, নৈতিক, সামাজিক আৰু বিধিগত কর্তব্য সম্পর্কে আলোচনা কৰে। ধর্মশাস্ত্ৰৰ ভিতৰত প্রধান হৈছে মনুসংহিতা।

এই অধ্যায়ত ধর্ম আৰু ধর্মশাস্ত্র সম্পর্কে এটা সাধাৰণ আভাস লাভ কৰিব। ইয়াৰ উপৰিও মনুসংহিতাৰ বিষয়ে বিশদভাৱে জানিব পাৰিব।

২.৩ ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস

মনুসংহিতা এখন ধর্মশাস্ত্র। সেয়ে মনুসংহিতাৰ বিষয়ে সবিশেষ জনাৰ আগতে ধর্ম আৰু ধর্মশাস্ত্ৰৰ এক চমু আভাস লাভ কৰাটো যথেষ্ট আবশ্যকীয়।

২.৩.১ ধর্মৰ অর্থ

সংস্কৃত 'ধর্ম' পদটো এটা অতি ব্যাপক অর্থত ব্যৱহাৰ হয়। ই 'ধৃ' ধাতুৰ পৰা উদ্ভৱ হৈছে। 'ধৃ' ধাতুৰ লগত 'মন্' প্রত্যয় যোগ হৈ ধর্ম শব্দৰ নিষ্পত্তি হৈছে। 'ধৃ' ধাতুৰে ধাৰণ কৰা বুজায়। গতিকে যিবোৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিয়ে সমাজখন ধাৰণ কৰি ৰাখিছে সেয়ে হৈছে ধর্ম। মহাভাৰতৰ শান্তিপর্বত কোৱা হৈছে— ধাৰণাদ্ধর্মমিত্যাহুঃ । এই ধর্মই প্রজাসমূহক ধাৰণ কৰে।

ধর্মৰ বিভিন্ন উৎস আছে। তাৰ ভিতৰত শ্রুতি বা বেদক ইয়াৰ প্রথম উৎস বুলি গণ্য কৰা হয়। ধর্মৰ দ্বিতীয় উৎস হৈছে স্মৃতি বা ধর্মশাস্ত্র।

২.৩.২ ধর্মশাস্ত্ৰৰ পৰিচয়

ধর্মশাস্ত্র শব্দটো সাধাৰণতে ধর্মসূত্র আৰু ছন্দোৱদ্ধ বিধি বা স্মৃতি এই দুয়োটাৰ ক্ষেত্রতে প্রযোজ্য। সকলোবোৰ ধর্মশাস্ত্র বেদৰ আধাৰতেই ৰচিত হৈছে। ভিন্ন ভিন্ন সময়ত আৰু ভিন্ন ভিন্ন সামাজিক পৰিবেশত ৰচিত ধর্মশাস্ত্রসমূহে মানুহৰ আচৰণ কেনে হোৱা উচিত তাৰ নির্দেশ কৰে। সমাজত এক সক্রিয় জীৱন পৰিচালনাৰ বাবে এই নির্দেশনাসমূহ মানি চলাটো অতিশয় প্রয়োজনীয়। ই কেৱল ধর্মীয় বিশ্বাস বা পৰম্পৰাৰে ভৰা নহয়। সামাজিক জীৱন পৰিচালনাৰ বাবে ই হৈছে এক উত্তম হাতপুথি।

ধর্মশাস্ত্র বুলি ক'লে এখন মাত্র শাস্ত্রক নুবুজায়। বিভিন্ন ঋষিৰ দ্বাৰা প্রণীত সংহিতাসমূহক ই নির্দেশ কৰে। ধর্মশাস্ত্র বা স্মৃতিনো কিমান সংখ্যক আছে এই সম্পর্কে সঠিকভাৰে নির্ণয় হোৱা নাই। যাজ্ঞবল্ক্য স্মৃতিত মহর্ষি যাক্ষবল্ক্যই বিশগৰাকী ধর্মশাস্ত্রকাৰৰ এখন তালিকা উল্লেখ কৰিছে। এই বিশগৰাকী ধর্মশাস্ত্রকাৰৰ নামবোৰ ইয়াত দিয়া হ'ল— মনু, অত্রি-বিষ্ণু, হাৰীত, যাজ্ঞবল্ক্য, উশন, অঙ্গিৰ, যম, আপস্তম্ব, সংবর্ত্ত, কাত্যায়ন, বৃহস্পতি, পৰাশৰ, ব্যাস, শঙখ, লিখিত, দক্ষ, গৌতম, শাতাতপ আৰু বশিষ্ঠ।

ধর্মশাস্ত্রসমূহক তিনিটা খণ্ডত বিভক্ত কৰা হয়। সেইবোৰ হৈছে— আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত। ইয়াৰে আচাৰ খণ্ডত ধর্মীয় কার্যসমূহৰ অনুষ্ঠান আৰু চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্যৰ বিষয়ে আলোচনা কৰা হয়। ব্যৱহাৰ খণ্ড মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ লগত জড়িত। বিভিন্ন বিবাদৰ বিচাৰ আৰু দোষীৰ প্রতি দণ্ড বিধান আদি বিষয়সমূহ ইয়াৰ অন্তর্গত। প্রায়শ্চিত্ত খণ্ডটো বিভিন্ন পাপৰ পৰা মুক্ত হোৱাৰ

বাবে থকা কিছুমান প্ৰায়শ্চিত্ত ব্যৱস্থাৰ লগত জড়িত।

ধৰ্মশাস্ত্ৰৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ হৈছে— ধৰ্মৰ উৎস, চাৰিবৰ্ণ আৰু আশ্ৰমৰ কৰ্তব্য, বিভিন্ন সংস্কাৰ, পিতৃ-মাতৃ আৰু গুৰুৰ প্ৰতি আচৰণ, শ্ৰাদ্ধাদি তৰ্পণ বিধি, গুৰু-শিষ্যৰ ব্যৱহাৰ, পতি-পত্নীৰ কৰ্তব্য, কৰ ব্যৱস্থা, সাক্ষী, ঋণদান, ঋণ পৰিশোধ, দণ্ডবিধান, সম্পত্তিৰ বিভাজন, পুত্ৰৰ প্ৰকাৰ, স্ত্ৰীধন, নিয়োগ ব্যৱস্থা, বিভিন্ন পাপৰ প্ৰায়শ্চিত্ত ইত্যাদি। ইয়াত দেখা গ'ল যে মানুহৰ সমগ্ৰ ব্যক্তিগত, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক আচৰণেই হৈছে ধৰ্মশাস্ত্ৰৰ বিষয়বস্তু।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ধৰ্ম শব্দটো কি ধাতুৰ পৰা উদ্ভৱ হৈছে?

.....

প্ৰশ্ন নং ২ ঃ ধৰ্মৰ দুটা উৎস লিখক।

.....

প্ৰশ্ন নং ৩ ঃ চাৰিগৰাকী ধৰ্মশাস্ত্ৰকাৰৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ ঃ ধৰ্মশাস্ত্ৰসমূহক কি কি তিনিটা খণ্ডত ভগোৱা হয়?

.....

প্ৰশ্ন নং ৫ ঃ ধৰ্মশাস্ত্ৰৰ আলোচ্য বিষয় তিনিটা উল্লেখ কৰক।

.....

২.৪ মনুসংহিতাৰ বিশদ ধাৰণা

এই অংশত আপুনি প্ৰসিদ্ধ ধৰ্মশাস্ত্ৰ মনুসংহিতা আৰু ইয়াৰ ৰচক মনুৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব।

২.৪.১ মনু আৰু মনুসংহিতাৰ পৰিচয়

মনু হৈছে মানৱ জাতিৰ আটাইতকৈ প্ৰসিদ্ধ ধৰ্মশাস্ত্ৰকাৰ। তেওঁৰেই মনুসংহিতাৰ ৰচক। মনুস্মৃতিৰ আৰম্ভণিত মনুক স্বয়ম্ভু ব্ৰহ্মাৰ পুত্ৰ বুলি অভিহিত কৰা হৈছে। ঋগ্বেদত মনুক 'পিতৃ' বুলি উল্লেখ কৰা হৈছে। এই বেদৰ কেবাঠাইতো মনুৰ কথা পোৱা যায়। ***তৈত্তিৰীয় সংহিতাত*** মনুক প্ৰজা পতি বুলি কোৱা হৈছে— নমঃ প্ৰজাপতয়ে মনৱে স্বাহা। নিৰুক্তত আৰু মহাভাৰতৰ বিভিন্ন স্থানতো মনুৰ বিষয়ে উল্লেখ আছে।

তৈত্তিৰীয় সংহিতা ঃ কৃষ্ণ যজুৰ্বেদ

সকলোবোৰ ধৰ্মশাস্ত্ৰৰ ভিতৰত মনুসংহিতাকেই আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। ভগৱান মনুৱে মহামুনি ভৃগুক যি শিক্ষা দিছিল সেইসমূহ ভৃগুৱে দ্বাৰা

মনুসংহিতাত কোৱা হৈছে। এইটো কোৱা হয় যে যিখন স্মৃতিয়ে মনুসংহিতাৰ বিৰুদ্ধাচৰণ কৰে— সেইখন স্মৃতি কেতিয়াও গ্ৰহণযোগ্য নহয়। মনুৱে যিসমূহ কথা কৈ গৈছে সেই সমূহক ভেষজ বা ঔষধ হিচাপে স্বীকৃতি দিয়া হৈছে— 'মনুৰ্বৈ যদ্‌কিঞ্চাৱদত্তদ্ভেষজম্'। মনু স্মৃতিত সৰ্বমুঠ ১২টা অধ্যায় আছে। বিভিন্ন টীকাকাৰে মনুসংহিতাৰ টীকা ৰচনা কৰি থৈ গৈছে। তাৰ ভিতৰত মেধাতিথি, কুল্লুকভট্ট, সৰ্বজ্ঞনাৰায়ণ আদিয়েই প্ৰধান।

এই মনুসংহিতা শ্লোক ছন্দত ৰচনা কৰা হৈছে। এই ধৰ্মশাস্ত্ৰখনৰ মাজে মাজে উপমা আদি কিছুমান অৰ্থালঙ্কাৰৰ ব্যৱহাৰো দেখা যায়। ইয়াৰ দ্বাৰা ৰচকৰ সাহিত্যিক ৰুচিবোধৰ পৰিচয় লাভ কৰিব পাৰি।

২.৪.২ মনুসংহিতাৰ বিষয়বস্তু

মনুসংহিতাৰ আলোচ্য বিষয়সমূহৰ অধ্যায় অনুযায়ী তলত কেতবোৰ উল্লেখ কৰা হ'ল—

প্ৰথম অধ্যায়— জগতৰ উৎপত্তি, স্ত্ৰী-পুৰুষৰ সৃষ্টি, মনুৰ উৎপত্তি, দহজন প্ৰজাপতিৰ সৃষ্টি, নাম, কৰ্ম আৰু জন্মাদিক্ৰম কথন, জগতৰ প্ৰলয়, জীৱৰ দেহান্তৰ প্ৰাপ্তি, জীৱৰ শৰীৰ প্ৰাপ্তি, মন্বন্তৰ, বৰ্ণসমূহৰ পৃথক পৃথক কৰ্ম ব্যৱস্থা, মনুসংহিতা পাঠৰ ফল, মনুসংহিতাত উক্ত বিষয় আদি।

দ্বিতীয় অধ্যায়— ধৰ্মৰ লক্ষণ, শাস্ত্ৰীয় কৰ্মৰ দ্বাৰা মোক্ষ লাভ, ধৰ্মৰ বেদমূলত্ব, কৰ্মানুষ্ঠান, শ্ৰুতি আৰু স্মৃতিৰ পৰিচয়, ধৰ্মৰ চাৰি প্ৰমাণ, বৰ্ণধৰ্ম, দ্বিজাতিৰ শাৰীৰিক সংস্কাৰ, জাতকৰ্ম, নামকৰণ, চূড়াকৰণ, উপনয়ন, ব্ৰাত্য, দণ্ড ধাৰণ বিধি, ভিক্ষা গ্ৰহণ বিধি, ভোজন বিধি, আচমন বিধি, স্ত্ৰীলোকৰ সংস্কাৰ, গুৰুৰ কৰ্তব্য, বেদাধ্যয়ন বিধি, গায়ত্ৰী জপৰ ফল, প্ৰণব প্ৰশংসা, ইন্দ্ৰিয় সংযম, জিতেন্দ্ৰিয়ৰ লক্ষণ, পুৰুষাৰ্থ সাধনৰ উপায়, অধ্যয়ন আৰু অধ্যাপনাৰ বিধি আৰু নিষেধ, উপাধ্যায়ৰ লক্ষণ, পুৰোহিতৰ লক্ষণ, মাতৃৰ উৎকৰ্ষ, পিতা আৰু আচাৰ্য্যৰ শ্ৰেষ্ঠত্ব, শিষ্যৰ প্ৰতি অধ্যাপকৰ কৰ্তব্য, স্বাধ্যায় স্তুতি, গুৰুকুলত ব্ৰহ্মচাৰীৰ কৰ্তব্য, পিতৃ-মাতৃ আৰু আচাৰ্য্যৰ প্ৰতি কৰ্তব্য, গুৰু শুশ্ৰূষাৰ ফল ইত্যাদি।

তৃতীয় অধ্যায়— ব্ৰহ্মচাৰীৰ অধ্যয়নৰ কাল, গৃহস্থাশ্ৰম বাস, সমাবৰ্তন, অষ্টপ্ৰকাৰৰ বিবাহ, সৰ্বণ বিবাহ বিধি, অসবৰ্ণ বিবাহ বিধি, বংশৰ হীনতা প্ৰাপ্তিৰ কাৰণ, পঞ্চমহাযজ্ঞৰ অনুষ্ঠান, গৃহস্থৰ ধৰ্ম, অতিথি সৎকাৰ, ভোজন বিধি, শ্ৰাদ্ধ, শ্ৰাদ্ধৰ কৰ্তব্য আৰু অকৰ্তব্য, ভোজনৰ পবিত্ৰতা, শ্ৰাদ্ধৰ নিমন্ত্ৰিত ব্ৰাহ্মণৰ কৰ্তব্য ইত্যাদি।

চতুৰ্থ অধ্যায়— দ্বিজাতিৰ বৃত্তি নিৰূপণ, স্নাতকৰ কৰ্তব্য, বাসস্থান নিৰূপণ, প্ৰাতঃকৃত্য, বেদাধ্যয়নৰ কাল আৰু বিধি, অধ্যয়ন প্ৰসঙ্গ, কপটাচৰণ নিষেধ, নিন্দিত

অন্ন, ইষ্ট আৰু পূর্ত্ত কর্ম, জলদান, ভূমিদান, বিদ্যাদান আদিৰ ফল, যাগৰ সাধাৰণ নিয়ম, স্বর্গগমনৰ অধিকাৰী নির্ণয়, দান গ্রহণৰ পাত্র আৰু অপাত্র বিচাৰ, অন্নগ্রহণৰ পাত্র নির্ণয়, আত্ম নিবেদন, অসত্য বচনৰ নিন্দা, ব্রহ্মচিন্তা আদি।

পঞ্চম অধ্যায়— অকাল মৃত্যুৰ কাৰণ, অনিবেদিত অন্নাদিৰ ভক্ষণ নিষেধ, মাংস ভক্ষণ বিধান, অশৌচ, স্নান শুদ্ধি, অশুচি দর্শনৰ শুদ্ধি, শবস্পর্শ শুদ্ধি, ব্রহ্মচাৰীৰ প্রেতকার্যাধিকাৰ, ৰজা প্রভৃতিৰ অশৌচাভাব, দেহশুদ্ধি, সাধাৰণ শুদ্ধি, দ্রব্যশুদ্ধি, আচমন বিধি, উচ্ছিষ্ট বিচাৰ, স্ত্রীলোকৰ ধর্ম, ভার্য্যাৰ মৃত্যুত স্বামীৰ কর্তব্য, ভার্য্যাৰ মৃত্যুত পুনৰ বিবাহ ইত্যাদি।

ষষ্ঠ অধ্যায়— বান প্রস্থাশ্রমৰ ধর্ম, পৰিব্রাজক কাল, সন্যাস আশ্রমৰ কর্তব্য, প্রাণায়াম, দেহৰ স্বৰূপ কথন, ব্রহ্মজ্ঞান, প্রব্রজ্যা গ্রহণৰ প্রশংসা, চাৰি প্রকাৰ আশ্রমৰ সাধাৰণ ধর্ম ইত্যাদি।

সপ্তম অধ্যায়— ৰজাৰ সৃষ্টিৰ কাৰণ, ৰজাৰ প্রশংসা, দণ্ডবিধান, ৰজাৰ কর্তব্য, মন্ত্রীগনৰ লগত মন্ত্রনা, দূত নির্বাচন, সেনাপতি প্রভৃতিৰ কার্য, দূতৰ কার্য, দূর্গ আৰু ইয়াৰ লক্ষণ, কৰ গ্রহণ, সংগ্রাম, কূটাস্ত্রৰ নিন্দা, যুদ্ধনীতি, ৰাজনীতি, গ্রাম্যাধিপতি নিয়োগ, নগৰাধিপতি নিয়োগ আৰু তেওঁৰ কার্য, বাণিজ্য শুল্ক, কৰ গ্রহণৰ নিয়ম, কর্তব্য বিমুখ ৰজাৰ দোষ কথন, সন্ধি বিগ্রহাদিৰ নীতি, যুদ্ধ যাত্রা, ব্যূহ নির্মাণ, আত্মৰক্ষাৰ উপায়, ভোজন বিধি, পীড়িত ৰজাৰ কর্তব্য ইত্যাদি।

অষ্টম অধ্যায়— অষ্টাদশ বিবাদৰ স্থান, বিচাৰ নীতি, সাক্ষী নির্ণয়, মিথ্যা সাক্ষ্যদানৰ দোষ, মিথ্যা সাক্ষ্যৰ প্রায়শ্চিত্ত, মিথ্যা সাক্ষ্যৰ দণ্ড, অন্যায় দণ্ডৰ নিন্দা, ঋণ অপৰিশোধৰ দণ্ড, জামীন, প্রাপ্য বস্তুৰ গ্রহণ, ন্যায় বিচাৰৰ প্রশংসা, বিবাহ সম্বন্ধীয় বিচাৰ, স্বামিপাল বিবাদ, সীমা বিবাদ, বাকপাৰুষ্য বিবাদ, দণ্ডপাৰুষ্য, স্ত্রীসংগ্রহ বিবাদ, মাতা-পিতা ত্যাগৰ দণ্ড, গার্হস্থাশ্রম বিবাদ, অন্যায় বাণিজ্যকাৰীৰ দণ্ড ইত্যাদি।

নৱম অধ্যায়— স্ত্রী পুং ধর্ম, স্ত্রী ৰক্ষা, জায়া শব্দ, নিয়োগ বিধি, কন্যাদান ব্যৱস্থা, বিবাহৰ বয়স নিৰূপণ, ভার্য্যাৰ পোষণ, পৈত্রিকধন বিভাগ, দ্বাদশ প্রকাৰৰ পুত্র আৰু তেওঁলোকৰ ধন বিভাগ, স্ত্রীধন ব্যৱস্থা, স্ত্রী বালকাদিৰ দণ্ড, পুনর্বিচাৰ ব্যৱস্থা, যথাশাস্ত্র দণ্ডৰ প্রশংসা, সপ্তাঙ্গ ৰাজ্যৰ বিৱৰণ, ৰাজ্যোন্নতিৰ কাৰণ, যুগ চতুষ্টয়, নৃপতিৰ ইন্দ্রাদি ব্রতৰ অনুষ্ঠান, ব্রাহ্মণ প্রশংসা, বৈশ্যধর্ম, শূদ্র ধর্ম ইত্যাদি।

দশম অধ্যায়— অনুলোম, প্রতিলোম আৰু সঙ্কৰ জাতিৰ ধর্ম, চতুর্বর্ণ, সর্বসাধাৰণৰ অনুষ্ঠেয় ধর্ম, ষট্‌কর্ম, বর্ণভেদে কর্মৰ বিভিন্নতা, দ্বিজাতিৰ আপদ্ধর্ম, পৰবৃত্তি অবলম্বনত নিন্দা, ৰজাৰ আপদ্ধর্ম, শূদ্রৰ আপদ্ধর্ম, আপদ্ধর্ম পালনৰ ফল ইত্যাদি।

একাদশ অধ্যায়— যাগানুষ্ঠান ব্যৱস্থা, ব্রহ্মবধ প্রায়শ্চিত্ত, গোবধ প্রায়শ্চিত্ত, অভক্ষ্য ভক্ষণ প্রায়শ্চিত্ত, অগম্য গমন প্রায়শ্চিত্ত, শূদ্র সেৱাকাৰীৰ প্রায়শ্চিত্ত, প্রাজাপত্য ব্রত, তপঃ প্রশংসা, ৰহস্যকৃত পাপৰ প্রায়শ্চিত্ত, বেদাভ্যাসৰ ফল ইত্যাদি।

দ্বাদশ অধ্যায়— জন্মান্তৰাৰ্জিত শুভাশুভ কৰ্মৰ ফল ভোগ, ত্রিগুণ কথন, গুণত্রয়ৰ উত্তৰোত্তৰ শ্রেষ্ঠতা, মোক্ষ সাধন, বেদ প্রশংসা, ব্রহ্মধ্যানৰ উপযোগিতা, মনুসংহিতা পাঠৰ ফল ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শ্রেষ্ঠ বুলি বিবেচিত হোৱা ধর্মশাস্ত্রখন কি?

.....

প্রশ্ন নং ৭ ঃ মনুৰ বিষয়ে উল্লেখ থকা তিনিখন শাস্ত্রৰ নাম লিখক।

.....

প্রশ্ন নং ৮ ঃ মনুস্মৃতিৰ অধ্যায় সংখ্যা কিমান?

.....

প্রশ্ন নং ৯ ঃ মনুসংহিতাৰ যিকোনো চাৰিটা বিষয়বস্তুৰ উল্লেখ কৰক।

.....



জানি থোৱা ভাল

চাৰ উইলিয়াম জোনচে ১৭৯৪ চনত পোনপ্রথমবাৰৰ বাবে মনুস্মৃতি ইংৰাজীলৈ অনুবাদ কৰিছিল। তেওঁ আছিল বৃটিছ ভাৰতৰ কলিকতাস্থিত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ।

২.৪.৩ কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান

(১) **নাৰায়ণ ঃ** পানী নৰ অর্থাৎ পৰমাত্মাৰ সন্তান বাবে পানীক নাৰা বুলি কোৱা হয়। সেই নাৰা পৰমাত্মাৰ প্রথম নিবাসস্থল। সেয়ে পৰমাত্মাৰ নাম নাৰায়ণ।

(২) **দহগৰাকী প্রজাপতি ঃ** মৰীচি, অত্রি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্রতু, প্রচেতা বশিষ্ঠ, ভৃগু, আৰু নাৰদ।

(৩) **বনস্পতি আৰু বৃক্ষ ঃ** ফুল নলগা উদ্ভিদবোৰক বনস্পতি বোলে আৰু ফুল আৰু ফল দুয়োবিধ য'ত লাগে সেই উদ্ভিদকে 'বৃক্ষ' বুলি কোৱা হয়।

(৪) **ব্রাহ্মণৰ কর্ম ঃ** অধ্যয়ন, অধ্যাপন, যজ্ঞ, দান আৰু প্রতিগ্রহ বা দান গ্রহণ হৈছে ব্রাহ্মণৰ বাবে নির্দিষ্ট কৰি দিয়া কর্ম।

(৫) **ক্ষত্রিয়ৰ কর্ম ঃ** প্রজাপালন, দান, যজ্ঞ, অধ্যয়ন, বিষয়ৰ প্রতি আসক্তিহীনতা এয়েই হৈছে ক্ষত্রিয়ৰ কর্ম।

(৬) **বেদাধ্যয়ন বিধি ঃ** শিষ্যই পবিত্র বস্ত্র পৰিধান কৰি, শাস্ত্রৰ বিধি অনুসৰি ***আচমন*** কৰি সংযত হৈ উত্তৰফালে ব্রহ্মাঞ্জলি কৰি উপবেশন কৰিলে গুৰুৱে তেওঁক অধ্যয়ন কৰাব।



আচমন ঃ হাতৰ তলুৱাৰে পানী লৈ মুখ ধোৱা কার্য।

(৭) **ইন্দ্রিয় সংযম ঃ** ইন্দ্রিয়ৰ বিষয়ত আসক্তি থাকিলে তেনে মানুহ দোষমুক্ত হয় আৰু এইসমূহ বশীভূত কৰিব পাৰিলে সিদ্ধি লাভ হয়।

(৮) **জিতেন্দ্রিয়ৰ লক্ষণ ঃ** (স্তুতি বা নিন্দা বাক্য) শ্ৰৱণ কৰি, (ভাল লগা বা বেয়া লগা বস্তু) স্পৰ্শ কৰি (সুদৃশ্য বা বেয়া দৃশ্য) দৰ্শন কৰি (সুস্বাদু বা বিস্বাদযুক্ত আহাৰ) ভোজন কৰি, (সুগন্ধি বা দুৰ্গন্ধি) ঘ্ৰাণ লৈ যিজন লোকে আনন্দ বা বিষাদ অনুভৱ নকৰে সেইজনকে জিতেন্দ্রিয় বুলি কোৱা হয়।

(৯) **আচার্য আৰু উপাধ্যায় ঃ** যিজন ব্রাহ্মণে শিষ্যৰ যজ্ঞোপবীত সংস্কাৰ কৰি শিষ্যজনক কলাপ তথা ৰহস্য সহিত বেদৰ শাখা অধ্যয়ন কৰায় তেওঁক আচার্য বোলে আৰু যি ব্রাহ্মণে জীৱিকাৰ বাবে বেদৰ এভাগক তথা বেদাঙ্গক পঢ়ায় তেওঁক উপাধ্যায় বোলে।

(১০) **প্রকৃত বৃদ্ধ ঃ** যাৰ চুলি পকিছে তেঁৱেই কেৱল বৃদ্ধ নহয়। কিন্তু যুৱকো যদি বিদ্বান হয় তেওঁক দেৱতাসকলেও বৃদ্ধ বুলি জ্ঞান কৰে।

(১১) **মাতৃ-পিতৃ আৰু আচার্যৰ প্রতি কর্তব্য ঃ** মাতৃ-পিতৃ আৰু আচার্যৰ প্রতি সদায় প্রিয় কার্য কৰিব লাগে। তেওঁলোক তিনিজন সন্তুষ্ট হ'লে সকলো তপস্যা পূর্ণ হয়।

(১২) **অষ্টপ্রকাৰৰ বিবাহ ঃ** ব্রাহ্ম, দৈৱ, আর্ষ, প্রাজাপত্য, গান্ধর্ব, আসুৰ, ৰাক্ষস আৰু পৈশাচ।

(১৩) **পঞ্চ মহাযজ্ঞ ঃ** বেদৰ অধ্যয়ন আৰু অধ্যাপন হ'ল ব্রহ্ম যজ্ঞ, তর্পণ হৈছে পিতৃ যজ্ঞ, হোম দেৱযজ্ঞ, পশু পক্ষীক অন্নাদি দান ভূতযজ্ঞ আৰু অতিথি সেৱা হৈছে নৃযজ্ঞ। যিজন গৃহস্থীয়ে সামর্থ অনুসৰি এই পঞ্চ মহাযজ্ঞৰ অনুষ্ঠান কৰে, তেওঁ গৃহতেই থাকি পঞ্চপাপৰ পৰা মুক্ত হয়।

(১৪) **গৃহস্থাশ্রমৰ শ্রেষ্ঠত্ব ঃ** তিনিও আশ্রমৰ গৰাকীয়ে গৃহস্থৰ পৰাই বিদ্যা আৰু অন্ন লাভ কৰে সেয়ে গৃহস্থাশ্রমকেই সর্বশ্রেষ্ঠ আশ্রম বুলি কোৱা হয়।

(১৫) **বচনৰ প্রকৃতি ঃ** বচন সত্য আৰু প্রিয় হ'ব লাগে। অপ্রিয় সত্য কথা ক'ব নালাগে। প্রিয় হ'লেও অসত্য কথা ক'ব নালাগে। এয়ে ***সনাতন ধর্ম***।

(১৬) **দানৰ ফল ঃ** জলদাতাই তৃপ্তি, অন্নদাতাই অক্ষয় সুল, তিলদাতাই সন্তান, প্রদীপ দাতাই উত্তম নেত্র লাভ কৰে। ভূমিদাতাই সম্পত্তি, সোণদাতাই দীর্ঘায়ু, গৃহদাতাই উত্তম গৃহ আৰু ৰূপদাতাই শ্রেষ্ঠ ৰূপ লাভ কৰে।

(১৭) **বিদ্যাদানৰ শ্রেষ্ঠত্ব ঃ** সকলোবিলাক দানতকৈ ব্রহ্মদান বা বেদ অধ্যাপন সর্বশ্রেষ্ঠ।

(১৮) **বানপ্রস্থী ঃ** গৃহস্থাশ্রমত থকাজনৰ যেতিয়া শৰীৰৰ ছাল শুকাই সংকুচিত হৈ পৰে আৰু নিজৰ পৌত্র লাভ কৰে তেতিয়া তেওঁ বনক আশ্রয় কৰিব লাগে। তেওঁকেই বানপ্রস্থী বোলা হয়।

(১৯) **সন্যাস ঃ** জীৱনৰ তৃতীয় অংশ বনত অতিবাহিত কৰি চতুর্থ অংশত সকলো

সনাতন ধর্ম ঃ অনাদি কালৰে পৰা চলি অহা ধর্ম।

বিষয় সঙ্গক ত্যাগ কৰি সন্যাস আশ্রম পালন কৰিব লাগে।

(২০) **ধর্মৰ সুৰক্ষা ঃ** ধর্মক নাশ কৰিলে সকলো নাশ প্রাপ্ত হয়। ধর্মৰক্ষিত হ'লে সকলো সুৰক্ষিত হয়। গতিকে ধর্মক নাশ কৰিব নালাগে। অন্যথা নাশপ্রাপ্ত ধর্মই সকলোকে নাশ কৰিব।

(২১) **পুত্র নামৰ তাৎপর্য ঃ** যিহেতু পুং নামৰ নৰকৰ পৰা পিতৃক ৰক্ষা কৰে সেয়ে স্বয়ং ব্রহ্মাই তেওঁক পুত্র আখ্যা দিছে।

(২২) **বাৰ প্রকাৰৰ পুত্র ঃ** ঔৰস, ক্ষেত্রজ, দত্তক, কৃত্রিম, গূঢ়োৎপন্ন, অপবিদ্ধ, কানীন সহোঢ়, ক্রীত,পৌনর্ভৰ, স্বয়ংদত্ত আৰু শৌদ্র — এয়ে হ'ল বাৰ প্রকাৰৰ পুত্র।

(২৩) **ব্রাহ্মণৰ ষট্ কর্ম ঃ** অধ্যাপন, অধ্যয়ন, যজ্ঞ কৰা, যজ্ঞ কৰোৱা, দান দিয়া আৰু দান লোৱা।

(২৪) **সত্ব, ৰজো আৰু তমোগুণ ঃ** আত্মাত যি প্রীতিযুক্ত আৰু ক্লেশৰহিত উজ্জ্বলতা অনুভূত হয় তাকেই সত্বগুণ বোলে। দুখযুক্ত, অপ্রীতিকৰ আৰু দৈহিক বিষয়ৰ প্রতি আকৃষ্টকাৰী বুলি যাক জনা হয় সেয়ে ৰজো গুণ। যি মোহযুক্ত, অস্পষ্ট তথা তর্কৰ অযোগ্য আৰু দুর্জ্ঞেয় সেয়ে তথোগুণ।

(২৫) **ব্রাহ্মনৰ মোক্ষ লাভৰ সাধন ঃ** বেদাভ্যাস, প্রাজাপত্যাদি তপস্যা, ব্রহ্মজ্ঞান, ইন্দ্রিয় সংযম, অহিংসা আৰু গুৰুজনৰ সেৱা— এই ছয়টা ব্রাহ্মনৰ মোক্ষ লাভৰ সাধন।



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- যিসমূহ ৰীতি-নীতি, আচাৰ ব্যৱহাৰৰ জৰিয়তে সমাজ এখন পৰিচালিত হয় সেয়ে ধর্ম।
- স্মৃতি বা ধর্মশাস্ত্র হৈছে ধর্মৰ এক উৎস।
- ধর্মশাস্ত্রৰ বহুতো ৰচক আছে। তাৰ ভিতৰত মনু, অত্রি, যাজ্ঞবল্ক্য, গৌতম, বিষ্ণু, বৃহস্পতি, কাত্যায়ন আদিয়ে প্রধান।
- আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূর্ণ ধর্মশাস্ত্রখন হৈছে মনুস্মৃতি। ইয়াত সর্বমুঠ বাৰটা অধ্যায় আছে।
- মনুস্মৃতিৰ মূল বিষয়সমূহ হৈছে— জগতৰ উৎপত্তি, জীৱৰ শৰীৰপ্রাপ্তি, প্রলয়, চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্য, পিতৃ-মাতৃ আৰু গুৰুৰ প্রতি কর্তব্য, ৰাজধর্ম, অষ্টপ্রকাৰৰ বিবাহ, পিতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী, শ্রীধন, সত্ব, ৰজ আৰু তম গুণ, মোক্ষ লাভৰ সাধন আদি।
- মনুস্মৃতিৰ কেইজনমান উল্লেখযোগ্য টীকাকাৰ হৈছে— মেধাতিথি, কুল্লুকভট্ট, সর্বজ্ঞ নাৰায়ণ আদি।



২.৬ অধিক জানিবলৈ

১) কানে, পি, ভি, (১৯৬৮), *হিষ্ট্ৰী অব্ ধর্মশাস্ত্র (খণ্ড-১, অংশ-১)*, পুনা ঃ ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ৰিচার্ছ ইনষ্টিটিউট।

২) *কালচাৰেল হেৰিটেজ অব্ ইণ্ডিয়া (খণ্ড-২)*, (১৯৬২), কলকাতা ঃ ৰামকৃষ্ণ মিচন, ইনষ্টিটিউট অব্ কালচাৰ।

৩) ঝা, গঙ্গানাথ, (১৯২৯), *মনুস্মৃতি, কম্পাৰেটিভ*, কলকাতা ঃ ইউনিভার্চিটি অব্ কলকাতা।

৪) স্বাঈন, বি কে, (২০০৪), *দ্য ধর্মশাস্ত্র— এন ইণ্ট্রডাক্টৰী এনালাইচিচ*, (সম্পাদিত), দিল্লী ঃ অক্ষয় প্রকাশন।

৫) *বিদ্যাভূষণ*, শ্যামকান্ত, *মনুসংহিতা*, কলিকতা ঃ ভোলানাথ ব্রাডার্চ এণ্ড কোং।

৬) শর্মা, কিৰণ, (২০০৮), *মনুসংহিতা*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।



২.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ 'ধৃ' ধাতুৰ পৰা

২নং প্রশ্নৰ উত্তৰ ঃ শ্রুতি বা বেদ আৰু স্মৃতি

৩নং প্রশ্নৰ উত্তৰ ঃ মনু, যাজ্ঞবল্ক্য, কাত্যায়ন আৰু বৃহস্পতি।

৪নং প্রশ্নৰ উত্তৰ ঃ আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত।

৫নং প্রশ্নৰ উত্তৰ ঃ চাৰি বর্ণ আৰু আশ্রমৰ কর্তব্য, দণ্ড বিধান বিভিন্ন পাপৰ প্রায়শ্চিত্ত।

৬নং প্রশ্নৰ উত্তৰ ঃ মনুস্মৃতি

৭নং প্রশ্নৰ উত্তৰ ঃ তৈত্তিৰীয় সংহিতা, শতপথ ব্রাহ্মণ আৰু মহাভাৰত।

৮নং প্রশ্নৰ উত্তৰ ঃ বাৰটা

৯নং প্রশ্নৰ উত্তৰ ঃ চাৰিবর্ণৰ পৃথক পৃথক কর্তব্য, ধর্মৰ লক্ষণ, ৰাজধর্ম, শ্রীধন।



২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ অষ্টপ্ৰকাৰৰ বিবাহ কি কি?

প্ৰশ্ন নং ২ ঃ বাৰ প্ৰকাৰৰ পুত্ৰ কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ধৰ্মশাস্ত্ৰৰ এক চমু আভাস ডাঙি ধৰক।

প্ৰশ্ন নং ২ ঃ মনুৰ পৰিচয় আগবঢ়াওঁক।

প্ৰশ্ন নং ৩ ঃ মনুস্মৃতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(খ) চুটি প্ৰশ্ন

প্ৰশ্ন নং ৪ ঃ মনুস্মৃতি অনুসৰি তলৰ বিষয়কেইটাৰ ওপৰত চমুকৈ লিখক—

নাৰায়ণ, বেদাধ্যয়ন বিধি, জিতেন্দ্ৰিয়ৰ লক্ষণ, পঞ্চমহাযজ্ঞ , পুত্ৰ নামৰ তাৎপৰ্য।

****

অধ্যায় ৩ ঃ মনুসংহিতা (২য় অধ্যায়, ১৪-৩৪)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ

৩.৪ শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ তথা অসমীয়া অনুবাদ

৩.৫ ধর্ম, ধর্মশাস্ত্রৰ অধিকাৰী আৰু ধর্মানুষ্ঠানযোগ্য দেশ বিষয়ক শ্লোকসমূহৰ সাৰাংশ

৩.৬ বর্ণধর্ম সম্বলিত শ্লোকসমূহৰ সাৰাংশ

৩.৭ সন্ধিযুক্ত শব্দৰ সন্ধি বিচ্ছেদ

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মনুসংহিতাৰ নির্ধাৰিত পাঠ্যক্রমৰ শ্লোকসমূহৰ সংস্কৃত পাঠসমূহ জানিব পাৰিব
- শ্লোকসমূহৰ গদ্যপাঠৰ লগতে অসমীয়া অনুবাদসমূহ আয়ত্ত কৰিব পাৰিব
- শ্লোকসমূহৰ সাৰাংশৰ জৰিয়তে বিষয়বস্তুৰ সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- কেতবোৰ সন্ধিযুক্ত শব্দৰ সন্ধিবিযুক্ত ৰূপৰ জ্ঞান লাভ কৰিব।

৩.২ পৰিচয়

ইতিমধ্যে আপুনি ধর্মশাস্ত্রৰ এটি সাধাৰণ ধাৰণা লাভ কৰিছে। ধর্মশাস্ত্রসমূহৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য মনুসংহিতাৰ বিষয়েও অৱগত হৈছে। এই অধ্যায়ত আপুনি মনুসংহিতাৰ দ্বিতীয় অধ্যায়ৰ নির্ধাৰিত শ্লোকসমূহৰ এক সম্যক জ্ঞান লাভ কৰিব পাৰিব। এই অংশত থকা শ্লোকসমূহৰ গদ্যপাঠ আৰু অসমীয়া অনুবাদ আয়ত্ব কৰিব পাৰিব। শ্লোকসমূহৰ সাৰাংশৰ জৰিয়তে বিষয়বস্তুৰ সম্যক জ্ঞানো লাভ কৰিবলৈ সক্ষম হ'ব। ইয়াৰ উপৰিও কেতবোৰ সন্ধিযুক্ত শব্দৰ সন্ধিবিযুক্ত ৰূপৰ বিষয়ে অৱগত হ'ব।

৩.৩ নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ

এই অংশত আপুনি নির্ধাৰিত পঠ্যক্রমৰ মূল শ্লোকসূহৰ লগত পৰিচিত হ'ব পাৰিব।

শ্লোক সংখ্যা

১৪) শ্রুতিদ্বৈধং তু যত্র স্যাত্তত্র ধর্মাবুভৌ স্মৃতৌ।
উভাৱপি হি তৌ ধর্মৌ সম্যগুক্তৌ মনীষিভিঃ।।

১৫) উদিতেঽনুদিতে চৈৱ সময়াধ্যুষিতে তথা।
সর্ৱথা ৱর্ততে যজ্ঞ ইতীয়ং ৱৈদিকী শ্রুতিঃ।।

১৬) নিষেকাদিশ্মশানান্তো মন্ত্রৈর্যস্যোদিতো ৱিধিঃ।
তস্য শাস্ত্রেঽধিকাৱো'স্মিনজ্ঞেয়ো নান্যস্য কস্যচিৎ।।

১৭) সৱস্বতীদৃষদ্ৱত্যোর্দেৱনদ্যোর্যদন্তৱম্।
তং দেৱনির্মিতং দেশং ব্রহ্মাৱর্তং প্রচক্ষতে।।

১৮) তস্মিন্দেশে য আচাৱঃ পাৱম্পর্যক্রমাগতঃ।
ৱর্ণানাং সান্তৱালানাং স সদাচাৱ উচ্যতে।।

১৯) কুৰুক্ষেত্রং চ মৎস্যাশ্চ পঞ্চালাঃ শূৱসেনকাঃ।
এষ ব্রহ্মর্ষিদেশো ৱৈ ব্রহ্মাৱর্তাদনন্তৱঃ।।

২০) এতদ্দেশপ্রসূতস্য সকাশাদগ্রজন্মনঃ।
স্ৱং স্ৱং চৱিত্রং শিক্ষেৱন্পৃথিৱ্যাং সর্ৱমানৱাঃ।।

২১) হিমৱদ্বিন্ধ্যয়োর্মধ্যং যৎপ্রাগ্ৱিনশনাদপি।
প্রত্যগেৱ প্রয়াগাচ্চ মধ্যদেশঃ প্রকীর্তিতঃ।।

২২) আসমুদ্রাত্তু ৱৈ পূর্ৱাদাসমুদ্রাত্তু পশ্চিমাৎ।
তয়োৱেৱান্তৱং গির্যোৱার্যাৱর্তং ৱিদুর্বুধাঃ।।

২৩) কৃষ্ণসাৱস্তু চৱতি মৃগো যত্র স্ৱভাৱতঃ।
স জ্ঞেয়ো যজ্ঞিয়ো দেশো ম্লেচ্ছদেশস্ত্ৱতঃ পৱঃ।।

২৪) এতান্দ্বিজাতয়ো দেশান্সংশ্রয়েৱন্প্রযত্নতঃ।
শূদ্রস্তু যস্মিঙ্কস্মিন্ৱা নিৱসেদ্ৱৃত্তিকর্শিতঃ।।

২৫) এষা ধর্মস্য ৱো যোনিঃ সমাসেন প্রকীর্তিতা।
সম্ভৱশ্চাস্য সর্ৱস্য ৱর্ণধর্মান্নিৱোধত।।

২৬) ৱৈদিকৈঃ কর্মভিঃ পুণ্যৈর্নিষেকাদির্দ্বিজন্মনাম্।
কার্য্যঃ শৱীৱসংস্কাৱঃ পাৱনঃ প্রেত্য চেহ চ।।

২৭) গার্ভৈর্হোমৈর্জাতকর্মচৌডমৌঞ্জীনিৱন্ধনৈঃ।
ৱৈজিকং গার্ভিকং চৈনো দ্বিজানামপমৃজ্যতে।।

২৮) স্ৱাধ্যায়েন ব্রতৈর্হোমৈস্ত্রৈৱিদ্যেনেজ্যয়া সুতৈঃ।

মহাযজ্ঞৈশ্চ যজ্ঞৈশ্চ ব্রাহ্মীয়ং ক্রিয়তে তনুঃ।।

২৯) প্রাঙ্নাভিৰর্ধনাৎপুংসো জাতকর্ম ৰিধীয়তে।
মন্ত্রৱৎপ্রাশনং চাস্য হিৰণ্যমধুসর্পিষাম্।।

৩০) নামধেয়ং দশম্যাং তু দ্বাদশ্যাং ৰা'স্য কাৰয়েৎ।
পুণ্যে তিথৌ মুহূর্তে ৰা নক্ষত্রে ৰা গুণান্বিতে।।

৩১) মঙ্গল্যং ব্রাহ্মণস্য স্যাৎক্ষত্রিয়স্য ৰলান্বিতম্।
ৰৈশ্যস্য ধনসংযুক্তং শূদ্রস্য তু জুগুপ্সিতম্।।

৩২) শর্মৱদ্ব্রাহ্মণস্য স্যাদ্রাজ্ঞো ৰক্ষাসমন্বিতম্।
ৰৈশ্যস্য পুষ্টিসংযুক্তং শূদ্রস্য প্রেষ্যসংযুতম্।।

৩৩) স্ত্রীণাং সুখোদ্যমক্রূৰং ৰিস্পষ্টার্থং মনোহৰম্।
মঙ্গল্যং দীর্ঘৱর্ণান্তমাশীর্ৱাদাভিধানৱৎ।।

৩৪) চতুর্থে মাসি কর্তব্যং শিশোর্নিষ্ক্রমণং গৃহাৎ।
ষষ্ঠে'ন্নপ্রাশনং মাসি যদ্ৱেষ্টং মঙ্গলং কুলে।।

৩.৪ শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ তথা অসমীয়া অনুবাদ

এই অংশত আপুনি উক্ত শ্লোকসমূহৰ গদ্যপাঠ শব্দার্থ আৰু অসমীয়া অনুবাদসমূহ পাবলৈ সক্ষম হ'ব।

১৪। **গঃ পাঃ** — যত্র তু শ্রুতিদ্ৱৈধং স্যাৎ তত্র উভৌ ধর্মৌ স্মৃতৌ।
হি মনীষিভিঃ তৌ উভৌ অপি সম্যক্ ধর্মৌ উক্তৌ।
যত্র তু শ্রুতি দ্ৱৈধং স্যাৎ— যেতিয়া ৰেদত দুটা পৰস্পৰ ৰিৰুদ্ধ অর্থ প্রতিপাদিত হয়
তত্র উভৌ ধর্মৌ স্মৃতৌ — তেনে স্থলত উভয়কেই ধর্মৰূপে কোৱা হয়।
হি মনীষিভিঃ — যিহেতু জ্ঞানী লোকসকলৰ দ্বাৰা
তৌ উভৌ অপি — সেই দুয়োটাকেই
সম্যক্ ধর্মৌ উক্তৌ — সম্যক ধর্ম বুলি কোৱা হৈছে।

অসঃ অনুঃ — যেতিয়া ৰেদত দুটা পৰস্পৰ ৰিৰুদ্ধ অর্থ প্রতিপাদিত হয়, তেনে স্থলত উভয়কেই ধর্মৰূপে অভিহিত কৰা হয়। যিহেতু জ্ঞানী লোকসকলেও সেই দুয়োটাকেই সম্যক ধর্ম বুলি ব্যক্ত কৰিছে।

১৫। গঃ পাঃ — উদিতে অনুদিতে চ, তথা সময়াধ্যুষিতে সর্বথা যজ্ঞ বর্ততে। ইতি ইয়ং ৰৈদিকী শ্রুতি।
উদিতে — (সূর্য্যৰ) উদয় হ'লে
অনুদিতে — (সূর্য্যৰ) উদয় নোহোৱা কালত
সময়াধ্যুষিতে — সূর্য্য আৰু তৰাবিহীন সময়ত
সর্বথা যজ্ঞ বর্ততে — সকলো সময়তে যজ্ঞ সম্পাদন কৰা হয়।



গঃ পাঃ = গদ্য পাঠ
অসঃ অনু = অসমীয়া অনুবাদ

ইতি ইয়ং বৈদিকীশ্রুতিঃ — এয়াই হৈছে বৈদিক বচন।

অসঃ অনুঃ — (সূর্য্যৰ) উদয় হোৱা সময়ত, উদয় নোহোৱা কালত আৰু সূর্য আৰু তৰাবিহীন সময়ত— (এই) সকলো সময়তে যজ্ঞ সম্পাদিত হয়। এয়াই হৈছে বৈদিক বচন।

১৬। গঃ পাঃ — নিষেক - আদি - শ্মশানান্তঃ মন্ত্রৈঃ যস্য বিধিঃ উদিতঃ তস্য অস্মিন্ শাস্ত্রে অধিকাৰঃ জ্ঞেয়ঃ অন্যস্য কস্যচিৎ ন।

নিষেক - আদি - **শ্মশানান্তঃ** — গর্ভাধানৰ সংস্কাৰৰ পৰা আৰম্ভ কৰি মৃত্যু সংস্কাৰলৈ

মন্ত্রৈঃ যস্য বিধিঃ উদিতঃ — মন্ত্রৰ জৰিয়তে যাৰ (যি বর্ণৰ) বাবে বিধি কথিত হৈছে

তস্য — সেই বর্ণৰ (দ্বিজাতিৰ)

অস্মিন্ শাস্ত্রে — এই (মনুস্মৃতি) শাস্ত্রত

অধিকাৰ ঃ জ্ঞেয় ঃ — অধিকাৰ আছে বুলি বুজিব লাগিব

অন্যস্য কস্যচিৎ ন — আনকাৰো (শূদ্রাদিবর্ণৰ) নাই।

অসঃ অনুঃ — গর্ভাধান সংস্কাৰৰ পৰা আৰম্ভ কৰি মৃত্যু সংস্কাৰলৈ মন্ত্রৰ জৰিয়তে যি বর্ণৰ বাবে বিধি কথিত হৈছে, সেই বর্ণৰ (দ্বিজাতিৰ) এই (মনুস্মৃতি) শাস্ত্রত অধিকাৰ আছে বুলি বুজিব লাগিব। আন কাৰো (শূত্রাদি বর্ণৰ) নাই।

১৭। গঃ পাঃ — সৰস্বতী - দৃষদ্বত্যোঃ দেৱনদ্যোঃ যৎ অন্তৰং তং দেৱনির্মিতং দেশং ব্রহ্মাৱর্তং প্রচক্ষতে।

সৰস্বতী দৃষদ্বত্যোঃ দেৱনদ্যোঃ — সৰস্বতী আৰু দৃৰস্বতী - এই দেৱনদী দুখনৰ

যৎ অন্তৰম্ — যি মধ্যৱর্তী ভাগ

তং দেৱনির্মিতং দেশম্ — বিদ্বান লোকৰ দ্বাৰা নির্মিত (সুশোভিত) সেই স্থানক

ব্রহ্মাৱর্তং প্রচক্ষতে — ব্রহ্মাৱর্ত বুলি কোৱা হয়।

অসঃ অনুঃ — সৰস্বতী আৰু দৃষদ্বতী - এই দেৱনদী দুখনৰ যি মধ্যৱর্তী ভাগ, বিদ্বান লোকৰ দ্বাৰা নির্মিত সেই স্থানক ব্রহ্মাৱর্ত বুলি কোৱা হয়।

১৮। তস্মিন্ দেশে বর্ণানাং সান্তৰালানাং পাৰম্পর্যক্রমাগতঃ য আচাৰ সঃ সদাচাৰঃ উচ্যতে।

তস্মিন্ দেশে — সেই ব্রহ্মাৱর্ত নামৰ স্থানত

পাৰম্পর্যক্রমাগতঃ — পৰম্পৰাক্রমে অহা

য আচাৰঃ — যি আচাৰ

সঃ সদাচাৰঃ উচ্যতে — তাকেই সদাচাৰ বুলি কোৱা হয়।

অসঃ অনুঃ — সেই ব্রহ্মাৱর্ত নামৰ স্থানত পৰম্পৰাক্রমে (ব্রাহ্মণাদি) বর্ণসমূহৰ আৰু **সংকীর্ণ** (বর্ণশংকৰ) জাতিসমূহৰ যিসমূহ আচাৰ চলি আহিছে তাকেই সদাচাৰ বোলে।

সংকীর্ণ - মিশ্রিত।

১৯। গঃ পাঃ — কুৰুক্ষেত্র মৎস্যাঃ পঞ্চালাঃ শূৰসেনকাঃ চ এষ ব্রহ্মাৱর্ত্তাৎ অনন্তৰঃ ব্রহ্মার্ষি দেশঃ।

কুৰুক্ষেত্র মৎস্যাঃ পঞ্চালাঃ শূৰসেনকাঃ চ কুৰুক্ষেত্র, মৎস্য, পঞ্চাল আৰু শূৰসেনক।

এম — এয়া

ব্রহ্মাৱর্ত্তাৎ অনন্তৰঃ — ব্রহ্মাৱর্ততকৈ হীন।

ব্রহ্মর্ষি দেশঃ — ব্রহ্মর্ষি দেশ।

অসঃ অনুঃ — কুৰুক্ষেত্র, মৎস্য, পঞ্চাল আৰু শূৰসেনক ব্রহ্মাৱর্ততকৈ হীন এইকেইখন হৈছে ব্রহ্মর্ষি দেশ।

২০। গঃ পাঃ — এতৎ দেশ প্রসূতস্য অগ্রজন্মনঃ সকাশাৎ পৃথিব্যাঃ সর্বমানৱাঃ স্বং স্বং চৰিত্রং শিক্ষেৰন্।

এতৎ দেশপ্রসূতস্য — এই (ব্রহ্মর্ষি) দেশত জন্মলাভ কৰা

অগ্রজন্মনঃ সকাশাৎ — ব্রাহ্মণসকলৰ পৰা

পৃথিব্যাঃ সর্বমানবাঃ — পৃথিৱীৰ সকলো মানুহে

স্বং স্বং — নিজ নিজ

চৰিত্রং শিক্ষেৰন্ — আচৰণৰ শিক্ষা লোৱা উচিত।

অসঃ অনুঃ — এই (ব্রহ্মর্ষি) দেশত জন্মলাভ কৰা ব্রাহ্মণসকলৰ পৰা পৃথিৱীৰ সকলো মানুহে নিজ নিজ আচৰণৰ শিক্ষা লোৱা উচিত।

দ্বিজাতি -ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্য। যাজ্ঞবল্ক্য স্মৃতিত কোৱা হৈছে - ব্রাহ্মণ ক্ষত্রিয় - বিশস্তস্মাদেতে দ্বিজাঃ স্মৃতাঃ।

২১। গঃ পাঃ — হিমৱৎ-ৱিন্ধ্যয়োঃ মধ্যং যৎপ্রাক্ বিনশনাদপিচ প্রয়াগাৎ প্রত্যক্ মধ্যদেশঃ প্রকীর্তিতঃ।

যৎ হিমৱৎ - ৱিন্ধ্যয়োঃ মধ্যং — যি স্থান (উত্তৰে) হিমালয় পর্বত আৰু (দক্ষিণে) বিন্ধ্যপর্বতৰ মধ্যৱর্ত্তী।

প্রাক্ বিনশনাদপি চ প্রয়াগাৎ প্রত্যক্ — আৰু সৰস্বতী নদীৰ অন্তর্দ্ধান হোৱা স্থানৰ পূর্বে আৰু প্রয়াগৰ পশ্চিমে

মধ্যদেশঃ প্রকীর্তিতঃ — মধ্যদেশ বুলি কোৱা হয়।

অসঃ অনুঃ — যি স্থান (উত্তৰে) হিমালয় আৰু (দক্ষিণে) বিন্ধ্যপর্বতৰ মধ্যৱর্ত্তী আৰু সৰস্বতী নদীৰ অন্তর্দ্ধান হোৱা স্থানৰ পূৰে আৰু প্রয়াগৰ পশ্চিমে সেই স্থানক মধ্যদেশ বুলি কোৱা হয়।

২২। গঃ পাঃ — আসমুদ্রাৎ তু ৱৈ পূর্বাৎ আসমুদ্রাৎ তু পশ্চিমাৎ তয়োঃ এৱ গির্যোঃ অন্তৰং বুধাঃ আর্যাৱর্ত্ত বিদুঃ।

আ সমুদ্রাৎ তু ৱৈ পূর্ৱাৎ — পূর্ব সমুদ্র পর্যন্ত

আসমুদ্রাৎ তু ৱৈ পশ্চিমাৎ — (তথা) পশ্চিম সমুদ্র পর্যন্ত (বিস্তৃত)

তয়োঃ এৱ গির্যোঃ অন্তৰং — এই দুই (হিমালয় আৰু বিন্ধ্য) পর্বতৰ মাজৰ ঠাই খণ্ডক

বুধাঃ আর্য্যবর্ত্ত বিদুঃ — পণ্ডিতসকলে আর্য্যবর্ত বুলি কয়।

অসঃ অনুঃ — পূর্ব সমুদ্র তথা পশ্চিম সমুদ্র পর্যন্ত বিস্তৃত এই দুই পর্বতৰ (হিমালয় আৰু বিন্ধ্য) মধ্যৱর্তী স্থানক পণ্ডিতসকলে আর্য্যবর্ত্ত বুলি কয়।

২৩। গঃ পাঃ — যত্র তু স্বভাৱতঃ কৃষ্ণসাৰঃ চৰতি স যজ্ঞিয়ো দেশঃ জ্ঞেয়ঃ অতঃ পৰঃ ম্লেচ্ছ দেশঃ।

যত্র — যি দেশত।

স্বভাবতঃ — স্বাভাৱিকভাৱে

কৃষ্ণসাৰঃ চৰতি — কৃষ্ণসাৰ (মৃগ) বিচৰণ কৰি ফুৰে

সঃ — সেই স্থান

যজ্ঞিয়ো দেশঃ — যজ্ঞৰ বাবে উপযুক্ত স্থান

অতঃ পৰঃ — ইয়াৰ বাহিৰে আনবোৰ

ম্লেচ্ছদেশঃ — ম্লেচ্ছদেশ।

অসঃ অনুঃ — যি স্থানত স্বাভাৱিকভাৱে কৃষ্ণসাৰ (মৃগ) সমূহে বিচৰণ কৰি ফুৰে সেই স্থান যজ্ঞীয় দেশ (যজ্ঞৰ বাবে উপযুক্ত)। ইয়াৰ বাহিৰে আনবোৰ ম্লেচ্ছদেশ।

২৪। গঃ পাঃ — দ্বিজাতয়ঃ এতান্ প্রযত্নঃ সংশ্রয়েৱন্ বৃত্তিকর্শিতঃ শূদ্রঃ তু যস্মিন্ কস্মিন্ বা নিৱসেৎ।

দ্বিজাতয়ঃ — দ্বিজাতিসকলে

এতান্ — এই (দেশ) সমূহক

প্রযত্নঃ সংশ্রয়েৱন্ — যত্নসহকাৰে আশ্রয় লোৱা উচিত।

বৃত্তিকর্শিতঃ শূদ্রঃ তু — জীৱিকাৰ অভাৱত পীড়িত শূদ্রই

যস্মিন্ কস্মিন্ ৱা নিবসেৎ — যিকোনো স্থানত গৈ নিবাস কৰিব লাগে।

অসঃ অনুঃ — (ব্রাহ্মণ, ক্ষত্রিয় আৰু বৈশ্য) দ্বিজাতিসকলে এই দেশসমূহত যত্নসহকাৰে আশ্রয় লোৱা উচিত। জীৱিকাৰ অভাৱত পীড়িত শূদ্রই যিকোনো স্থানত গৈ নিবাস কৰিব লাগে।

অগ্রজন্মা - ব্রাহ্মণ

২৫। গঃ পাঃ — এষা ধর্মস্য যোনিঃ অস্য সর্বস্য সম্ভৱঃ চ সমাসেন ৱঃ প্রকীর্তিতা, বর্ণধর্মান্ নিবোধত।

ধর্মস্য এষা যোনিঃ — ধর্মৰ উৎপত্তি

অস্য সর্বস্য সম্ভৱঃ চ — আৰু সমস্ত জগতৰ উৎপত্তি

সমাসেন উক্তা — সংক্ষেপে ক'লো।

বর্ণধর্মান্ নিবোধত — (এতিয়া) বর্ণধর্মৰ সম্পর্কে শুনা।

অসঃ অনুঃ — ধর্মৰ আৰু সমস্ত জগতৰ উৎপত্তিৰ বিষয়ে সংক্ষেপে ক'লো। (এতিয়া) বর্ণধর্মৰ সম্পর্কে শুনা।

২৬। গঃ পাঃ — বৈদিকৈ ঃ পুণ্যৈঃ কর্মভিঃ দ্বিজন্মনাম্ নিষেকাদিঃ শৰীৰ সংস্কাৰঃ কার্য্যঃ ইহ চ প্রেত্য পাৱনঃ

বৈদিকৈঃ পুণ্যৈঃ কর্মভিঃ — বেদোক্তা পুণ্য কর্মৰদ্বাৰা

দ্বিজন্মনাম্ — দ্বিজাতিসকলৰ (ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য)

নিষেকাদিঃ — গর্ভাধান আদি

শৰীৰ সংস্কাৰঃ — শৰীৰ সংস্কাৰ

কার্য্যঃ — কৰিব লাগে

ইহ চ প্রেত্য পাবনঃ — ইহলোক আৰু পৰলোকৰ পাপক্ষয়ৰ হেতু।

অসঃ অনুঃ — বেদোক্তা পুণ্যকর্মৰ দ্বাৰা দ্বিজাতিসকলৰ গর্ভাধান আদি শৰীৰ সংস্কাৰ কৰিব লাগে। ই (শৰীৰ সংস্কাৰ) ইহলোক আৰু পৰলোকৰ পাপক্ষয়ৰ হেতু।

২৭। গঃ পাঃ — গার্ভৈঃহোমৈঃ জাতকর্ম - চৌল - মৌঞ্জীনিবন্ধনৈঃ দ্বিজানাম্ বৈজিকম্ গার্ভিকম্ এনঃ অপমৃজ্যতে।

গার্ভৈঃ হোমৈঃ — গর্ভকালীন হোমসহিত সংস্কাৰৰ দ্বাৰা

জাতকর্ম-চৌড়-মৌঞ্জীনিবন্ধনৈঃ — জাতকর্ম, চূড়াকৰণ আৰু উপনয়নৰ দ্বাৰা

দ্বিজানাম্ — দ্বিজসকলৰ

বৈজিকম্ — বীজসম্বন্ধীয়

গার্ভিকং চ — আৰু গর্ভকালত হোৱা

এনঃ — দোষ বা পাপ

অপমৃজ্যতে — আঁতৰি যায়।

চৌড -চূড়াকৰণকর্ম।
মৌঞ্জীনিবন্ধন -উপনয়ন।

অসঃ অনুঃ — গর্ভকালীন হোম, জাতকর্ম, চূড়াকৰণ আৰু উপনয়ন সংস্কাৰৰ দ্বাৰা দ্বিজসকলৰ বীজ সম্বন্ধীয় আৰু গর্ভকালত হোৱা দোষ আতৰি যায়।

২৮। গঃ পাঃ — স্বাধ্যায়েন ব্রতৈঃ হোমৈঃ ত্রৈবিদ্যেন ইজ্যয়া সুতৈঃ মহাযজ্ঞৈঃ যজ্ঞৈঃ ইয়ং তনুঃ ব্রাহ্মী ক্রিয়তে।

স্বাধ্যায়েন — বেদাধ্যয়নৰ দ্বাৰা

ব্রতৈঃ — ব্রতুৰ বা নিয়মৰ দ্বাৰা

হোমৈঃ — হোমৰ দ্বাৰা

ত্রৈবিদ্যেন — ত্রৈবিদ্যা নামৰ ব্রতৰ দ্বাৰা

ইজ্যয়া — যজ্ঞৰ দ্বাৰা (অর্থাৎ দেৱতা ঋষি আৰু পিতৃ তর্পণৰ দ্বাৰা)

সুতৈঃ — সন্তান উৎপাদনৰ দ্বাৰা

মহাযজ্ঞৈঃ — (পঞ্চ) মহাযজ্ঞৰ দ্বাৰা

যজ্ঞৈঃ — (জ্যোতিষ্টোমদি) যজ্ঞ সম্পাদনৰ দ্বাৰা

ইয়ং তনুঃ — এই শৰীৰটো

ব্রাহ্মীয়ং ক্রিয়তে — ব্রহ্মপ্রাপ্তিৰ যোগ্য কৰি তোলা হয়।

অসঃ অনুঃ — বেদাধ্যয়ন, (মেধু, মাংস, বর্জনাদি) ব্রতৰা নিয়ম, হোম, ত্রৈবিদ্যা নামৰ ব্রত, দেবতা, ঋষি আৰু পিতৃ তর্পন ৰূপ যজ্ঞৰ দ্বাৰা, সন্তান উৎপাদন, পঞ্চ মহা যজ্ঞাদি আৰু জ্যোতিষ্টোম আদি যজ্ঞৰ দ্বাৰা এই শৰীৰক ব্রহ্ম প্রাপ্তিৰ যোগ্য কৰি তোলা হয়।

২৯। গঃ পাঃ — পুংসঃ জাতকর্ম নাভিবর্ধনাৎ প্রাক্ বিধীয়তে। (তদা) চ অস্য মন্ত্রবৎ হিৰণ্যমধুসর্পিষাং প্রাশনম্।

পুঃ সঃ — পুৰুষৰ

জাতকর্ম — জাতকর্ম নামৰ সংস্কাৰ

নাভিবর্ধনাৎ প্রাক্ — নাভি ছেদনৰ (কটাৰ) আগতে
বিধীয়তে — কৰা হয়।
(তদা) চ অস্য — আৰু (তাৰ পিছত) এওঁৰ পাঠ
মন্ত্রবৎ — মন্ত্রপূর্বক বা মন্ত্রৰ দ্বাৰা
হিৰণ্য মধুসর্পিষাং — স্বর্ণ, মধু বা ঘী আৰু ঘৃতৰ
প্রাশনম্ — সেৱন কৰোৱা উচিত।

অসঃ অনুঃ — পুৰুষৰ নাভি ছেদন কৰাৰ আগতে জাতকর্ম নামৰ সংস্কাৰ কৰা হয়। আৰু (তাৰ পিছত) মন্ত্র পাঠৰ দ্বাৰা স্বর্ণ, মধু আৰু ঘৃত খুওৱা উচিত।

৩০। গঃ পাঃ — অস্য নামধেয়ং তু দশম্যাং দ্বাদশ্যাম্ বা পুণ্যে তিথৌ মুহূর্তে বা গুণান্বিতে নক্ষত্রে বা কাৰয়েৎ।
অস্য — এই পুৰুষৰ
নামধেয়ং তু — নামকৰণ সংস্কাৰ
দশম্যাং দ্বাদশ্যাং বা — দহ নাইবা বাৰ দিনত
পুণ্যে তিথৌ মুহূর্তে বা — পুণ্য তিথিত নাইবা মুহূর্তত
গুণান্বিতে নক্ষত্রে বা — নাইবা গুণযুক্ত নক্ষত্রত
কাৰয়েৎ — কৰিব লাগে।

অসঃ অনুঃ — (জন্মৰ) দহ বা বাৰ দিনৰ দিনা পুণ্য তিথিত নাইবা মুহূর্তত নাইবা গুণযুক্ত নক্ষত্রত এই পুৰুষৰ নামকৰণ সংস্কাৰ কৰিব লাগে।

৩১। গঃ পাঃ — ব্রাহ্মণস্য মঙ্গল্যং স্যাৎ ক্ষত্রিযস্য বলান্বিতং বৈশ্যস্য ধনসংযুক্তং শূদ্রস্য তু জুগুপ্সিতম্।
ব্রাহ্মণস্য মঙ্গল্যং — ব্রাহ্মণৰ (নাম) মঙ্গলবাচক
ক্ষত্রিয়স্য বলান্বিতং — ক্ষত্রিয়ৰ বলবাচক বা বলসমন্বিত
বৈশ্যম্য ধনসংযুক্তং — বৈশ্যৰ ধনবাচক বা ধনসংযুক্ত
শূদ্রস্য তু জুগুপ্সিতম্ — শূদ্রৰ নিন্দাবাচক বা জুগুপ্সাসূচক
(নামধেয়ং) স্যাৎ — (নামকৰণ) হ'ব লাগে।

অসঃ অনুঃ — (নামকৰণ) ব্রাহ্মণৰ মঙ্গলবাচক, ক্ষত্রিয়ৰ বলবাচক, বৈশ্যৰ ধনবাচক আৰু শূদ্রৰ নিন্দাবাচক হ'ব লাগে।

৩২। গঃ পাঃ — ব্রাহ্মণস্য শর্মবদ্ ৰাজ্ঞঃ ৰক্ষাসমন্বিতম্ বৈশ্যস্য পুষ্টি সংযুক্তং শূদ্রস্য প্রৈষ্য সংযুতং (উপপদং) স্যাৎ।
ব্রাহ্মণস্য শর্মবদ্ — ব্রাহ্মণৰ শর্মা যুক্ত
ৰাজ্ঞঃ ৰক্ষাসমন্বিতং — ক্ষত্রিয়ৰ ৰক্ষা সমন্বিত
বৈশ্যস্য পুষ্টিসংযুক্তং — বৈশ্যৰ পুষ্টিসংযুক্ত
শূদ্রস্য প্রৈষ্যসংযুতং — শূদ্রৰ সেবকবাচক

(উপপদং) স্যাৎ — (উপপদ) হ'ব লাগে।

অসঃ অনুঃ — ব্রাহ্মণৰ শর্মাযুক্ত, ক্ষত্রিয়ৰ ৰক্ষা যুক্ত, বৈশ্যৰ পুষ্টিসংযুক্ত আৰু শূদ্রৰ সেৱক বাচক (উপপাদ) হ'ব লাগে।

৩৩। গঃ পাঃ — স্ত্রীণাং সুখোদ্যং অক্রূৰং বিস্পষ্টার্থং মনোহৰং মংগল্যং দীর্ঘবর্ণান্তং আশীর্বাদাভিধানবৎ।

স্ত্রীণাং — স্ত্রীসকলৰ (নাম)

সুখোদ্যং — অনায়াসে উচ্চাৰণ কৰিব পৰা

অক্রূৰং — কোমল

বিস্পষ্টার্থং — স্পষ্ট অর্থ যুক্ত

মনোহৰং — মনত আনন্দ প্রদায়ক

দীর্ঘল্যং — মঙ্গলবাচক

দীর্ঘ বর্ণান্তং — দীঘস্বৰান্ত

আশীর্বাদাভিধানবৎ — আশীর্বাদবাচক (হোৱা উচিত)

অসঃ অনুঃ — স্ত্রীসকলৰ নাম অনায়াসে অর্থাৎ কষ্ট অবিহনে

৩৪। গঃ পাঃ — শিশোঃ গৃহাৎ নিষ্ক্রমণং চতুর্থে মাসি কর্তব্যং অন্নপ্রাশনং ষষ্ঠে মাসি। যৎ কুলে ইষ্টং মঙ্গলং বা।

শিশোঃ গৃহাৎ নিষ্ক্রমণঃ — ঘৰৰ পৰা শিশুক বাহিৰলৈ উলিয়াব লাগে

চতুর্থে মাসি — চতুর্থ মাহত

ষষ্ঠে মাসি অন্নপ্রাশনং — ষষ্ঠ মাহত অন্নপ্রাশন (কৰিব লাগে)

কুলে — কুলধর্মস্বৰূপে

যৎ ইষ্টং মঙ্গলং — যিটো ইষ্ট বা মঙ্গলমদ

অসঃ অনুঃ — শিশুক ঘৰৰ পৰা বাহিৰলৈ উলিওৱা কার্য চতুর্থ মাহত কৰিব লাগে আৰু ষষ্ঠ মাহত অন্নপ্রাশন কৰিব লাগে। অথবা কুলধর্ম অনুসৰি যিটো ইষ্ট বা মঙ্গলজনক (তেনে কার্য কৰিব লাগে)।



জানি থোৱা ভাল

মনুসংহিতাৰ দ্বিতীয় অধ্যায়ত বহু গুৰুত্বপূর্ণ বিষয়ৰ আলোচনা কৰা হৈছে। এইসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য কেইটামান বিষয় হৈছে— ধর্মৰ মূল, ধর্মৰ লক্ষণ, ধর্মানুষ্ঠানৰ যোগ্য দেশ, সংস্কাৰৰ বিধান, জাতকর্ম, নামকৰণ, মুণ্ডন আৰু উপনয়ন সংস্কাৰ, ব্রহ্মচাৰীৰ কর্তব্য, জিতেন্দ্রিয়ৰ পৰিভাষা, স্বাধ্যায়ৰ ফল, যোগ্য শিষ্য, আচার্য্যৰ লক্ষণ, শিষ্যৰ গুৰুৰ প্রতি ব্যৱহাৰ, বেদাভ্যাসৰ অবিহনে শূদ্রত্ব প্রাপ্তি ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ শ্লোকটিৰ গদ্যপাঠ লিখক।

শ্রুতিদ্বৈধং তু যত্র স্যাত্তত্র ধর্মাবুভৌ স্মৃতৌ।
উভাৱপি হি তৌ ধর্মৌ সম্যগুক্তৌ মনীষিভিঃ।।

.....

.....

প্রশ্ন নং ২ ঃ অর্থ লিখক।

(ক) সৰস্বতীদৃষদ্বত্যোর্দেৱনদ্যোর্যদনন্তৰম্।
তং দেৱনির্মিতং দেশং ব্রহ্মাৱর্তং প্রচক্ষতে।।

.....

.....

(খ) স্বাধ্যায়েন ব্রতৈর্হোমৈস্ত্রৈবিদ্যেনেজ্যয়া সুতৈঃ।
মহাযজ্ঞৈশ্চ যজ্ঞৈশ্চ ব্রাহ্মীয়ং ক্রিয়তে তনুঃ।।

প্রশ্ন নং ৩ ঃ ব্রহ্মার্ষি দেশকেইখনৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ অগ্রজন্মা শব্দৰ অর্থ কি?

.....

.....

প্রশ্ন নং ৫ ঃ আর্য্যৱর্ত্তৰ পৰিচয় দিয়ক।

.....

.....

৩.৫ ধর্ম, ধর্মশাস্ত্রৰ অধিকাৰী আৰু ধর্মানুষ্ঠানযোগ্য দেশ বিষয়ক শ্লোকসমূহৰ সাৰাংশ

এই অংশত আপুনি ১৪ নং শ্লোকৰ পৰা ২৪ নং শ্লোকলৈ থকা বিষয়বস্তুৰ সাৰাংশটি লাভ কৰিব।

মনুস্মৃতিৰ দ্বিতীয় অধ্যায়ৰ নির্ধাৰিত পাঠ্যাংশৰ প্রথমেই ঘোষণা কৰা হৈছে যে যদি কেতিয়াবা বেদত দুটা পৰস্পৰ বিপৰীতধর্মী উক্তি পোৱা যায়, তেনেক্ষেত্রত সেই দুয়োটাই সম্যকৰূপে অর্থাৎ শুদ্ধৰূপে গ্রহণ কৰা উচিত। জ্ঞানীলোকে এই দুয়োটাকে সম্যক ধর্ম বুলি কয়। ইয়াৰ পিছত তিনিটা ভিন্ন বেদৰ উক্তিৰে যজ্ঞ সম্পাদনৰ সময়ৰ বিষয়ে উল্লেখ কৰা হৈছে। কোৱা হৈছে যে সূর্যৰ উদয় হোৱা সময়ত, উদয়ৰ আগমুহূর্তত অর্থাৎ অনুদিত কালত আৰু সূর্য্য আৰু আন নক্ষত্রসমূহ নথকা সময়ত— এই সকলো সময়তে যজ্ঞ সম্পাদন কৰিব পৰা যায়।

মনুৰ এই ধৰ্মশাস্ত্ৰ গ্ৰন্থত কাৰ অধিকাৰ আছে সেই বিষয়ে ইয়াৰ পিছত স্পষ্টভাৱে কোৱা হৈছে। গৰ্ভাধান সংস্কাৰৰ পৰা আৰম্ভ কৰি মৃত্যু সংস্কাৰলৈ যি যি বৰ্ণৰ অৰ্থাৎ দ্বিজাতিৰ বাবে মন্ত্ৰৰ দ্বাৰা কৰিব লগা অনুষ্ঠানসমূহৰ বিষয়ে কোৱা হৈছে— সেইসকলৰহে এই মনুস্মৃতি শাস্ত্ৰখনৰ অধ্যয়ন বা শ্ৰৱণ কৰাৰ অধিকাৰ আছে।

ইয়াৰ পিছতেই মনুৱে ঘোষণা কৰিছে যে সৰস্বতী আৰু দৃষদ্বতী এই নদী দুখনৰ মাজত থকা দেশখনক ব্ৰহ্মাৱৰ্ত বুলি কোৱা হয়। এই ব্ৰহ্মাৱৰ্ততকৈ কিছু হীন দেশসমূহ হৈছে কুৰুক্ষেত্ৰ, মৎস্য, পঞ্চাল আৰু শূৰসেন। এইকেইখনক ব্ৰহ্মৰ্ষি দেশ বুলি কোৱা হৈছে। এই কুৰুক্ষেত্ৰাদি দেশসমূহত জন্ম লাভ কৰা ব্ৰাহ্মণসকলৰ পৰা পৃথিৱীৰ সকলো মানুহে নিজ নিজ আচৰণৰ বিষয়ে শিক্ষা গ্ৰহণ কৰা উচিত। সেই স্থানেই হৈছে মধ্যদেশ যি হিমালয় আৰু বিন্ধ্যপৰ্বতৰ মধ্যৱৰ্তী তথা সৰস্বতী নদী অন্তৰ্দ্ধান হোৱা স্থানৰ পূৰ্বে আৰু প্ৰয়াগৰ পশ্চিমে অৱস্থিত। তদুপৰি পূৰ্ব সমুদ্ৰ আৰু পশ্চিম সমুদ্ৰ পৰ্যন্ত বিস্তৃত হিমালয় আৰু বিন্ধ্য পৰ্বতদ্বয়ৰ মধ্যত থকা স্থানটিক আৰ্য্যাৱৰ্ত বুলি কোৱা হয়। ইয়াৰ পাছত যজ্ঞীয় দেশ বা যজ্ঞৰ বাবে উপযুক্ত স্থানৰ বিষয়ে এনেদৰে কোৱা হৈছে যে যি স্থানত কৃষ্ণসাৰ মৃগসমূহে বিচৰণ কৰি ফুৰে সেই স্থানেই হৈছে যজ্ঞীয় দেশ। ইয়াৰ বাহিৰে আন দেশসমূহ হৈছে ম্লেচ্ছদেশ। দ্বিজাতিসকলে এইসমূহ দেশতেই আশ্ৰয় গ্ৰহণ কৰা উচিত। জীৱিকাৰ বাবে শূদ্ৰসকলে যিকোনো স্থানত আশ্ৰয় ল'ব পাৰে।

এনেদৰেই মনুস্মৃতি গ্ৰন্থৰ নিৰ্ধাৰিত পাঠ্যাংশত ধৰ্ম, ধৰ্মশাস্ত্ৰৰ অধিকাৰী আৰু ধৰ্মানুষ্ঠানযোগ্য দেশসমূহৰ আলোচনা কৰা হৈছে।

৩.৬ বৰ্ণধৰ্ম সম্বলিত শ্লোকসমূহৰ সাৰাংশ

এই অংশত আপুনি ২৫ নং শ্লোকৰ পৰা ৩৪ নং শ্লোকলৈ বৰ্ণধৰ্ম সম্পৰ্কে যি বিষয় আলোচনা কৰা হৈছে তাৰ সাৰাংশটি লাভ কৰিব।

মনুস্মৃতিৰ দ্বিতীয় অধ্যায়ৰ নিৰ্ধাৰিত পাঠ্যাংশত বৰ্ণধৰ্মৰ বিষয়ে তলত দিয়া ধৰণে আলোচনা কৰা হৈছে।

ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য— এই দ্বিজাতিসকলৰ গৰ্ভাধান আদি শৰীৰ সংস্কাৰ বৈদিক কৰ্মৰ দ্বাৰা কৰিব লাগে। এই শৰীৰ সংস্কাৰসমূহে ইহলোক আৰু পৰলোকৰ পাপক্ষয় কৰে আৰু পৰিত্ৰ কৰি তোলে। গৰ্ভকালীন হোম, জাতকৰ্ম, চূড়াকৰণ আৰু যজ্ঞোপৱীত সংস্কাৰৰ দ্বাৰা দ্বিজসকলৰ কেতবোৰ দোষ আঁতৰি যায়। ইয়াৰ পিছত এই শৰীৰক কিদৰে ব্ৰহ্মপ্ৰাপ্তিৰ যোগ্য কৰি তোলা হয় সেই বিষয়ে কোৱা হৈছে। অৰ্থাৎ বেদাধ্যয়ন, ব্ৰত, হোম, ইজ্যা, সন্তান উৎপাদন, পঞ্চমহাযজ্ঞ আৰু জ্যোতিষ্টোমাদি যজ্ঞসমূহৰ দ্বাৰা শৰীৰক ব্ৰহ্মপ্ৰাপ্তিৰ বাবে উপযুক্ত কৰি তোলা হয়। পুৰুষৰ নাভিছেদন কৰাৰ আগতে জাতকৰ্ম নামৰ সংস্কাৰ কৰা হয়। তাৰ পিছত মন্ত্ৰৰ দ্বাৰা স্বৰ্ণ, মধু আৰু ঘৃত খুওৱা হয়।



ইজ্যা - যজ্ঞ

জন্মৰ দহ বা বাৰ দিনৰ দিনা পুৰুষৰ নামকৰণ সংস্কাৰ কৰিব লাগে। ব্ৰাহ্মণৰ ক্ষেত্ৰত নাম হ'ব লাগে মঙ্গলবাচক। ইয়াৰ উপৰি ক্ষত্ৰিয়ৰ ক্ষেত্ৰত বলবাচক, বৈশ্যৰ ক্ষেত্ৰত ধনবাচক আৰু শূদ্ৰৰ ক্ষেত্ৰত নিন্দাবাচক হ'ব লাগে। উপপদৰ ক্ষেত্ৰত কোৱা হৈছে যে ব্ৰাহ্মণৰ শৰ্মাযুক্ত, ক্ষত্ৰিয়ৰ ৰক্ষাযুক্ত, বৈশ্যৰ পুষ্টিযুক্ত আৰু শূদ্ৰৰ সেৱকবাচক উপপদ হ'ব লাগে। স্ত্ৰীসকলৰ নাম হ'ব লাগে অনায়াসে উচ্চাৰণ কৰিব পৰা, কোমল তথা স্পষ্ট অৰ্থ যুক্ত। তদুপৰি ই হ'ব লাগে মনত আনন্দ প্ৰদায়ক, মঙ্গলবাচক, দীৰ্ঘস্বৰান্ত আৰু আশীৰ্বাদ বাচক। পুনৰ কোৱা হৈছে যে চতুৰ্থ মাহত শিশুক ঘৰৰ পৰা বাহিৰলৈ সূৰ্য দৰ্শনৰ বাবে উলিয়াব লাগে। ষষ্ঠ মাহত অন্নপ্ৰাশন কৰিব লাগে। অথবা স্বকীয় কুলধৰ্ম অনুসৰি যিটো ইষ্ট বা মঙ্গলময় সেই ধৰণে কৰিব লাগে।

মনুস্মৃতিৰ দ্বিতীয় অধ্যায়ৰ নিৰ্ধাৰিত পাঠ্যাংশত এনেদৰে বৰ্ণধৰ্মৰ বিষয়ে কোৱা হৈছে।

৩.৭ সন্ধিযুক্ত শব্দৰ সন্ধি বিচ্ছেদ

এই অংশত শ্লোকত ব্যৱহৃত সন্ধিযুক্ত কেতবোৰ শব্দৰ সন্ধি বিচ্ছেদ কৰি দেখুওৱা হৈছে।

শ্লোকসংখ্যা	সন্ধিযুক্ত শব্দ	সন্ধি বিচ্ছেদ
১৬	মন্ত্ৰৈর্যস্যোদিতো	মন্ত্ৰৈঃ + যস্য + উদিতঃ
	শাস্ত্রে'ধিকাৰো'স্মিঞ্জ্ঞেয়ো	শাস্ত্রে + অধিকাৰঃ + অস্মিন্ + ক্ষেয়ঃ।
১৯	ব্ৰহ্মাৱর্তাদনন্তৰঃ	ব্ৰহ্মাৱর্তাৎ + অনন্তৰঃ।
২০	সকাশাদগ্ৰজন্মনঃ	সকাশাৎ + অগ্ৰজন্মনঃ।
২১	যৎপ্রাঙ্নিশনাদপি	যৎ + প্রাক্ + বিনশনাৎ + অপি।
২২	গির্যোৰার্যাৱর্তং	গির্যোঃ + আর্যাৱর্তং।
২৩	ম্লেচ্ছদেদস্ত্বতঃ	ম্লেচ্ছদেশঃ + তু + অতঃ।
২৪	দেশান্সংশ্রয়েৱনপ্রযত্নতঃ	দেশান্ + সংশ্রয়েৱন্ + প্রযত্নতঃ।
	নিৱসেদ্বৃত্তিকর্শিতঃ	নিৱসেৎ + বৃত্তিকর্শিতঃ।
২৫	সম্ভৱশ্চাস্য	সম্ভৱঃ + চ + অস্য
২৬	পুণ্যৈর্নিষেকাদির্দ্বিজন্মনাম্	পুণ্যৈঃ + নিষেকাদিঃ + দ্বিজন্মনাম্।
২৮	ব্ৰতৈর্হোমৈস্ত্রৈবিদ্যেনজ্যয়া	ব্ৰতৈঃ + হোমৈঃ + ত্রৈবিদ্যেন + ইজ্যয়া।
২৯	প্রাঙ্নাভিবর্ধনাৎপুংসো	প্রাক্ + নাভিৱর্ধনাৎ + পুংসঃ।



অগ্ৰগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ এই শৰীৰক কিদৰে ব্ৰহ্মপ্রাপ্তিৰ যোগ্য কৰি তোলা হয়?

.....

.....

প্রশ্ন নং ৭ ঃ নামকৰণ সংস্কাৰ কেতিয়া কৰা হয়?

.....

.....

প্রশ্ন নং ৮ ঃ স্ত্রীসকলৰ নাম কেনেধৰণৰ হোৱা উচিত?

.....

.....

প্রশ্ন নং ৯ ঃ সন্ধিবিচ্ছেদ কৰক।

ব্রহ্মাৱর্তাদনন্তৰঃ

ম্লেচ্ছদেশস্ত্বতঃ

সম্ভৱশ্চাস্য

ব্রতৈর্হোমৈস্ত্রৈবিদ্যেনেজ্যয়া



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- মনুসংহিতাৰ নির্ধাৰিত পাঠ্যক্রমৰ শ্লোকসমূহৰ সংস্কৃত পাঠসমূহ জানিব পাৰিলে।
- শ্লোকসমূহৰ গদ্যপাঠ জনাৰ লগতে অসমীয়া অনুবাদসমূহ আয়ত্ব কৰিব পাৰিলে।
- শ্লোকসমূহৰ সাৰাংশৰ জৰিয়তে বিষয়বস্তুৰ সম্যক জ্ঞান লাভ কৰিব পাৰিলে।
- কেতবোৰ সন্ধিযুক্ত শব্দৰ সন্ধিবিযুক্ত ৰূপ সম্পর্কে অৱগত হ'ল।



৩.৯ অধিক জানিবলৈ

১) ঝা, গঙ্গানাথ (সম্পাঃ) মনুস্মৃতি (মেধাতিথিৰ ভাষ্য সহিত), (১৯৩২) কলকাতাঃ এচিয়াটিক সোসাইটি অৱ বেঙ্গল।

২) শাস্ত্রী, জগদীশলাল মনুস্মৃতি (কুল্লুকভট্টৰ ভাষ্য সহিত), (২০১০) দিল্লীঃ মতিলাল বানাৰসী দাস।

৩) হপকিন্স, এডৱার্ড ডব্লিউ (সম্পাঃ), (১৯৭২) হিন্দু পলিটি (দি অৰদিনেন্স অৱ্ মনু), লুধিয়ানাঃ কল্যাণী পাৰলিমার্স।



৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দ্বিতীয় অধ্যায়ৰ ১৪ নং শ্লোকৰ গদ্যপাঠ চাওঁক।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ১৭ নং শ্লোকৰ অর্থ (খ) ২৮ নং শ্লোকৰ অর্থ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৯ নং শ্লোক।

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্রাহ্মণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ২২ নং শ্লোক।

৬ নং প্রশ্নৰ উত্তৰ ঃ ২৮ নং শ্লোক।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৩০ নং শ্লোক।

৮ নং প্রশ্নৰ উত্তৰ ঃ ৩৩ নং শ্লোক।

৯ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মাৱর্ত্তাৎ + অনন্তৰঃ

ম্লেচ্ছদেশঃ + তু + অতঃ

সম্ভৱঃ + চ + অস্য

ব্রৱৈতঃ + হোমৈঃ + ত্রৈবিদ্যেন + ইজ্যয়া।



৩.১১ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ মনুসংহিতাৰ দ্বিতীয় অধ্যায়ৰ নির্ধাৰিত পাঠ্যক্রমৰ যিকোনো পাঁচটা শ্লোক মুখস্থ লিখক।

(খ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ নির্ধাৰিত পাঠ্যক্রমত উল্লেখ থকা দেশসমূহৰ এটি বর্ণনা দিয়ক।

প্রশ্ন ২ ঃ বর্ণধর্মসম্বলিত শ্লোকসমূহৰ এটি সাৰাংশ আগবঢ়াওঁক।

*** ***** ***

অধ্যায় ৪ ঃ মনুসংহিতা (৩য় অধ্যায়, ৯৯-১০৭)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ
৪.৪ শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ তথা অসমীয়া অনুবাদ
৪.৫ পাঠ্যাংশৰ সাৰাংশ
৪.৬ কেতবোৰ শ্লোকৰ ব্যাখ্যা
৪.৭ সন্ধিযুক্ত শব্দৰ সন্ধি বিচ্ছেদ
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্রগতিৰ খতিয়ান
৪.১১ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ জানিব পাৰিব
- শ্লোকসমূহৰ গদ্যপাঠ আৰু অসমীয়া অনুবাদসমূহ আয়ত্ত্ব কৰিব পাৰিব
- শ্লোকসমূহৰ সাৰাংশৰ জৰিয়তে বিষয়বস্তুৰ সম্পূর্ণ আভাস লাভ কৰিব পাৰিব
- শ্লোকৰ ব্যাখ্যা কৰাৰ আৰ্হি লাভ কৰিব
- সন্ধিযুক্ত কেতবোৰ শব্দৰ সন্ধিবিযুক্ত ৰূপবোৰ জানিব পাৰিব।

৪.২ পৰিচয়

ইতিমধ্যে আপুনি মনুসংহিতাৰ দ্বিতীয় অধ্যায়ৰ নির্ধাৰিত পাঠ্যক্রমৰ বিশদ জ্ঞান লাভ কৰিছে। এই অধ্যায়ত আপুনি মনুসংহিতাৰ তৃতীয় অধ্যায়ত থকা পঞ্চমহাযজ্ঞৰ অন্যতম নৃযজ্ঞ অর্থাৎ অতিথি পূজনৰ এক সম্যক ধাৰণা লাভ কৰিব। এই সন্দর্ভত থকা শ্লোকসমূহৰ গদ্যপাঠৰ লগতে অসমীয়া অনুবাদসমূহ জানিবলৈ সক্ষম হ'ব। ইয়াৰ উপৰি শ্লোকসমূহৰ সাৰাংশৰ লগতে কেতবোৰ শ্লোকৰ ব্যাখ্যা কৰাৰ আৰ্হি লাভ কৰিব পাৰিব। কেতবোৰ সন্ধিযুক্ত শব্দৰ সন্ধিবিযুক্ত ৰূপৰ বিষয়েও এই অধ্যায়ত জ্ঞাত হ'ব।

৪.৩ নির্ধাৰিত পাঠ্যক্ৰমৰ সংস্কৃত শ্লোকসমূহ

এই অংশত আপুনি নির্ধাৰিত পাঠ্যক্ৰমৰ মূল শ্লোকসমূহৰ লগত পৰিচয় লাভ কৰিব।

শ্লোক সংখ্যা

৯৯) সম্প্রাপ্তায় ত্বতিথয়ে প্রদদ্যাদাসনোদকে।
অন্নং চৈৱ যথাশক্তি সৎকৃত্য ৱিধিপূর্ৱকম্।।

১০০) শিলানপ্যুঞ্ছতো নিত্যং পঞ্চাগ্নীনপি জুহ্ৱতঃ।
সর্ৱং সুকৃতমাদত্তে ব্রাহ্মণো'নর্চিতো ৱসন্।।

১০১) তৃণানি ভূমিৰুদকং ৱাক্চতুর্থী চ সুনৃতা।
এতান্যপি সতাং গেহে নোচ্ছিদ্যন্তে কদাচন।।

১০২) একৰাত্রং তু নিৱসন্নতিথির্ব্রাহ্মণঃ স্মৃতঃ।
অনিত্যং হি স্থিতো যস্মাত্তস্মাদতিথিৰুচ্যতে।।

১০৩) নৈকগ্রামীণমতিথিং ৱিপ্রং সাঙ্গতিকং তথা।
উপস্থিতং গৃহে ৱিদ্যাদ্ভার্যা যত্রাগ্নয়ো'পি ৱা।।

১০৪) উপাসতে যে গৃহস্থাঃ পৱপাকমবুদ্ধয়ঃ।
তেন তে প্রেত্য পশুতাং ব্রজন্ত্যন্নাদিদায়িনাম্।।

১০৫) অপ্রণোদ্যে'তিথিঃ সায়ং সূর্য্যোঢো গৃহমেধিনা।
কালে প্রাপ্তস্ত্বকালে ৱা নাস্যানশ্নন্গৃহে ৱসেৎ।।

১০৬) ন ৱৈ স্ৱয়ং তদশ্নীয়াদতিথিং য়ন্ন ভোজয়েৎ।
ধন্যং যশস্যমায়ুষ্যং স্ৱর্গ্যং ৱাতিথিপূজনম্।।


১০৭) আসনাৱসথৌ শয্যামনুব্রজ্যামুপাসনাম্।
উত্তমেষূত্তমং কুর্যাদ্ধীনে হীনং সমে সমম্।।

৪.৪ শ্লোকসমূহৰ গদ্যপাঠ, শব্দাৰ্থ তথা অসমীয়া অনুবাদ

এই অংশত আপুনি উক্ত শ্লোকসমূহৰ গদ্যপাঠৰ লগতে শব্দৰ অর্থ তথা অসমীয়া অনুবাদসমূহ পাবলৈ সক্ষম হ'ব।

৯৯। **গঃ পাঃ** — সম্প্রাপ্তায় অতিথয়ে তু বিধিপূর্বকং সৎকৃত্য যথাশক্তি আসনোদকে অন্নং চৈৱ প্রদদ্যাৎ।

সম্প্রাপ্তায় অতিথয়ে তু — আগমন কৰা অতিথিক
বিধিপূর্বকং সৎকৃত্য — বিধি বা নিয়ম অনুসৰি সৎকাৰ কৰি
যথাশক্তি — সামর্থ্য অনুসৰি
আসনোদকে — আসন, পানী
অন্নং চৈব — আৰু অন্ন বা আহাৰ



গঃ পাঃ = গদ্য পাঠ
অসঃ অনু = অসমীয়া অনুবাদ

প্রদদ্যাৎ — প্রদান কৰিব লাগে।



অভিহিত- কোৱা হয়।

অসঃ অনুঃ — (গৃহস্থৰ ঘৰলৈ) আগমন কৰা অতিথিক (শাস্ত্রবিহিত) নিয়ম অনুসৰি সৎকাৰ বা পৰিচর্যা কৰি সামর্থ্য অনুসৰি আসন, পানী আৰু আহাৰ প্রদান কৰিব লাগে।

১০০। গঃ পাঃ — শিলান্ অপি উঞ্ছতঃ নিত্যং পঞ্চাগ্নীন্ অপি জুহ্বতঃ ব্রাহ্মণঃ অনর্চিতঃ বসন্ সর্বং সুকৃতম্ আদত্তে।

শিলান্ অপি উঞ্ছতঃ — শস্যৰ থোৰ আহৰণ কৰি জীৱিকা নির্বাহ কৰা।

নিত্যং — সদায়

পঞ্চাগ্নীন্ অপি জুহ্বতঃ — পঞ্চাগ্নিত হোম কৰা (গৃহস্থৰ) ঘৰত)

ব্রাহ্মণঃ অনর্চিতঃ যসন্ — (কোনো) ব্রাহ্মণ (অতিথি) সৎকাৰ অবিহনে থাকিব লাগে

সর্বং সুকৃতং আদত্তে — (তেন্তে গৃহস্থৰ) সকলো পুণ্য লৈ যায়।

অসঃ অনুঃ — শস্যৰ থোৰ আহৰণ কৰি জীৱিকা নির্বাহ কৰা আৰু সদায় পঞ্চাগ্নিত হোম কৰা গৃহস্থৰ ঘৰত যদি ব্রাহ্মণ অতিথিয়ে সৎকাৰ অবিহনে থাকিব লগা হয় তেন্তে অতিথিয়ে গৃহস্থৰ সকলো পুণ্য লৈ যায়।

১০১। গঃ পাঃ — তৃণানি ভূমিঃ উদকং সুনৃতা বাক্ং চতুর্থী চ এতানি অপি সতাং গৃহে কদাচন ন উচ্ছিদ্যন্তে।

তৃণানি — তৃণ বা খেৰ

ভূমিঃ — মাটি

উদকং — পানী

সুন্তা বাক্ চতুর্থী চ — আৰু চতুর্থতে সত্য তথা প্রিয় বচন

সতাং গৃহে — সজ লোকৰ গৃহত

কদাচন — কোতিয়াও

ন উচ্ছিদ্যন্তে — নাইকিয়া নহয়।

অসঃ অনুঃ — (শয়নৰ বাবে) তৃণ বা খেৰ (বহিবৰ বাবে) মাটি (পাদপ্রক্ষালন বা ভৰি ধুবলৈ) পানী আৰু চতুর্থতে সত্য আৰু প্রিয়া বচন (অন্নৰ অভাব হ'লেও) সজলোকৰ গৃহত কেতিয়াও নাইকিয়া নহয়।।

১০২। গঃ পাঃ — ব্রাহ্মণঃ একৰাত্রং তু নিৱসন্ অতিথিঃ স্মৃতঃ। যস্মাৎ হি অনিত্যং স্থিতঃ তস্মাৎ অতিথিঃ উচ্যতে।

ব্রাহ্মণঃ — ব্রাহ্মণে

একৰাত্রং তু নিবসন্ — এৰাতি (আনৰ গৃহত) অৱস্থান কৰি বা থাকি

অতিথিঃ স্মৃতঃ — অতিথি ৰূপে অভিহিত হয়

যস্মাৎ হি — যিহেতু

অনিত্যং স্থিতঃ — স্থায়ীভাৱে অৱস্থান নকৰে

তস্মাৎ — সেয়েহে

অতিথিঃ উচ্যতে — অতিথি বুলি কোৱা হয়।

অসঃ অনুঃ — (আনৰ গৃহত) এৰাতি থকা ব্ৰাহ্মণ অতিথি ৰূপে **অভিহিত** হয়। যিহেতু স্থায়ীভাৱে বাস নকৰে সেয়েহে তেওঁক অতিথি বুলি কোৱা হয়।

১০৩। যত্র ভার্যা অগ্নয়ঃ অপি বা একগ্রামীণং তথা সাঙ্গতিকং বিপ্রং গৃহে উপস্থিতং অতিথিং ন বিদ্যাৎ।

যত্র ভার্যা অগ্নয়ঃ অপি বা — য'ত (যাৰ গৃহত) ভার্য্য আৰু অগ্নি (বিদ্যমান) তথা সাঙ্গতিকং একগ্রামীণং বিপ্রং গৃহে উপস্থিতম্ — একে গাঁৱত বাস কৰা, বিচিত্র পৰিহাসযুক্ত কথাৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰা ব্ৰাহ্মণ গৃহত উপস্থিত হ'লেও

অতিথিং ন বিদ্যাৎ — অতিথিৰূপে অভিহিত নহয়।

অসঃ অনুঃ — যাৰ গৃহত ভার্যা আৰু অগ্নি বিদ্যমান তেনে গৃহত একে গাঁৱত বাস কৰা, বিচিত্র পৰিহাসযুক্ত কথাৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰা ব্ৰাহ্মণ গৃহত উপস্থিত হ'লেও অতিথিৰূপে অভিহিত নহয়।

১০৪। গঃ পাঃ — যে গৃহস্থাঃ পৱপাকম্ উপাসতে তে অবুদ্ধয়ঃ তেন প্রেত্য অন্নাদিদায়িনাং পশুতাং ব্রজন্তি।

যে গৃহস্থাঃ — যিসকল গৃহস্থই

পৱপাকম্ উপাসতে — আনৰ (গৃহত) ভোজনাদি কৰে

তে অবুদ্ধয়ঃ — সেই মূৰ্খ বা বুদ্ধিহীন লোকসকলে

তেন — তাৰ দ্বাৰা অর্থাৎ আনৰ অন্নগ্রহণ ৰূপ পাপৰ দ্বাৰা

প্রেত্য — মৃত্যুৰ পিছত

অন্নাদিদায়িনাং — অন্নাদি ভোজনদাতাৰ (গৃহত)

পশুতাং ব্রজন্তি — পশুৰূপে জন্ম লয়।

অসঃ অনুঃ — যিসকল গৃহস্থই আনৰ (গৃহত) ভোজনাদি কৰে সেই মূৰ্খ বা বুদ্ধিহীনসকলে তাৰ দ্বাৰা অর্থাৎ আনৰ অন্নগ্রহণৰূপ পাপৰ দ্বাৰা মৃত্যুৰ পিছত অন্নাদি ভোজনদাতাৰ (গৃহত) পশুৰূপে জন্ম লয়।

১০৫। গঃ পাঃ — **গৃহমেধিনা** সায়ং সূর্যোঢঃ অতিথিঃ অপ্রণোদ্যঃ। কালে প্রাপ্তঃ অকালে বা তু অস্য গৃহে অনশ্নন ন বসেৎ।

গৃহমেধিনা — গৃহস্থৰ দ্বাৰা

সায়ং — সন্ধ্যা

সূর্যোধঃ — সূর্য্য অস্ত যোৱাৰ পিছত অহা

অতিথিঃ — অতিথিক

অপ্রণোদ্যঃ — ঘূৰাই পঠিয়াব নালাগে।

কালে প্রাপ্তঃ অকালে বা তু — (অতিথি) সময়তে আহক নাইবা অসময়তে আহক

অস্য গৃহে — এওঁৰ গৃহত



পঞ্চাগ্নয়ঃ = পাঁচ প্রকাৰৰ অগ্নি। সেয়া হৈছে— দক্ষিণাগ্নি, গার্হপত্য, আহ্বনীয়, আবসথ্য আৰু সভ্য।

অনশ্নন ন বসেৎ — (তেওঁক) ভোজন নকৰোৱাকৈ নাথাকিব।

অসঃ অনুঃ — গৃহস্থই সন্ধ্যা সূর্য্য অস্ত যোৱাৰ পিছত অহা অতিথিক ঘূৰাই পঠিয়াব নালাগে। সময়তেই আহক নাইবা অসময়তেই আহক এওঁৰ গৃহত (অতিথিক) ভোজন নকৰোৱাকৈ নাথাকিব।

১০৬। গঃ পাঃ — যৎ অতিথিং ন ভোজয়েৎ তৎ ৰৈ স্বয়ং ন অশ্নীয়াৎ। অতিথি-পূজনং ধন্যং যশস্যম্ আয়ুষ্যং স্বর্গ্যম্ বা।

যৎ অতিথিং ন ভোজয়েৎ — যিটো অতিথিক খুওৱা নহয়

তৎ ৰৈ স্বয়ং ন অশ্নীয়াৎ — সেইটো নিজেও খোৱা উচিত নহয়

অতিথিপূজনং — অতিথি সৎকাৰে

ধন্যং যশস্যম্ আয়ুষ্যং স্বর্গ্যং বা — ধন, যশ, আয়ুস আৰু স্বর্গ (লাভ কৰায়)

অসঃ অনুঃ — যিটো (বস্তু) অতিথিক খুওৱা নহয় সেইটো নিজেও খোৱা নহয়। অতিথি সৎকাৰে ধন যশ আয়ুস আৰু স্বর্গ (লাভ কৰায়)।

১০৭। গঃ পাঃ — আসনাবসথৌ শয্যাম্ অনুব্রজ্যাম্ উপাসনাম্ উত্তমেষু উত্তমং সমে সমং হীনে হীনং কুর্যাৎ।

আসনাৱসথৌ — আসন আৰু বিশ্রামৰ স্থান

শয্যাম্ — শয্যা অর্থাৎ বিচনা আদি

অনুব্রজ্যাম্ — অনুগমন

উপাসনাম্ — পৰিচর্য্যা বা সেৱা শুশ্রূষা

উত্তমেষু উত্তমং — উত্তমজনক উত্তমভাৱে

সমে সমং — সমানজনক সমভাবে

হীনে হীনং — হীনজনক হীনভাৱে

কুর্য্যাৎ — (প্রদান) কৰিব লাগে।

গৃহমেধী - গৃহস্থ

অসঃ অনুঃ — (বহু অতিথিৰ একেলগে আগমন হ'লে) আসন, বিশ্রামৰ স্থান, শয্যা বা বিচনা আদি, অনুগমন, সেৱা শুশ্রূষা আদি (অতিথিৰ শ্রেণী অনুসৰি) উত্তমজনত উত্তমভাৱে, সমানজনক সমভাৱে আৰু হীনজনত হীনভাবে (প্রদান) কৰিব লাগে।

যৎ - ইয়াত যৎ শব্দেৰে ঘৃত, দধি আদি উৎকৃষ্ট বস্তু বুজোৱা হৈছে।

জানি থোৱা ভাল



মনুসংহিতাৰ তৃতীয় অধ্যায়ৰ বিষয়বস্তু হৈছে— ব্রহ্মচর্য্য বিধি, বিবাহৰ বাবে কন্যাকুল নির্বাচন, আঠপ্রকাৰৰ বিবাহ আৰু সেইসমূহৰ বিধি, ব্রহ্মযজ্ঞ আৰু অগ্নিহোত্র বিধান, গৃহস্থাশ্রমৰ মহত্ত্ব, পঞ্চমহাযজ্ঞ, পঞ্চপাপ মোচনৰ বিধি, গৃহস্থৰ ভোজন, শ্রোত্রিয় ব্রাহ্মণৰ প্রশংসা, শ্রাদ্ধ সম্বন্ধীয় বিধান আদি।

ধন্যং - ধনায় হিতং ধনস্য নিমিত্তং বা।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ তলৰ শ্লোক দুটিৰ গদ্যপাঠ লিখক।

(ক) সম্প্রাপ্তায় ত্বতিথয়ে প্রদদ্যাদাসনোদকে।
অন্নং চৈৰ যথাশক্তি সৎকৃত্য বিধিপূর্বকম্।।

.....

.....

(খ) একৰাত্রং তু নিবসন্নতির্থির্ব্রাহ্মণঃ স্মৃতঃ।
অনিত্যং হি স্থিতো যস্মাত্তস্মাদতিথিৰুচ্যতে।।

.....

.....

প্রশ্ন নং ২ ঃ তলৰ শ্লোক দুটিৰ অসমীয়া অনুবাদ কৰক।

(ক) উপাসতে যে গৃহস্থাং পৰপাকমবুদ্ধয়ঃ।
তেন তে প্রেত্য পশুতাং ব্রজন্ত্যন্নাদিদায়িনাম্।।

.....

.....

(খ) ন ৱৈ স্বয়ং তদশ্নীয়াদতিথিং যন্ন ভোজয়েৎ।
ধন্যং যশস্যমায়ুষ্যং স্বর্গ্যং ৱাতিথিপূজনম্।।

.....

.....

৪.৫ পাঠ্যাংশৰ সাৰাংশ

এই অংশত আপুনি নির্ধাৰিত পাঠ্যাংশত থকা শ্লোকসমূহৰ বিষয়বস্তুৰ সাৰাংশটি লাভ কৰিব।

মনুস্মৃতিৰ তৃতীয় অধ্যায়ৰ নির্ধাৰিত পাঠ্যাংশত অতিথিপূজনৰ সুন্দৰ বর্ণনা উপলব্ধ হ'ল। এই অংশত কোৱা হৈছে যে গৃহস্থৰ ঘৰলৈ অহা অতিথিক শাস্ত্রৰ বিধান অনুসৰি সৎকাৰ বা পৰিচর্যা কৰিব লাগে। গৃহস্থই নিজৰ সামর্থ্য অনুসৰি অতিথিক বহিবলৈ আসন, ভৰি ধুবলৈ পানী আৰু ভোজনৰ বাবে আহাৰ প্রদান কৰিব লাগে। গৃহস্থই ব্রাহ্মণ অতিথিক সৎকাৰ কৰাটো নিতান্ত প্রয়োজন। শস্যৰ যোৰ আহৰণ কৰি জীৱিকা নির্বাহ কৰা আৰু পঞ্চাগ্নিত হোম কৰা গৃহস্থৰ ঘৰলৈ আহি যদি ব্রাহ্মণ অতিথি এজনে সৎকাৰ অবিহনে থাকিব লগা হয় তেন্তে সেই অতিথিয়ে গৃহস্থৰ সকলো পুণ্য লৈ আঁতৰি যায়।

সজ লোকৰ গৃহত অতিথিৰ সৎকাৰৰ বাবে ভোজনৰ ব্যৱস্থা নাথাকিলেও আন

চাৰিপ্ৰকাৰৰ বস্তুৰ কেতিয়াও অভাৱ নহয়। সেই সমূহ হৈছে— শয়নৰ বাবে তৃণ বা খেৰ, বহিবৰ বাবে ভূমি বা মাটি, পাদপ্ৰক্ষালন বা ভৰি ধুবলৈ পানী আৰু চতুৰ্থতে প্ৰিয় বা মধুৰ বচন। মনুস্মৃতিৰ এই অতিথি সৎকাৰ সম্পৰ্কে থকা আলোচনাত কোৱা হৈছে যে আনৰ গৃহত এৰাতি থকা ব্ৰাহ্মণক অতিথিৰূপে চিহ্নিত কৰা হয়। অতিথি বুলি তেওঁক এইবাবেই কোৱা হয় যিহেতু তেওঁ স্থায়ীভাৱে কোনো গৃহত বাস নকৰে। কিন্তু একে গাঁৱত বাস কৰা আৰু বিচিত্ৰ পৰিহাসযুক্ত কথাৰে জীৱন নিৰ্বাহ কৰা ব্ৰাহ্মণ এজন যদি ভাৰ্যা আৰু অগ্নি থকা গৃহত উপস্থিত হয় তেন্তে তেনে ব্যক্তি অতিথিৰূপে বিবেচিত নহয়। আকৌ যিয়ে আতিথ্যৰ লোভত আনৰ গৃহত ভোজনাদি কৰে সেইসকল হৈছে বুদ্ধিহীন আৰু তেওঁ আনৰ অন্ন গ্ৰহণৰূপ পাপত লিপ্ত। মৃত্যুৰ পিছতো তেওঁ অন্নাদি ভোজন দাতাৰ গৃহত পশুৰূপে জন্ম লয়। সূৰ্য্য অস্ত যোৱাৰ পিছত যদি কোনো অতিথিৰ আগমন ঘটে তেনে অতিথিক ঘূৰাই পঠিওৱা উচিত নহয়। অতিথিৰ আগমন সময়তেই হওঁক বা অসময়তেই হওঁক তেওঁক ভোজন কৰোৱাটো নিতান্ত প্ৰয়োজন। গৃহস্থই যি উৎকৃষ্ট বস্তু অৰ্থাৎ ঘিউ, দৈ আদি উৎকৃষ্ট বস্তু অতিথিক প্ৰদান নকৰে সেয়া তেওঁ নিজেও গ্ৰহণ কৰা উচিত নহয়। অতিথি সৎকাৰৰ দ্বাৰা গৃহস্থই ধন, যশ, আয়ুস আৰু স্বৰ্গ লাভৰ দ্বাৰা উপকৃত হ'ব পাৰে। যেতিয়া কেবাজনো অতিথিৰ একেলগে আগমন হয় আৰু তেওঁলোকৰ শ্ৰেণীৰ তাৰতম্য থাকে তেন্তে তেওঁলোকৰ প্ৰতি আগবঢ়োৱা সৎকাৰৰো শ্ৰেণী অনুসৰি তাৰতম্য থাকে। সেই অনুসৰি উত্তমজনক উত্তম ধৰণৰ আসনাদি প্ৰদান কৰিব লাগে। তদুপৰি সমানজনক সমভাৱে আৰু হীনজনক হীনভাৱে সেৱা আগবঢ়াব লাগে।

এনেদৰে গৃহস্থৰ অতিথিপূজনৰূপ কৰ্তব্যৰ বিষয়ে মনুস্মৃতিৰ তৃতীয় অধ্যায়ৰ নিৰ্ধাৰিত পাঠ্যক্ৰমত উপস্থাপন কৰা হৈছে।



জানি থোৱা ভাল

মনুসংহিতাৰ তৃতীয় অধ্যায়ত কোৱা হৈছে যে মহৰ্ষিসকলে গৃহস্থৰ বাবে নিত্যপালনীয় পাঁচটা মহাযজ্ঞৰ বিধান দিছে। সেই সমূহ হ'ল— ব্ৰহ্মযজ্ঞ, পিতৃযজ্ঞ, দেৱযজ্ঞ, ভূতযজ্ঞ আৰু নৃ যজ্ঞ। বেদৰ অধ্যয়ন অধ্যাপন হ'ল ব্ৰহ্ম যজ্ঞ। তৰ্পণ হ'ল পিতৃযজ্ঞ। হোম হ'ল দেৱযজ্ঞ। পশুপক্ষীক অন্নাদি দান ভূতযজ্ঞ আৰু অতিথি সেৱা হ'ল নৃ যজ্ঞ। মনুসংহিতা গ্ৰন্থত এই কথা তলৰ শ্লোকটিত উল্লেখ কৰা হৈছে—

অধ্যাপনং ব্ৰহ্মযজ্ঞঃ পিতৃযজ্ঞস্তু তৰ্পণম্
হোমো দৈৱো বলিভৌতো নৃযজ্ঞো' তিথিপূজনম্।।

যি গৃহস্থই এই পঞ্চমহাযজ্ঞ ত্যাগ নকৰে তেওঁ পঞ্চপাপৰপৰা মুক্ত হয়।

৪.৬ কেতবোৰ শ্লোকৰ ব্যাখ্যা

এই অংশত নির্ধাৰিত পাঠ্যাংশৰ কেতবোৰ শ্লোকৰ ব্যাখ্যা আগবঢ়োৱা হৈছে।

শ্লোক সংখ্যা - ৯৯ — সম্প্রাপ্তায় ত্বতিথয়ে প্রদদ্যাদাসনোদকে।
অন্নং চৈৰ যথাশক্তি সৎকৃত্য বিধিপূর্বকম্।।

উক্ত শ্লোকটি মনুসংহিতা গ্রন্থৰ তৃতীয় অধ্যায়ৰ পৰা উদ্ধৃত কৰা হৈছে।

গৃহস্থই অতিথিক কিদৰে শুশ্রূষা আগবঢ়াব লাগে, সেই বিষয়ে এই শ্লোকত ব্যক্ত কৰা হৈছে।

ভাৰতীয় সংস্কৃতিৰ আদর্শ অনুসৰি অতিথিক দেৱতা জ্ঞান কৰিব লাগে। তৈত্তিৰীয় উপনিষদত উল্লেখ আছে— 'অতিথি দেৱো ভৱ'। ঘৰলৈ যি অতিথিৰ আগমন ঘটে তেওঁক গৃহস্থই যথাবিধি সৎকাৰ কৰিব লাগে। অতিথিক বহিবলৈ আসন আৰু ভৰি ধুবলৈ পানীৰ ব্যৱস্থা কৰিব লাগে। অতিথিয়ে যাতে **ক্ষুধার্ত** হৈ থাকিব নালাগে তাৰ বাবে গৃহস্থই ভোজনৰ ব্যৱস্থাও কৰিব লাগে। এনেদৰে গৃহস্থই নিজৰ সামর্থ্য অনুসৰি যথাসাধ্য অতিথিৰ শুশ্রূষাৰ ব্যৱস্থা কৰাটো বাঞ্ছনীয়।

১০১) তৃণানি ভূমিৰোদকং বাক্‌চতুর্থী চ সুনৃতা।
এতান্যপি সতাং গেহে নোচ্ছিদ্যন্তে কদাচন।।

ব্যাখ্যেয় শ্লোকটো মনুসংহিতাৰ তৃতীয় অধ্যায়ৰ অন্তর্গত।

গৃহস্থই গৃহত ভোজনৰ অভাৱ হ'লেও কিদৰে অতিথি সৎকাৰ কৰিব পাৰে সেই কথাকেই উক্ত শ্লোকত প্রকাশ পাইছে।

শাস্ত্রত গৃহস্থৰ বাবে পঞ্চমহাযজ্ঞৰ বিধান দিয়া হৈছে। এই পঞ্চমহাযজ্ঞসমূহৰ ভিতৰত এটা হৈছে নৃ যজ্ঞ। অতিথি সৎকাৰেই হৈছে এই নৃ যজ্ঞ। মনুৱে ঘোষণা কৰিছে যে যদি কোনো গৃহস্থৰ ঘৰত অতিথিৰ ভোজনৰ বাবে অন্নৰ অভাৱ হয় তথাপি অন্য চাৰি ধৰণে তেওঁক সৎকাৰ আগবঢ়াব পৰা যায়। সেইসমূহ হৈছে তৃণ, ভূমি, জল আৰু প্রিয় কথা। অতিথিৰ আগমনৰ লগে লগে তেওঁৰ ভৰি প্রক্ষালন কৰিবলৈ বা ধুবলৈ পানী দিব লাগে। ইয়াৰ পিছত বহিবলৈ ভূমিত ব্যৱস্থা কৰিব লাগে আৰু শয়নৰ বাবে তৃণ নাইবা খেৰ পাৰি দিব লাগে। ইয়াৰ উপৰিও সুমধুৰ বচনেৰে অতিথিৰ মনত আনন্দ দিব লাগে। কোনো গৃহস্থৰ ঘৰত কেতিয়াবা ভোজনৰ বাবে অন্নৰ অভাৱ হ'লেও উক্ত চাৰিপ্রকাৰে সৎকাৰ আগবঢ়াব পাৰে, যিসমূহৰ কেতিয়াও অভাৱ নহয়। এয়াই সজ গৃহস্থৰ লক্ষণ।



ক্ষুধার্ত - ভোকত কাতৰ।

শ্লোক-১০৫ — অপ্রণোদ্যো'তিথিঃ সায়ং সূর্যোঢো গৃহ মেধিনা।
কালে প্রাপ্তস্ত্বকালে বা ন্যস্যানশ্নন্‌গৃহে বসেৎ।।

উক্ত শ্লোকটি মনুসংহিতাৰ তৃতীয় অধ্যায়ৰ পৰা উদ্ধৃত কৰা হৈছে।

সময় বা অসময় লক্ষ্য নকৰি ঘৰলৈ আগমন কৰা অতিথিৰ প্রতি যে প্রকৃত সৎকাৰ

আগবঢ়াব লাগে আৰু বিমুখ কৰি ওভতাই পঠিয়াব নালাগে, এই শ্লোকত উক্ত সেই কথা হৈছে।

গৃহস্থৰ বাবে অতিথি সৎকাৰ অতিশয় গুৰুত্বপূর্ণ। কোনোবা অতিথি যদি সূর্য্য অস্ত যোৱাৰ পিছত আগমন কৰে তেন্তে সেই সময়ত আহিলেও গৃহস্থই তেওঁক উভতি যাবলৈ কোৱাটো উচিত নহয়। কাৰণ নিশাৰ আগমনৰ বাবে সেই সময়ত তেওঁ নিজ গৃহলৈ গমন কৰিবলৈ অপাৰগ হয়। অতিথিয়ে সময়তেই আগমন কৰক নাইবা অসময়তেই আগমন কৰক গৃহস্থই তেওঁক ভোজনৰ পৰা বঞ্চিত কৰিব নালাগে। অর্থাৎ গৃহস্থৰ ভোজনাদি সমাপন হোৱাৰ পিছতো যদি অতিথিৰ আগমন হয় তেন্তে সেই অতিথিকো বিমুখ নকৰি ভোজন কৰাব লাগে বিষ্ণুপুৰাণত কোৱা হৈছে যে সূর্য অস্ত যোৱাৰ পিছত অহা অতিথি যদি বিমুখ হৈ উভতি যাব লগা হয় তেন্তে তেওঁ অন্য সময়ত অতিথিক বিমুখ কৰা গৃহস্থতকৈ আঠ গুণ অধিক পাতক ৰূপে চিহ্নিত হয়।

শ্লোক -১০৬ — ন বৈ স্বয়ং তদশ্নীয়াদতিথিং যন্ন ভোজয়েৎ।
ধন্যং যশস্যমায়ুষ্যং স্বর্গ্যং ৱাতিথিপূজনম্।।

১০৬) উক্ত শ্লোকটি মনুসংহিতা গ্রন্থৰ তৃতীয় অধ্যায়ৰ পৰা তুলি দিয়া হৈছে।

অতিথিক যে গৃহস্থই হেয় ভাব প্রদর্শন কৰিব নালাগে আৰু অতিথি পূজনৰূপ পবিত্র কর্তব্যৰ দ্বাৰা যে গৃহস্থই পুণ্য অর্জন কৰে সেই কথা ইয়াত উপস্থাপন কৰা হৈছে।

অতিথিৰ আগমন হ'লে গৃহস্থই তেওঁক সর্বতোপ্রকাৰে সৎকাৰ আগবঢ়াব লাগে। অতিথিক আসন, শয্যা তথা ভোজন আদি প্রদানৰ জৰিয়তে গৃহস্থই অতিথিক শুশ্রূষা কৰিব লাগে। অতিথিক যিধৰণৰ ভোজন গৃহস্থই প্রদান কৰে নিজেও তেনে ভোজনেই গ্রহণ কৰিব লাগে। যদি কোনো গৃহস্থই অতিথিক ঘৃত, দধি আদি উৎকৃষ্ট ভোজন প্রদান কৰিবলৈ নিবিচাৰে তেন্তে তেওঁ নিজেও তেনে ভোজন গ্রহণ কৰা উচিত নহয়। অর্থাৎ অতিথিক প্রদান নকৰা কোনো ভোজন গৃহস্থই নিজে গ্রহণ কৰাটো উচিত নহয়। অতিথি সৎকাৰ গৃহস্থৰ বাবে অতি পবিত্র কর্তব্য আৰু ইয়াৰ দ্বাৰা অর্জন কৰা পুণ্যৰ বলত তেওঁ ধন যশ আৰু আয়ুসৰ লগতে স্বর্গও লাভ কৰিবলৈ সক্ষম হয়।

শ্লোক -১০৭ — আসনাবসথৌ শয্যামনুব্রজ্যামুপাসনাম্।
উত্তমেষূত্তমং কুর্যাদ্ৱীনে হীনং সমে সমম্।।

১০৭) মনুসংহিতা গ্রন্থৰ তৃতীয় অধ্যায়ৰ পৰা উক্ত শ্লোকটি উদ্ধৃত কৰা হৈছে।

বহু অতিথিৰ আগমন হ'লে যে অতিথিৰ উচ্চ বা নিম্ন শ্রেণী অনুসৰি তেওঁলোকৰ প্রতি সৎকাৰ আগবঢ়াব লাগে সেই কথাকেই এই শ্লোকত ব্যক্ত কৰা হৈছে।

কেতিয়াবা গৃহস্থৰ ঘৰলৈ বহু অতিথিৰ একেলগে আগমন হয়। এই অতিথিসকল কেতিয়াবা সমাজৰ ভিন্ন শ্রেণী বিশিষ্ট হয়। এনে ক্ষেত্রত অতিথিসকলৰ শ্রেণী অনুসৰি গৃহস্থই সেৱা আগবঢ়োৱা উচিত। আসন, শয্যা, অনুগমন আদিৰ জৰিয়তে অতিথিক যি সেৱা আগবঢ়োৱা হয় সেয়া উত্তম শ্রেণীৰ লোকৰ ক্ষেত্রত উত্তমভাৰে সমান শ্রেণীৰ ক্ষেত্রত সমভাৰে তথা হীনৰ ক্ষেত্রত হীনভাৰে হোৱা উচিত। অর্থাৎ উচ্চ বা নিম্ন শ্রেণীৰ তাৰতম্য অনুসৰি অতিথি সৎকাৰো ভিন্ন শ্রেণীৰ ক্ষেত্রত ভিন্ন ধৰণৰ হ'ব লাগে— এয়ে হৈছে শ্লোকটিৰ তাৎপর্য্য।



জানি থোৱা ভাল

গৃহস্থই কিদৰে অতিথি সৎকাৰ কৰিব লাগে এই বিষয়ে মনুস্মৃতিত যি আলোচনা আগবঢ়োৱা হৈছে বশিষ্ঠ ধর্মসূত্রতো সেয়া একেধৰণেই উল্লেখ আছে। মনুস্মৃতিত থকাৰ দৰে বশিষ্ঠ ধর্মসূত্রতো কোৱা হৈছে যে যি ব্রাহ্মণে এৰাতিৰ বাবে কোনো গৃহস্থৰ ঘৰলৈ আগমন কৰে তেওঁকেই অতিথি বুলি কোৱা হয়। তদুপৰি একে গাঁৱতে বাস কৰা লোক এজন অতিথিৰূপে বিবেচিত নহয়। মনুৰ দৰে বশিষ্ঠই ইয়াকো কৈছে যে সন্ধ্যা সময়ত অহা অতিথিক ওভতাই পঠিওৱা উচিত নহয়। যেতিয়া কোনো ব্রাহ্মণে গৃহস্থৰ ঘৰলৈ আগমন কৰে আৰু গৃহস্থই তেওঁক ভোজন নকৰায় তেনে অতিথিয়ে গৃহস্থৰ সকলো পুণ্য লৈ আঁতৰি যায়। অতিথি সময়তেই আহক নাইবা অসময়তেই আহক গৃহস্থই তেওঁক ভোজন নকৰোৱাকৈ থাকিব নালাগে। এনেদৰে বশিষ্ঠ ধর্মসূত্রত মনুসংহিতাত পোৱা কথা একেধৰণে উপলব্ধ হয়।

৬.৭ সন্ধিযুক্ত শব্দৰ সন্ধি বিচ্ছেদ

এই অংশত কেতবোৰ সন্ধিযুক্ত শব্দৰ সন্ধিবিযুক্ত ৰূপসমূহ জানিব পাৰিব।

শ্লোকসংখ্যা	সন্ধিযুক্ত শব্দ	সন্ধি বিচ্ছেদ
৯৯	ত্বতিথয়ে	তু + অতিথয়ে
	প্রদদ্যাদাসনোদকে	প্রদদ্যাৎ + আসনোদকে
১০০	শিলানপ্যুঞ্ছতো	শিলান্ + অপি + উঞ্ছতঃ
	পঞ্চাগ্নীনপি	পঞ্চাগ্নীন্ + অপি
	ব্রাহ্মণো'নর্চিতো	ব্রাহ্মণঃ + অনর্চিতঃ
১০১	বাক্চতুর্থী	বাক্ + চতুর্থী
	এতান্যপি	এতানি + অপি
	নোচ্ছিদ্যন্তে	ন + উচ্ছিদ্যন্তে
১০২	নিবসন্নতিথির্ব্রাহ্মণঃ	নিবসন্ + অতিথিঃ + ব্রাহ্মণঃ
	যস্মাত্তস্মাদতিথিৰুচ্যতে	যস্মাৎ + তস্মাৎ + অতিথিঃ + উচ্যতে
১০৩	যত্রাগ্নয়ো'পি	যত্র + অগ্নয়ঃ + অপি
১০৪	পৰপাকমবুদ্ধয়ঃ	পৰপাকম্ + অবুদ্ধয়ঃ
১০৫	অপ্রণোদ্যো'তিথিঃ	অপ্রণোদ্যঃ + অতিথিঃ
	প্রাপ্তস্ত্বকালে	প্রাপ্তঃ + তু + অকালে
	নাস্যানশ্নন্গৃহে	ন + অস্য + অনশ্নন্ + গৃহে
১০৬	তদশ্নীয়াদতিথিং	তৎ + অশ্নীয়াৎ + অতিথিং
	যশস্যমায়ুষ্যং	যশস্যম্ + আয়ুষ্যং

	ৰাতিথিপূজনম্	ৰা + অতিথিপূজনম্
১০৭	শয্যামনুব্রজ্যামুপাসনাম্	শয্যাম্ + অনুব্রজ্যাম্ + উপাসনাম্
	উত্তমেষূত্তমং	উত্তমেষু + উত্তমং
	কুর্যাদ্ধীনে	কুর্য্যৎ + হীনে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গৃহস্থ এজনে অতিথিক কিদৰে সৎকাৰ কৰিব লাগে?

.....

.....

প্রশ্ন নং ৪ ঃ অতিথিয়ে কেতিয়া গৃহস্থৰ সকলো পুণ্য লৈ আঁতৰি যায়?

.....

.....

প্রশ্ন নং ৫ ঃ ভোজনৰ ব্যৱস্থা নথকা গৃহস্থই কিদৰে অতিথি সৎকাৰ কৰা উচিত?

.....

.....

প্রশ্ন নং ৬ ঃ অতিথি কাক কোৱা হয় আৰু কিয় কোৱা হয়?

.....

.....

প্রশ্ন নং ৭ ঃ অতিথি সৎকাৰৰ জৰিয়তে গৃহস্থই কেনেদৰে উপকৃত হ'ব পাৰে?

.....

.....

প্রশ্ন নং ৮ ঃ তলৰ সন্ধিযুক্ত শব্দকেইটাৰ সন্ধি বিচ্ছেদ কৰক।

প্রদদ্যাদাসনোদকে

নোচ্ছিদ্যন্তে

প্রাপ্তস্ত্বকালে

উত্তমেষূত্তমং।



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- নির্ধাৰিত পাঠ্যক্রমৰ সংস্কৃত শ্লোকসমূহ জানিব পাৰিলে।
- শ্লোকসমূহৰ গদ্যপাঠ আৰু অসমীয়া অনুবাদসমূহ আয়ত্ব কৰিব পাৰিলে।
- শ্লোকসমূহৰ সাৰাংশৰ জৰিয়তে বিষয়বস্তুৰ সম্পূর্ণ আভাস এটি লাভ কৰিলে।
- শ্লোক ব্যাখ্যা কৰাৰ আৰ্হিৰ জৰিয়তে শ্লোকসমূহত ব্যাখ্যা কৰাৰ ধাৰণা লাভ কৰিলে।
- সন্ধিযুক্ত কেতবোৰ শব্দৰ সন্ধিবিযুক্ত ৰূপসমূহ জানিব পাৰিলে।



৪.৯ অধিক জানিবলৈ

১) ঝা, গঙ্গানাথ (সম্পাঃ) মনুস্মৃতি (মেধাতিথিৰ ভাষ্য সহিত), (১৯৩২) কলকাতাঃ এচিয়াটিক সোসাইটি অৰ বেঙ্গল।

২) শাস্ত্রী, জগদীশলাল, মনুস্মৃতি (কুল্লুকভট্টৰ ভাষ্য সহিত), (২০১০) দিল্লীঃ মতিলাল বানাৰসী দাস।

৩) হপকিন্স, এডৱার্ড ডব্লিউ (সম্পাঃ), (১৯৭২) হিন্দু পলিটি (দি অৰদিনেন্স অব্ মনু), লুধিয়ানাঃ কল্যাণী পাৰলিমার্স।



৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) ৯৯ নং শ্লোকৰ গদ্যপাঠ (খ) ১০২ নং শ্লোকৰ গদ্যপাঠ

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ১০৪ নং শ্লোকৰ অর্থ (খ) ১০৬ নং শ্লোকৰ অর্থ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৯৯ নং শ্লোকৰ অর্থটো লিখক।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১০০ নং শ্লোকৰ অর্থটো লিখক।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১০১ নং শ্লোকৰ অর্থটো লিখক।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১০২ নং শ্লোকৰ অর্থটো লিখক।

৭ নং প্রশ্নৰ উত্তৰ ঃ ১০৬ নং শ্লোকৰ অর্থটো লিখক।

৮ নং প্রশ্নৰ উত্তৰ ঃ প্রদদ্যাৎ + আসনোদকে

ন + উচ্ছিদ্যন্তে

প্রাপ্তঃ + তু + অকালে

উত্তমেষু + উত্তমং



৪.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ নিৰ্ধাৰিত পাঠ্যক্ৰমৰ যিকোনো পাঁচটা শ্লোক মুখস্থ লিখাৰ লগতে সেইবোৰৰ গদ্যপাঠ আৰু অৰ্থ লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ নিৰ্ধাৰিত পাঠ্যক্ৰমত থকা শ্লোকসমূহৰ বিষয়বস্তুৰ সাৰাংশ লিখক।

প্ৰশ্ন ২ ঃ ১০২ নং শ্লোকটিৰ ব্যাখ্যা লিখক।

*** ***** ***

অধ্যায় ৫ ঃ মনুসংহিতা (সপ্তম অধ্যায়ৰ মূলপাঠ, শ্লোকসংখ্যা ১-১৩)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শ্লোকসমূহৰ মূল সংস্কৃত পাঠ

৫.৪ শ্লোকসমূহৰ (১-১৩) গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদ

৫.৫ কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য

৫.৬ শ্লোকসমূহৰ সাৰাংশ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- মনুসংহিতাৰ সপ্তম অধ্যায়ৰ প্রথমৰ পৰা ত্রয়োদশ শ্লোকলৈ সংস্কৃত পাঠসমূহ জানিব পাৰিব
- শ্লোকসমূহত গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদবোৰ সম্যক ৰূপে জ্ঞাত হ'ব।
- কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্যসমূহৰ বিষয়ে অবগত হ'ব।
- শ্লোকসমূহৰ বিষয়বস্তুৰ সাৰাংশৰ লগত অৱগত হ'ব।

৫.২ পৰিচয়

ইতিমধ্যে আপুনি মনুসংহিতা সম্পর্কে এক সম্যক জ্ঞান লাভ কৰিছে। মনুসংহিতাৰ সপ্তম অধ্যায়টো অতি গুৰুত্বপূর্ণ। ইয়াত ৰাজধর্ম সম্পর্কে আলোচনা কৰা হৈছে।

এই অধ্যায়ত মনুসংহিতাৰ সপ্তম অধ্যায়ৰ প্রথম তেৰটা শ্লোকৰ অসমীয়া অনুবাদসমূহ আৰু সেইবোৰৰ তাৎপর্যসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।

৫.৩ শ্লোকসমূহৰ মূল সংস্কৃত পাঠ

১) ৰাজধর্মান্ প্রৰক্ষ্যামি যথাবৃত্তো ভৱেন্নৃপঃ।
সম্ভৱশ্চ যথা তস্য সিদ্ধিশ্চ পৰমা যথা।।

২) ব্রাহ্মং প্রাপ্তেন সংস্কাৰং ক্ষত্রিয়েন যথাৰিধি।
সর্ৱস্যাস্য যথান্যায়ং কর্তব্যং পৰিৰক্ষণম্।।

৩) অৰাজকে হি লোকেঽস্মিন্ সর্ৱতো ৰিদ্রুতে ভয়াৎ।
ৰক্ষার্থমস্য সর্ৱস্য ৰাজানমসৃজৎ প্রভুঃ।।

৪) ইন্দ্রানিলযমার্কানামগ্নেশ্চ ৰৰুণস্য চ।
চন্দ্রৱিত্তেশয়োশ্চৈৰ মাত্রা নির্হৃত্য শাশ্ৱতীঃ।।

৫) যস্মাদেষাং সুৰেন্দ্রানাং মাত্রাভ্যো নির্মিতো নৃপঃ।
তস্মাদভিভৱত্যেষ সর্ৱভূতানি তেজসা।।

৬) তপত্যাদিত্যৱচ্ছৈষ চক্ষূংষি চ মনাংসি চ।
ন চৈনং ভুৱি শক্নোতি কশ্চিদপ্য ভিৱীক্ষিতুম্।।

৭) সোঽগ্নির্ভৱতি ৰায়ুশ্চ সোঽর্কঃ সোমঃ স ধর্মৰাট্।
স কুৰেৰঃ স ৰৰুণঃ স মহেন্দ্রঃ প্রভাৱতঃ।।

৮) ৰালোঽপি নাৱমন্তব্যো মনুষ্য ইতি ভূমিপঃ।
মহতী দেৱতা হ্যেষা নৰৰূপেণ তিষ্ঠতি।।

৯) একমেৰ দহত্যগ্নির্ৱং দুৰুপসর্পিণম্।
কুলং দহতি ৰাজাগ্নিঃ সপণ্ড দ্রৱ্য সঞ্চয়ম্।।

১০) কার্যং মোঽৱেক্ষ্য শক্তিশ্চত দেশকালৌ চ তত্ত্ৱতঃ।
কুৰুতে ধর্মসিদ্ধ্যর্থং ৰিশ্ৱৰূপং পুনঃ পুনঃ।।

১১) যস্য প্রসাদে পদ্মা শ্রীর্ৱিজযশ্চ পৰাক্রমে।
মৃত্যুশ্চ ৱসতি ক্রোধে সর্ৱতেজোমযো হি সঃ।।

১২) তং যস্তু দ্ৱেষ্টি- সম্মোহাৎ স ৱিনশ্যত্যসংশযম্।
তস্য হ্যাশু ৱিনাশায় ৰাজা প্রকুৰুতে মনঃ।।

১৩) তস্মাদ্ধর্মং যমিষ্টেষু স ব্যৱস্যেন্নৰাধিপঃ।
অনিষ্টঞ্চাপ্য নিষ্টেষু তং ধর্মং ন ৱিচালযেৎ।।



দৃষ্ট আৰু অদৃষ্ট ফল—ইহলোক আৰু পৰলোকৰ ফল



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক—

(ক) ..... হি লোকেহ স্মিন্ সর্ৱতো ৱিদ্রুতে.....।
ৰক্ষার্থমস্য সর্ৱস্য ..... ।।

(খ) ..... নাৰমন্তৰ্য্যে মনুষ্য ইতি.....।
মহতী..... হ্যেষা ..... তিষ্ঠতি।
(গ) যস্য প্রসাদে ..... শ্রীর্ব্বিজয়শ্চ .....।
মৃত্যুশ্চ ৰসতি ..... হি সঃ।।

৩.৪ শ্লোকসমূহৰ (১-১৩) গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদ

(১) **গদ্যপাঠ ঃ** যথাবৃত্তঃ নৃপঃ ভৱেৎ (তথা) ৰাজধর্মান্ প্রৰক্ষ্যামি। যথা তস্য সম্ভৱঃ চ যথা চ পৰমা সিদ্ধিঃ (তদনি প্রৰক্ষ্যামি)।

কঠিন শব্দৰ অর্থ—

যথাবৃত্তঃ ভৱেৎ— যথাচাৰঃ ভাৱৎ (যি ধৰণৰ আচৰণ কৰিব লাগে)
ৰাজধর্মান্ — ৰাজ্ঞঃ কর্ত্তব্যানি (ৰজাৰ কর্তব্যসমূহ)
সম্ভৱঃ — উৎপত্তিঃ (উৎপত্তি)
পৰমাসিদ্ধি ঃ দৃষ্টাদৃষ্টফল সম্পত্তিঃ ***(দৃষ্ট আৰু অদৃষ্ট ফলৰ সিদ্ধি)***

অসমীয়া অনুবাদ— ৰজাই যি ধৰণে আচৰণ কৰিব লাগে সেই ৰাজধর্ম সম্পর্কে কম। যিদৰে তেওঁৰ উৎপত্তি আৰু যিদৰে দৃষ্ট আৰু অদৃষ্ট ফলৰ সিদ্ধি লাভ হয় (সেয়াও কম)।

(২) **গদ্যপাঠ ঃ** ব্রাহ্মং সংস্কাৰং যথাৰিধি প্রাপ্তেন ক্ষত্রিয়েণ অস্য
সর্বস্য যথান্যায়ং পৰিৰক্ষণং কর্তৰ্য্যম্।

কঠিন শব্দৰ অর্থ—

ব্রাহ্মং সংস্কাৰং — উপনয়নাদি সংস্কাৰং (উপনয়নাদি সংস্কাৰ)
যথাবিধি — যথাশাস্ত্রং (শাস্ত্র অনুসৰি)

অসমীয়া অনুবাদ — যথাবিধি উপনয়ন সংস্কাৰপ্রাপ্ত হোৱা ক্ষত্রিয়ই ন্যায় অনুসৰি (সকলো প্রজাক) ৰক্ষণাবেক্ষণ দিব।

(৩) **গদ্যপাঠ ঃ** অৰাজকে অস্মিন্ লোকে ভয়াৎ সর্ৱতঃ ৰিদ্রুতে (সতি) অস্য ৰিশ্বস্য ৰক্ষার্থং প্রভুঃ ৰাজানম্ অসৃজৎ।

কঠিন শব্দৰ অর্থ—

ৰিদ্রুতে — বিচলিতে। (এঠাইৰ পৰা আন ঠাইত অৱস্থান কৰিলে অর্থাৎ পলাই ফুৰিলে)

অসমীয়া অনুবাদ — যিহেতু এই পৃথিৱীত অৰাজকতাৰ সৃষ্টি হ'লে ভয়ত সকলোৱে পলাই ফুৰিব লগা হয়। সেয়ে এই বিশ্বৰ সুৰক্ষাৰ বাবে ঈশ্বৰে ৰজাৰ সৃষ্টি কৰিলে।

(৪) **(প্রভুঃ) ঃ** ইন্দ্রানিলযমার্কানাম্ অগ্নেঃ চ ৱৰুণস্য চ চন্দ্রৱিত্তেশয়োঃ চৈব শাশ্বতীঃ মাত্রা নিহৃত্য (ৰাজানম্ অসৃজৎ)।

কঠিন শব্দৰ অর্থ —

অনিলস্য বায়োঃ — (বায়ুৰ)

অৰ্কস্য — সূৰ্যস্য (সূৰ্যৰ)

ৱিত্তেশস্য — কুৰেৱস্য (কুবেৰৰ)

শাশ্বতীঃ — সাৰভূতান্ (সাৰভূত)

মাত্রাঃ — অংশাম (অবয়ব বা অংশক)

নিহৃত্য — নিষ্কৃষ্য (আহৰণ কৰি)

অসমীয়া অনুবাদ — (ঈশ্বৰে) ইন্দ্ৰ, বায়ু, যম, সূৰ্য, অগ্নি, বৰুণ, চন্দ্ৰ আৰু কুবেৰৰ সাৰভূত অংশ লৈ (ৰজাৰ সৃষ্টি কৰিছিল)।

(৫) **গদ্যপাঠ ঃ** যস্মাৎ নৃপঃ এষাং সুৰেন্দ্রানাং মাত্রাভ্যো নির্মিতঃ তস্মাৎ এষ ঃ সর্ৱভূতানি তেজসা অভিভৱতি।

কঠিন শব্দৰ অৰ্থ —

সুৰেন্দ্রানাম্ — দেৱশ্রেষ্ঠানাম্ (শ্রেষ্ঠদেৱতাসকলৰ)

সর্ৱভূতানি — সর্ৱপ্রাণিনঃ (সকলোবোৰ প্রাণীক)

তেজসা — ৱীৰ্যেন (শক্তিৰ দ্বাৰা)

অভিভৱতি — অতিশেতে (পৰাজিত কৰে বা বশীভূত কৰে)।

অসমীয়া অনুবাদ— যিহেতু এই শ্রেষ্ঠ দেৱতাসকলৰ অংশৰে ৰজাৰ সৃষ্টি হৈছে সেয়ে এই ৰজাই সকলো প্রাণীকে তেওঁৰ শক্তিৰে বশীভূত কৰে।

(৬) **গদ্যপাঠ ঃ** আদিত্যৱৎ এষঃ চক্ষূংষি মনাংসি চ তপতি। ভূৱি এনং কশ্চিদপি অভিৱীক্ষিতুং ন শক্নোতি।

কঠিন শব্দৰ অৰ্থ —

অভিৱীক্ষিতুং — আভিমুখ্যেন দ্রষ্টুং (মুখামুখিকৈ দর্শন কৰিবলৈ)

আদিত্যৱৎ — সূৰ্য ইৱ (সূৰ্যৰ)

অসমীয়া অনুবাদ— সূৰ্যৰ নিচিনাকৈ এই ৰজাই (স্বকীয় শক্তিৰ দ্বাৰা) চকু আৰু মনক তপ্ত কৰি ৰাখে। পৃথিৱীত কোনোৱে এওঁক মুখা মুখিকৈ দর্শন কৰিব নোৱাৰে।



জানি থোৱা ভাল

ৰজা এজনে বিনয় জ্ঞান আহৰণ কৰিব লাগে। বিনয়ী ৰজাৰ কেতিয়াও নাশ নহয়। বিনয়হীনতাৰ বাবে বেন, নহুষ সুদাস, সুমুখ আৰুনেমি ৰজাৰ বিনাশ হৈছিল। এই কথা মনুৱে কৈ গৈছে।

(৭) **গদ্যপাঠ ঃ** সঃ প্রভাৱতঃ অগ্নিঃ বায়ুঃ চ ভৱতি, সঃ অর্কঃ সোমঃ সঃ ধর্মৰাট্, সঃ কুৰেৱঃ সঃ ৱৰুণঃ সঃ মহেন্দ্রঃ।

কঠিন শব্দৰ অৰ্থ—

প্রভাৱতঃ — শক্তিতঃ (প্রভাৱ, শক্তি বা প্রতাপৰ বাবে)

অর্কঃ — সূর্যঃ (সূর্য)

ধর্মৰাট্ — যমঃ (যম)

সোমঃ — চন্দ্রঃ (চন্দ্র)

(নিজৰ) প্রতাপৰ বাবে তেওঁ অগ্নি, বায়ু, সূর্য, চন্দ্র, যম, কুবেৰ, বৰুণ আৰু মহেন্দ্রৰ দৰে।

(৮) মনুষ্য ইতি (এবং বুদ্ধ্যা) ভূমিপঃ বালোহপি ন অৱমন্তব্যঃ। এষা মহতী দেৱতা নৰৰূপেণ তিষ্ঠতি।

কঠিন শব্দৰ অর্থ—

ভূমিপঃ — ৰাজা (ৰজা)

অসমীয়া অনুবাদ — ৰজা এজন বালক বা সৰু ল'ৰা হ'লেও সাধাৰণ মানুহ এইবুলি (জ্ঞান কৰি) অবজ্ঞা কৰাটো উচিত নহয়। এওঁ মহান দেৱতা, মানৱৰূপত অৱস্থান কৰিছে।

(৯) দুৰূপসর্পিনং নৰম্ একম্ এৱ অগ্নিঃ দহতি। ৰাজাগ্নিঃ সপশুদ্রব্যসঞ্চয়ং কুলং দহতি।

কঠিন শব্দৰ অর্থ—

দুৰূপসর্পিণং — অনৱহিতঃ সমীপগানিনম্ (অতি সমীপলৈ যোৱা জনক)

কুল — ৱংশং (বংশক)

অসাৱধানতাৰে ওচৰলৈ যোৱা জনকহে কেৱল অগ্নিয়ে দহন কৰে। কিন্তু ৰাজাগ্নিয়ে পশু আৰু দ্রব্য সম্পত্তিৰ লগতে কুলকো দহন কৰে।

(১০) সঃ কার্য্যং শক্তিং দেশকালং চ অৱেক্ষ্য ধর্মসিদ্ধ্যর্থং তত্ত্বতঃ ৱিশ্বৰূপং (কৰোতি)।

কঠিন শব্দৰ অর্থ—

অৱেক্ষ্য — নিৰূপ্য (নিৰূপণ বা বিচাৰ কৰি)

ধর্মসিদ্ধ্যর্থং — কার্য্যসিদ্ধ্যর্থং (কার্য্যসিদ্ধিৰ বাবে)

ৱিশ্বৰূপং — নানাৰূপং প্রয়োজনানুৰূপেণ শত্রুৰ্ৱা, মিত্রং ৱা উদাসীনোৱা (প্রয়োজন অনুসৰি ধাৰণ কৰা মিত্র শত্রু আৰু উদাসীন আদি নানা ৰূপ)

অসমীয়া অনুবাদ — ধর্ম সিদ্ধিৰ কাৰণে তেওঁ কার্য্য, শক্তি আৰু স্থান, কাল ভালদৰে বিচাৰ কৰি সকলো ধৰণৰ ৰূপ বাৰে বাৰে ধাৰণ কৰিব পাৰে। (অর্থাৎ কোনো স্থানত শত্রু, কোনোবা বিষয়ত মিত্র আৰু কেতিয়াবা উদাসীন ৰূপ ধাৰণ কৰে)

(১১) গদ্যপাঠ ঃ যস্য প্রসাদে পদ্মা শ্রীঃ পৰাক্রমে চ বিজয়ঃ ক্রোধে চ মৃত্যুঃ ৱসতি সঃ হি সর্ৱতেজোময়ঃ।

কঠিন শব্দৰ অর্থ—

প্রসাদে — অনুগ্রহবিষয়ে (অনুগ্রহৰত)

পদ্মাশ্রীঃ — মহতী শ্রীঃ (বিপুল সম্পত্তি)

সর্ৱতেজোময়ঃ — সর্ৱশক্তিসম্পন্নঃ (সর্বশক্তিমান)

যাৰ অনুগ্রহত বিপুল সম্পত্তি, পৰাক্রমত বিজয় আৰু ক্রোধত মৃত্যুৱে বাস কৰে তেওঁ

নিশ্চিতভাৱে সৰ্বশক্তিমান।

(১২) গদ্যপাঠ ঃ যঃ তং সম্মোহাৎ দ্বেষ্টি সঃ অসংশয়ং ৰিনশ্যতি। তস্য হি আশু ৰিনাশায় ৰাজা মনঃ প্রকুৰুতে।

কঠিন শব্দৰ অর্থ—

সম্মোহাৎ — অজ্ঞতয়া (অজ্ঞানতাৰ বাবে)

দ্বেষ্টি — অপ্রীতিমুৎপাদয়তি (দেষ কৰে বা অসন্তুষ্টি দিয়ে)

আশু — শীঘ্রম্ (শীঘ্রে)

যি ব্যক্তিয়ে অজ্ঞানতাৰ বাবে ৰজাক দ্বেষ কৰে, তেওঁ নিশ্চিতভাৱে বিনাশপ্রাপ্ত হয়। তেওঁৰ শীঘ্র বিনাশৰ বাবে ৰজাই মনক নিযুক্ত কৰে।

(১২) গদ্যপাঠ ঃ তস্মাৎ সঃ নৰাধিপঃ যং ধর্মম্ ইষ্টেষু ৰ্ব্যৰস্যেৎ অনিষ্টং চ অনিষ্টেষু, তং ধর্মং ন ৰিচালয়েৎ।

অসমীয়া অনুবাদ— গতিকে সেই ৰজাই শিষ্টজনৰ প্রতিপালনৰ বাবে আৰু দুষ্টলোকৰ দমনৰ বাবে যি ধর্মৰ ব্যৱস্থা কৰে সেই ধর্মক উলংঘা কৰিব নালাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ যিসকল দেৱতাৰ অংশৰে ঈশ্বৰে ৰজাৰ সৃষ্টি কৰিছিল তেনে তিনিগৰাকী দেৱতাৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৩ ঃ ঈশ্বৰে কিয় ৰজাৰ সৃষ্টি কৰিছিল?

.....

.....

প্রশ্ন নং ৪ ঃ ৰজাক বালক হ'লেও কিয় অবমাননা কৰিব নালাগে?

.....

.....

প্রশ্ন নং ৫ ঃ সর্বতেজোময় বা সর্বশক্তিসম্পন্ন ৰজা কোন?

.....

.....

প্রশ্ন নং ৬ ঃ ৰজাক বিদ্বেষ কৰাজনে কি ফল ভোগ কৰে?

.....

.....



জানি থোৱা ভাল

ৰজাই দহবিধ কামজ ব্যসন আৰু আঠবিধ ক্ৰোধজ ব্যসন পৰিত্যাগ কৰিব লাগে। কামজ ব্যসন দহবিধ হ'ল— মৃগয়া, জুৱা, দিবা নিদ্ৰা, পৰনিন্দা তথা নাৰী, মদ আৰু নৃত্য, গীত-বাদ্যৰ প্ৰতি অত্যধিক আসক্তি আৰু নিষ্প্ৰয়োজন ভ্ৰমণ। ক্ৰোধজ ব্যসন আঠবিধ হ'ল— পিশুনতা বা নজনাকৈ আনৰ দোষৰ কথা কোৱা, দুঃসাহস, দ্ৰোহ, ঈৰ্ষা, অসূয়া, অৰ্থদোষ, কঠোৰ বচন আৰু কঠোৰ দণ্ড।

৫.৫ কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য্য

(৫) ৰজা হৈছে বিভিন্ন দেৱতাৰ অংশৰে সৃষ্ট। সেয়ে ৰজা এজনৰ শৰীৰত বিভিন্ন দেৱতাৰ শক্তিসমূহ বিৰাজ কৰে। গতিকে ৰজা অসাধাৰণ শক্তি সম্পন্ন। এনেদৰে দৈৱিক শক্তিৰে শক্তিমন্ত ৰজাই সকলোকে তেওঁৰ নিয়ন্ত্ৰণত ৰাখিবলৈ সমর্থ হয়। কাৰণ নিয়ন্ত্ৰণ অবিহনে শৃংখলতাৰ অভাব ঘটিলেহেঁতেন আৰু অশান্তিয়ে ছানি ধৰিলেহেঁতেন।

(৮) কেতিয়াবা বাল্য অৱস্থাতেই কোনো ব্যক্তিয়ে শাসনত অধিষ্ঠিত হ'ব পাৰে। ৰজাজন যদি বালক অৱস্থাতেই থাকে তেতিয়াও তেওঁক সাধাৰণ মানুহ বুলি জ্ঞান কৰি অবমাননা কৰিব নালাগে। কম বয়সৰ হ'লেও তেওঁ দেৱতাৰ গুণেৰে যুক্ত। সেয়ে তেওঁ প্ৰকৃততে এজন মহান দেৱতাহে যদিও তেওঁক মনুষ্য ৰূপত দেখা গৈছে। গতিকে তেওঁক যদি অবজ্ঞা কৰা হয় তেন্তে দেৱতাকহে অবজ্ঞা কৰা হ'ব।

(৯) কোনো লোকে যদি অসাৱধনতাৰ বাবে অগ্নিৰ একেবাৰে ওচৰ চাপি যায় আৰু অগ্নিক স্পর্শ কৰে তেন্তে তেওঁক অগ্নিয়ে দগ্ধ কৰে। এই ক্ষেত্ৰত অগ্নিয়ে সেই লোকজনৰহে ক্ষতিসাধন কৰে, আন কাকো অনিষ্ট নকৰে। কিন্তু ৰজাৰ ৰোষত পৰিলে অর্থাৎ ৰজাক যদি অসন্তুষ্ট কৰা হয় তেন্তে সেই লোকৰ আত্মীয় স্বজন, বন্ধু-বান্ধৱ, ধন-সম্পদ, পশু-দ্ৰব্য আদি সকলো সেই ক্ৰোধৰ কবলত পৰে আৰু দগ্ধ হয়।

(১০) ৰজাই নিজ কর্তব্য সম্পাদন কৰা সময়ত কার্যসমূহ, সমর্থ বা শক্তি আৰু স্থান-কাল আদিৰ সম্যকভাৱে বিচাৰ কৰে। এইদৰে কৰা সময়ত তেওঁ বিভিন্ন ৰূপ ধাৰণ কৰিব লগা হয়। প্ৰয়োজন সাপেক্ষে তেওঁ কেতিয়াবা শত্ৰু, কেতিয়াবা মিত্ৰ আৰু কেতিয়াবা উদাসীনভাৱেৰেও থাকিব লগা হয়। এনেদৰে কৰাৰ মূল উদ্দেশ্য হৈছে দেশত ধর্ম প্ৰতিষ্ঠা কৰা।

(১১) ৰজা যদি সন্তুষ্ট হয় তেন্তে বিশাল সম্পদৰ অধিকাৰী হ'ব পৰা যায়। অর্থাৎ ৰজাই যি লোকৰ ওপৰত প্ৰসন্ন হ'ব তেওঁলৈ যথেষ্ট দান-দক্ষিণা আদি আগবঢ়ায়। ৰজাই তেওঁৰ পৰাক্ৰমৰ জৰিয়তে বিজয় লাভ কৰিব পাৰে। এই ৰজা যদি ক্ৰুদ্ধ হয় তেন্তে ইয়াৰ ফলস্বৰূপে যাৰ প্ৰতি ক্ৰুদ্ধ হয় তেওঁৰ মৰণ নিশ্চিত। ইয়াৰ পৰা বুজিব পাৰি যে ৰজা প্ৰকৃতার্থত সর্বশক্তিমান।

(১২) কেতিয়াবা কোনো লোকে ৰজাৰ শক্তিৰ কথা অনুমান কৰিব নোৱাৰি ৰজাৰ লগত হয়তো শত্রুতা আচৰণ কৰে। কিন্তু এনে লোক ৰজাৰ দ্বাৰা নাশপ্রাপ্ত হয়। তেওঁৰ বিনাশৰ বাবে ৰজাই অলপো বিলম্ব হোৱাটো নিবিচাৰে আৰু শীঘ্রে তেওঁক নাশ কৰিবলৈ ইচ্ছা কৰি ব্যৱস্থা গ্রহণ কৰে। গতিকে ৰজাৰ লগত শত্রুতা আচৰণ কৰাৰ ফল অতি ভয়ঙ্কৰ হয়।

(১৩) ৰজাই দেশত বিভিন্ন নিয়মৰ ব্যৱস্থা কৰে। এই নিয়মসমূহৰ কিছুমানৰ দ্বাৰা শিষ্টজনৰ ৰক্ষণাবেক্ষণ দিয়া হয় আৰু আন কিছুমানৰ জৰিয়তে দুষ্টক দমন কৰা হয়। গতিকে সমাজখন শৃংখলাবদ্ধভাৱে চলিবলৈ ৰজাই যিসমূহ নিয়মৰ ব্যৱস্থা কৰে সেইসমূহ সকলোৱে মানি চলিব লাগে আৰু কোনো ক্ষেত্রতে উলংঘা কৰিব নালাগে।

৫.৬ শ্লোকসমূহৰ সাৰাংশ

যথাবিধি উপনয়ন কার্য সম্পন্ন হোৱা ক্ষত্রিয় এজনে ন্যায় অনুসৰি নিজ ৰাজ্যত বাস কৰা সকলো প্রজাক ৰক্ষণাবেক্ষণ দিবলৈ সক্ষম। পৃথিৱীত যেতিয়া অৰাজক অৱস্থা হয় তেতিয়া শক্তিশালী জীৱৰ ভয়ত সাধাৰণ লোকসমূহ থাকিব লগা হয়। সেয়েহে সকলোৰে সুৰক্ষাৰ বাবে ঈশ্বৰে ৰজাৰ সৃষ্টি কৰিলে। ঈশ্বৰে বিভিন্ন দেৱতাৰ যেনে— ইন্দ্র, বায়ু, যম, অর্ক, অগ্নি, কুবেৰ আদিৰ প্রধান অংশ লৈ ৰজাৰ সৃষ্টি কৰিছিল। এইসমূহ দেৱতাৰ শক্তিৰে শক্তিশালী ৰজাই সকলো প্রাণীকে বশীভূত কৰে। সূর্যৰ নিচিনাকৈ ৰজাইও মুখামুখিকৈ দর্শন কৰিব নোৱাৰে। তেওঁ ইমান প্রতাপশালী যে তেওঁ অগ্নি, বায়ু, সূর্য্য, যম, কুবেৰ, মহেন্দ্র আদি দেৱতাৰ সমকক্ষ। ৰজা প্রকৃততে এজন দেৱতাহে যিজনে নবৰূপ ধৰি পৃথিৱীত অৱস্থান কৰিছে। এই ৰজাৰ ৰোষত যদি কোনোবা পৰে তেন্তে এই ৰাজাগ্নিত তেওঁৰ পশু-দ্রব্য-সম্পত্তিৰ লগতে কুলৰো বিনাশ হয়। ৰজা এজনে কার্যসিদ্ধিৰ কাৰণে কার্য, শক্তি আৰু স্থান কাল ভালদৰে বিচাৰ কৰি সকলো ধৰণৰ ৰূপ ধাৰণ কৰিব পাৰে। ৰজা যদি ক্রুদ্ধ হয় তেন্তে যাৰ প্রতি ক্রুদ্ধ হয় তেওঁৰ মৃত্যু হ'ব পাৰে। ইয়াৰ দ্বাৰা নিশ্চিতভাৱে ক'ব পাৰি যে ৰজা সর্বশক্তিমান। সেয়ে সজ্জন আৰু দুষ্টলোকৰ বাবে ৰজাই যি যি ধর্মৰ ব্যৱস্থা কৰে সেইবোৰ উলংঘা কৰিব নালাগে।



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি জানিব পাৰিলে যে—

- উপনয়ন সংস্কাৰযুক্ত ক্ষত্রিয় এজনে প্রজাক ৰক্ষণাবেক্ষণ দিব পাৰে।
- ঈশ্বৰে ইন্দ্র, বায়ু সূর্য আদি বিভিন্ন দেৱতাৰ সাৰ অংশ লৈ ৰজাৰ সৃষ্টি কৰিছে।
- ৰজা হৈছে মানুহৰ ৰূপত প্রকৃততে এজন দেৱতা।

- ধৰ্ম প্ৰতিষ্ঠাৰ বাবে ৰজাই বিভিন্ন ৰূপ ধাৰণ কৰিব পাৰে।
- তেওঁকেই সৰ্বতেজোময় বুলি কোৱা হয় যিগৰাকী প্ৰসন্ন হ'লে সম্পদ লাভ হয়, যাৰ পৰাক্ৰমত বিজয় আৰু ক্ৰোধত মৰণ হয়।
- অজ্ঞানতাবশতঃ ৰজাক বিদ্বেষ কৰাজনৰ বিনাশ হয়।
- ৰজা এজনে শাস্ত্ৰ অনুসৰি কৰা ধৰ্মব্যৱস্থাৰ কোনেও উলংঘা কৰা উচিত নহয়।



৫.৮ অধিক জানিবলৈ

১) ঝা, গঙ্গানাথ, (১৯৩২), *মনুস্মৃতি (মেধাতিথিৰ মনু ভাষ্য সহিত)*, কলকাতা ঃ এচিয়াটিক ছ'চাইটি অব্ বেঙ্গল।

২) মাণ্ডলিক, বিশ্বনাথ নাৰায়ণ, *মানৱ ধৰ্মশাস্ত্ৰ (খণ্ড-২)*, (প্ৰকাশকৰ সবিশেষ প্ৰাপ্ত নহ'ল)।

৩) বিদ্যাভূষণ, শ্যামকান্ত, *মনুসংহিতা*, কলকাতা ঃ ভোলানাথ ব্ৰাডাৰ্চ এণ্ড কোং।

৪) শৰ্মা, কিৰণ, (২০০৮), *মনুসংহিতা*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী।



৫.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অৰাজকে, ভয়াৎ, ৰাজানমসৃজৎ।

(খ) বালোহপি, ভূমিপঃ, দেৱতা, নৰৰূপেণ।

(গ) পদ্মা, পৰাক্ৰমে, ক্ৰোধে, সৰ্বতেজোময়ো।

২নং প্ৰশ্নৰ উত্তৰ ঃ ইন্দ্ৰ, বায়ু, সূৰ্য।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সকলো প্ৰাণীৰে সুৰক্ষাৰ বাবে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কাৰণ তেওঁ মানুহৰ ৰূপত প্ৰকৃততে এগৰাকী দেৱতাহে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ যাৰ অনুগ্ৰহত বিপুল সম্পত্তি, পৰাক্ৰমত বিজয় আৰু ক্ৰোধত মৰণ হয় তেৱেঁই সৰ্বশক্তিসম্পন্ন।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰজাক বিদ্বেষ কৰাজন বিনাশ প্ৰাপ্ত হয়।



৫.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন নং ১ ঃ ৰজাক অপমান কৰিলে বা তেওঁৰ বিৰুদ্ধাচৰণ কৰিলে কি হয়?

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন নং ২ ঃ ঈশ্বৰে কি উদ্দেশ্যে আৰু কেনেদৰে ৰজাৰ সৃষ্টি কৰিছিল?

প্ৰশ্ন নং ৩ ঃ ৰজাৰ শক্তি সম্পৰ্কে এটি চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন নং ৪ ঃ মনুসংহিতাৰ ৭ম অধ্যায়ৰ প্ৰথম শ্লোকৰ পৰা ত্ৰয়োদশ শ্লোকলৈ থকা বিষয়বস্তুৰ সাৰাংশটো প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ৬ঃ মনুসংহিতা (সপ্তম অধ্যায়ৰ মূলপাঠ) (শ্লোকসংখ্যা- ১৪-৩৪)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ শ্লোকসমূহৰ মূল সংস্কৃত পাঠ

৬.৪ শ্লোকসমূহৰ গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদ

৬.৫ কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য নিৰূপণ

৬.৬ শ্লোকসমূহৰ সাৰাংশ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- চতুর্দশ শ্লোকৰ পৰা চতুস্ত্রিংশৎ (১৪-৩৪) শ্লোকলৈ সংস্কৃত পাঠবোৰ জানিব পাৰিব
- শ্লোকসমূহৰ গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদবোৰ সম্যক ৰূপে জ্ঞাত হ'ব
- কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য্য সম্পর্কে অৱগত হব।

৬.২ পৰিচয়

ইতিমধ্যে আপুনি মনুসংহিতাৰ সপ্তম অধ্যায়ৰ ৰজাৰ শক্তি সম্পর্কে থকা শ্লোকসমূহৰ সম্যক জ্ঞান লাভ কৰিছে। এই অধ্যায়ত ৰাজ্য পৰিচালনাৰ সময়ত ৰজাই প্রণয়ন কৰা দণ্ডৰ শক্তি তথা দণ্ডৰ উচিত আৰু অনুচিত প্রয়োগৰ ফল আদিৰ বিষয়ে জানিব পাৰিব।

৬.৩ শ্লোকসমূহৰ মূল সংস্কৃত পাঠ

১৪) তস্যার্থে সর্ৱভূতানাং গোপ্তাৰং ধর্মমাত্মজম্।
ব্রহ্মতেজোময়ং দণ্ডমসৃজেৎ পূর্ৱমীশ্বৰঃ।।

১৫) তস্য সর্ৱানি ভূতানি স্থাৱৰাণি চৰাণি চ।
ভয়োদ্ভোগায় কল্পন্তে স্বধর্মান্ন চলন্তি চ।।

১৬) তং দেশকালৌ শক্তিং চ ৱিদ্যাং চ অৱেক্ষ্য তত্ত্বতঃ
মথার্হতঃ সং প্রণয়েন্নৱেষ্ৱন্যায়ৱর্ত্তিষু।।

১৭) স ৰাজা পুৰুষো দণ্ডঃ স নেতা শাসিতা চ সঃ।
চতুর্ণামাশ্রমাণাঞ্চ ধর্মস্য প্রতিভূঃ স্মৃত।।

১৮) দণ্ডঃ শাস্তি প্রজাঃ সর্ৱা দণ্ড এৱাভিৰক্ষতি।
দণ্ডঃ সুপ্তেষু জাগর্তি দণ্ডং ধর্মং ৱিদুর্বুধাঃ।।

১৯) সমীক্ষ্য স ধৃতঃ সম্যক্ সর্ৱা ৰঞ্জয়তি প্রজাঃ।
অসমীক্ষ্য প্রণীতস্তু ৱিনাশয়তি সর্ৱতঃ।।

২০) যদি ন প্রণয়েদ্রাজা দণ্ডং দণ্ড্যেষ্ৱতন্দ্রিতঃ।
শূলে মৎস্যানিৱাপক্ষ্যন্ দুর্বলান্ বলৱত্তৰাঃ।।

২১) অদ্যাৎ কাকঃ পুৰোডাশং শ্ৱাবলিহ্যাদ্ধৱিস্তথা।
স্ৱাম্যঞ্চ ন স্যাৎ কস্মিংশ্চিৎ প্রৱর্তেতাধৰোত্তৰম্।।

২২) সর্ৱো দণ্ডজিতো লোকো দুর্লভো হি শুচির্নৰঃ।
দণ্ডস্য হি ভয়াৎ সর্ৱং জগদ্ভোগায় কল্পতে।।

২৩) দেৱদানৱ গন্ধর্ৱা ৰক্ষাং সি পতগোৰগাঃ।
তেহপি ভোগায় কল্পন্তে দণ্ডেনৈৱ নিপীড়িতাঃ।।

২৪) দুষ্যেয়ুঃ সর্ৱৱর্ণাশ্চ ভিদ্যেৰন্ সর্ৱসেতৱঃ।
সর্ৱলোক প্রকোপশ্চ ভৱেদ্দণ্ডস্য ৱিভ্রমাৎ।।

২৫) যত্র শ্যামো লোহিতাক্ষে দণ্ডশ্চৰতি পাপহা।
প্রজাস্তত্র ন মুহ্যন্তি নেতা চেৎ সাধু পশ্যতি।।

২৬) তস্যাহুঃ সম্প্রনেতাৰং ৰাজানং সত্যৱাদিনম্।
সমীক্ষ্যকাৰিণং প্রাক্ষং ধর্মকামার্থকোৱিদম্।।

২৭) তং ৰাজা প্রণয়ন্ সম্যক্ ত্রিৱর্গেণাভিৱর্ধতে।
কামাত্মা ৱিষমঃ ক্ষুদ্রো দণ্ডেনৈৱ নিহন্যতে।।

২৮) দণ্ডো হি সুমহত্তেজো দুর্ধৰশ্চাকৃতাত্মভিঃ।
ধর্মাদ্ৱিচলিতং হন্তি নৃপমেৱ সৱান্ধৱম্।।

২৯) ততো দুর্গঞ্চ ৰাষ্ট্রঞ্চ লোকঞ্চ সচৰাচৰম্।
অন্তৰিক্ষগতাংশ্চৈৱ মুনীন্ দেৱাংশ্চ পীড়য়েৎ।।

৩০) সোহসহায়েন মূঢ়েন লুব্ধেনাকৃতবুদ্ধিনা।
ন শক্যো ন্যায়তো নেতুং সক্তেন ৱিষয়েষু চ।।

৩১) শুচিনা সত্যসন্ধেন যথাশাস্ত্রানুসাৰিণা।
প্রণেতুং শক্যতে দণ্ডঃ সুসহায়েন ধীমতা।।

৩২) স্ৱৰাষ্ট্রে ন্যায়ৱৃত্তঃ স্যাদ্ভৃশদণ্ডশ্চ শত্রুষু।

সুহৃৎস্বজিহ্মাঃ স্নিগ্ধেষু ব্রাহ্মণেষু ক্ষমান্বিতঃ।।

৩৩) এৱং ৱৃত্তস্য নৃপতেঃ শিলোঞ্ছেনাপি জীৱতঃ।
ৱিস্তীর্য্যতে যশো লোকে তৈলবিন্দুৰিৱাম্ভসি।।

৩৪) অতস্তু ৱিপৰীতস্য নৃপতেৰজিতাত্মনঃ।
সংক্ষিপ্যতে যশো লোকে ঘৃতবিন্দুৰিৱাম্ভসি।।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক —

(ক) দণ্ডঃ শাস্তি ..... সৰ্ৱা দণ্ড এৱাভিৰক্ষতি।
দণ্ডঃ ..... জাগর্তি দণ্ডং ..... ৱিদুর্বুধাঃ।।

(খ) যত্র .... দণ্ডশ্চৰতি পাপহা।
প্রজাস্তত্র ন ..... নেতা চেৎ ..... পশ্যতি।।

৬.৪ শ্লোকসমূহৰ গদ্যপাঠ, কঠিন শব্দৰ অর্থ আৰু অসমীয়া অনুবাদ

(১৪) গদ্যপাঠ ঃ তস্য (ৰাজ্ঞঃ) অর্থে ঈশ্বৰঃ সৰ্ৱভূতানাং গোপ্তাৰং ধর্মম্, আত্মজং ব্রহ্মতেজোময়ং দণ্ডং পূর্ৱম্ অসৃজৎ।

কঠিন শব্দৰ অর্থ—

সৰ্ৱভূতানাম্ — সৰ্ৱপ্রাণিনাং (সকলো প্রাণীৰ)
গোপ্তাৰম্ — ৰক্ষিতাৰং (ৰক্ষক)
আত্মজম্ — পুত্রং (পুত্র)
ব্রহ্মতেজোময়ং — ব্রহ্মণঃ তেজসা সৃষ্টম্— (ব্রহ্মাৰ শক্তিৰে সৃষ্ট)

অসমীয়া অনুবাদ — তেওঁৰ (ৰজাৰ) প্রয়োজন সিদ্ধিৰ বাবে ঈশ্বৰে সকলো প্রাণীৰে ৰক্ষক, ধর্মস্ৱৰূপ পুত্র ব্রহ্মতেজোময় দণ্ডক পূর্ৱতে সৃজন কৰিছিল।

(১৫) গদ্যপাঠ ঃ তস্য (দণ্ডস্য) ভয়াৎ স্থাৱৰাণি চৰাণি চ সর্ৱাণি ভূতানি কল্পন্তে, স্ৱধর্মাৎ চ ন চলন্তি।

কঠিন শব্দৰ অর্থ—

স্থাৱৰাণি — অচৰাণি (লৰচৰ কৰিব নোৱাৰা বস্তুসমূহ)
চৰাণি — জঙ্গমানি (যিবোৰে লৰচৰ কৰিব পাৰে)
কল্পন্তে — সমর্থাঃ ভৱন্তি (সমর্থ হয়)

অসমীয়া অনুবাদ — তাৰ (সেই দণ্ডৰ) ভয়ত স্থাৱৰ আৰু জঙ্গম সকলো প্রাণীয়ে ভোগ কৰিবলৈ সমর্থ হয়, নিজ ধর্মৰ পৰা বিচলিত নহয়।

(১৬) গদ্যপাঠ ঃ তং দেশকালৌ শক্তিং চ ৱিদ্যাং চ তত্ত্ৱতঃ অৱেক্ষ্য অন্যায়ৱর্ত্তিষু নৰেষু যথার্হতঃ সংপ্রণেয়ৎ।

কঠিন শব্দৰ অর্থ—

তত্ত্বতঃ — শাস্ত্রানুসাৰেণ (শাস্ত্র অনুসৰি)

অৱেক্ষ্য — নিৰূপ্য (নিৰূপণ কৰি বা পর্যবেক্ষণ কৰি)

যথার্হতঃ — অর্হতানুসাৰম্ (অর্হতা বা যোগ্যতা অনুসৰি)

সংপ্রণয়েৎ — প্রবর্ত্তয়েৎ (প্রবর্ত্তন বা প্রণয়ন কৰিব লাগে)

অসমীয়া অনুবাদ — দেশ বা স্থান, কাল, শক্তি আৰু বিদ্যা শাস্ত্র অনুসৰি পদ নিৰূপণ কৰি অর্হতা অনুসৰি অন্যায় আচৰণ কৰা জনৰ প্রতি (ৰজাই) ইয়াক প্রণয়ন কৰিব লাগে।

(১৭) গদ্যপাঠ ঃ সঃ দণ্ডঃ ৰাজা (সঃ) পুৰুষঃ স নেতা শালতা চ।

সঃ চতুর্ণাম্ আশ্রমাণাং ধর্মস্য চ প্রতিভূ স্মৃতঃ।

কঠিন শব্দৰ অর্থ —

শাসিতা— আজ্ঞাপকঃ (আজ্ঞাকর্তা বা শাসক)

অসমীয়া অনুবাদ — সেই দণ্ড ৰজা, (ইয়ে) পুৰুষ, নেতা আৰু আজ্ঞাকর্তা বা শাসক আৰু ই চাৰি আশ্রমৰ ধর্মৰ প্রতিভূ স্বৰূপ (মূর্তিমান ৰূপ)

(১৮) গদ্যপাঠ ঃ দণ্ড, সর্ৱাঃ প্রজাঃ শাস্তি দণ্ড এৰ (সর্ৱাঃ প্রজাঃ) অভিৰক্ষতি। দণ্ডঃ সুপ্তেষু জাগর্তি। বুধাঃ দণ্ডং ধর্মং ৱিদ্ধঃ।

কঠিন শব্দৰ অর্থ —

শাস্তি — আজ্ঞাপয়তি (আজ্ঞা প্রদান কৰে)

সুপ্তেষু জাগর্তি — নিদ্রায়মাণেষু ৰক্ষিতৃষু (দণ্ড এব) জাগর্তি। (ৰক্ষীসকল নিদ্রামগ্ন হৈ থকা অৱস্থাতো দণ্ডইহে জাগ্রত হৈ থাকে)

অসমীয়া অনুবাদ— দণ্ডই সকলো প্রজাক আজ্ঞা প্রদান কৰে, দণ্ডয়েই (সকলো প্রজাক) ৰক্ষা কৰে। দণ্ডই সকলোৰে (বা ৰক্ষীসকলৰ) নিদ্রিত অৱস্থাতো জাগি থাকে। জ্ঞানীসকলে দণ্ডকেই ধর্ম বুলি কয়।

(১৯) গদ্যপাঠ ঃ সমীক্ষা সম্যক্ ধৃতঃ সঃ (দণ্ডঃ) সর্ৱান্ প্রজান ৰঞ্জয়তি। অসমীক্ষ্য তু প্রণীতঃ সর্ৱতঃ ৱিনাশয়তি।

কঠিন শব্দৰ অর্থ —

সমীক্ষা — যথাশাস্ত্রং নিৰূপ্য (শাস্ত্র অনুসৰি নিৰূপণ কৰি)

ধৃতঃ — প্রণীতঃ (যাক প্রণয়ন কৰা হৈছে)

ৰঞ্জয়তি — অনুৰাগং জনয়তি (অনুৰাগ জন্মায় বা আনন্দ দিয়ে)

অসমীয়া অনুবাদ — শাস্ত্র সন্মতভাৱে সম্যকৰূপত প্রণীত দণ্ডই সকলো প্রজাক আনন্দ দিয়ে। অবিবেচিতভাৱে প্রণীত হোৱা দণ্ডই সকলোৰে বিনাশ সাধন কৰে।

(২০) গদ্যপাঠ ঃ যদি ৰাজা অতন্দ্রিতঃ (সন্) দণ্ড্যেষু দণ্ডং ন প্রণয়েৎ শূলে মৎস্যান্ ইৱ বলবত্তৰা দুর্বলান্ অপক্ষ্যন্।

কঠিন শব্দৰ অর্থ —

অতন্দ্রিতঃ (সন্) — অনলসো ভূত্বা (অনলস হৈ)

দণ্ড্যেষু — দণ্ডার্হেষু (দণ্ডৰ যোগ্য জনত)

অপক্ষ্যন্ — হিংসামকৰিষ্যন্ (যাতনা বা কষ্ট দিলেহেঁতেন)

অসমীয়া অনুবাদ — যদি ৰজাই অনলস হৈ দণ্ডৰ যোগ্যসকলক দণ্ড প্রদান নকৰিলেহেঁতেন তেন্তে শূলত দিয়া মাছৰোৰৰ দৰে বলৱানসকলে দুর্বলীবিলাকক কষ্ট দিলেহেঁতেন।

(২০) (যদি ৰাজা দণ্ডং ন আচৰিষ্যৎ তদা) কাকঃ পুৰোতাশম্ অদ্যাৎ তথা শ্ব হৰিং অৱলিহ্যাৎ। কশ্মিংশ্চিৎ স্বাম্যং চ ন স্যাৎ অধৰোত্তৰং প্রৱর্ত্তেত।

কঠিন শব্দৰ অর্থ —

অদ্যাৎ — অখাদিষ্যৎ (খালেহেঁতেন)

অধৰোত্তৰং — যদৱৰং তৎ প্রধানং স্যাৎ (নিম্নবর্ণৰ লোকে প্রাধান্য লাভ কৰিলেহেঁতেন)

অসমীয়া অনুবাদ — (ৰজাই যদি দণ্ড প্রণয়ন নকৰিলেহেঁতেন তেতিয়া) কাউৰীয়ে যজ্ঞীয় চৰু ভক্ষণ কৰিলেহেঁতেন, কুকুৰে হবি (ঘৃতাদি দ্রব্য) চেলেকিলেহেঁতেন। ক'তো প্রভুত্ব নাথাকিলেহেঁতেন আৰু নিম্নবর্ণৰ লোকে উচ্চ বর্ণৰ ওপৰত প্রাধান্য বিস্তাৰ কৰিলেঁহেতেন।

(২২) সর্বলোকঃ দণ্ডহিতঃ, হি শুচির্নৰঃ দুর্লভঃ। দণ্ডস্য ভয়াৎ সর্ৱং জগৎ ভোগায় কল্পতে।

কঠিন শব্দৰ অর্থ —

দণ্ডজিতঃ — দণ্ডেন নিয়মিতঃ (দণ্ডৰ দ্বাৰা নিয়মিত)

শুচির্নৰঃ — বিশুদ্ধমানুষঃ (বিশুদ্ধ স্বভাবৰ লোক)

অসমীয়া অনুবাদ — সকলো লোক দণ্ডৰ জৰিয়তেই নিয়মিত হয় অর্থাৎ প্রকৃত পথত অৱস্থান কৰে। বিশুদ্ধ স্বভাৱৰ লোক অতি দুলর্ভ। দণ্ডৰ ভয়তে সমগ্র পৃথিৰীয়ে ভোগ কৰিবলৈ সমর্থ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ কাৰ ভয়ত চৰাচৰ প্রাণীসমূহে নিজ নিজ বিষয়সমূহ ভোগ কৰিবলৈ সমর্থ হয়?

.....

প্রশ্ন নং ৩ ঃ যদি ৰজাই উচিতভাৱে দণ্ড প্রণয়ন নকৰিলে হয় তেন্তে কি হ'লহেঁতেন?

.....

(২৩) **গদ্যপাঠ ঃ** দেৱদানৱ গন্ধর্ৱাঃ ৰক্ষাংসি পতগোৱগাঃ তেহপি দণ্ডেনৈৱ নিপীড়িতাঃ ভোগায় কল্পন্তে।

কঠিন শব্দৰ অর্থ—

উৱগাঃ — সর্পাঃ (সাপবোৰে)

ভোগায় কল্পন্তে — উপকাৰায় প্ৰবৰ্তন্তে (উপকাৰ সাধনত প্ৰবৃত্ত হয়)

অসমীয়া অনুবাদ— দেৱতা দানব গন্ধৰ্ব ৰাক্ষস চৰাই আৰু সাপ— সেইসমূহেও দণ্ডৰ ভয়ত ভীত হৈ উপকাৰ সাধনমূলক কাৰ্যত প্ৰবৃত্ত হয়।

(২৪) দণ্ডস্য ৱিভ্রমাৎ সৰ্ৱৱৰ্ণাঃ চ দুষ্যেয়ুঃ সৰ্ৱসেতৱঃ ভিদ্যেৰন্ সৰ্ৱলোক প্ৰকোপশ্চ ভৱেৎ।

কঠিন শব্দৰ অৰ্থ—

ৱিভ্রমাৎ — অনুচিতেন প্ৰৱৰ্তনাৎ (উচিতভাৱে প্ৰৱৰ্তন নহ'লে)

সেতৱঃ — মৰ্য্যাদাঃ (মৰ্য্যাদা)

ভিদেৎৰন্ — পৰিলোপঃ স্যাৎ (উচ্ছেদিত হ'লহেঁতেন অৰ্থাৎ বিলোপিত হ'লহেঁতেন)

প্ৰকোপঃ — সংক্ষোভঃ (ক্ষোভ)

অসমীয়া অনুবাদ — দণ্ড উচিতভাৱে প্ৰৱৰ্তিত নহ'লে সকলোৱৰ্ণৰ লোক (ৱৰ্ণসংকৰ দোষত) দূষিত হ'লহেঁতেন, সকলো মৰ্যাদা উচ্ছেদিত হ'লহেঁতেন, সকলো লোকৰ মাজত ক্ষোভৰ সৃষ্টি হ'লহেঁতেন।

(২৫) গদ্যপাঠ ঃ যত্ৰ শ্যামঃ লোহিতাক্ষঃ পাপহা দণ্ডঃ চৰতি নেতাচেৎ সাধু পশ্যতি প্ৰজাঃ তত্ৰ ন মুহ্যন্তি।

কঠিন শব্দৰ অৰ্থ—

শ্যামঃ — কৃষ্ণঃ (ক'লা)

লোহিতাক্ষঃ — লোহিতনয়নঃ(লোহিত বা ৰঙা ৱৰণৰ চকু)

নেতা — নায়কঃ (পৰিচালক বা নেতা)

সাধু — যুক্তং (উপযুক্ত)

ন মুহ্যন্তি — ব্যাকুলং ন ভৱন্তি (ব্যাকুল নহয়)

অসমীয়া অনুবাদ — য'ত শ্যামৱৰ্ণৰ, ৰঙা চকু বিশিষ্ট, পাপ বিনাশকাৰী দণ্ডই বিচৰণ কৰে, যদি নেতাগৰাকীয়ে উপযুক্তভাৱে দণ্ডবিধান কৰে তাত প্ৰজাই ব্যাকুল হ'ব লগা নহয়।

(২৬) গদ্যপাঠ ঃ সত্যৱাদিনং সমীক্ষকাৰিনং প্ৰাজ্ঞং ধৰ্মকামাৰ্থকোৱিদম্ ৰাজানং তস্য (দণ্ডস্য) সম্প্ৰনেতাৰং আহুঃ।

কঠিন শব্দৰ অৰ্থ—

সম্প্ৰণেতাৰং — প্ৰৱৰ্তয়িতাৰং (প্ৰৱৰ্তক/ৰজাক)

সমীক্ষ্যকাৰিণং — তত্ত্বাতত্ত্ব বিচাৰোচিতং (সত্যাসত্য বিচাৰ কৰিব পৰা জনক বা যিজন বিবেচনামুক্ত তেওঁক)

প্ৰাজ্ঞং — প্ৰজ্ঞাশালিনং (জ্ঞানীজনক)

অসমীয়া অনুবাদ — সত্যবাদী, বিবেচনাযুক্ত, জ্ঞানী, ধৰ্ম, অৰ্থ আৰু কামৰ জ্ঞাতা ৰজাজনকেই তাৰ (দণ্ডৰ) প্ৰৱৰ্তক বুলি কোৱা হয়।

(২৭) গদ্যপাঠ ঃ ৰাজা তং সম্যক্ প্ৰণয়ন্ ত্ৰিৱৰ্গেন অভিৱৰ্দতে। কামাত্মা ৱিষমঃ ক্ষুদ্রঃ (বামা) দণ্ডেনৈৱ নিহন্যতে।

স্থাৱৰ ঃ যি বস্তুৱে লৰচৰ কৰিব নোৱাৰে।
জঙ্গম ঃ যি বস্তুৱে লৰচৰ কৰিব পাৰে।

কঠিন শব্দৰ অর্থ—

ত্রিৱর্গেন — ধর্মার্থকামৈঃ (ধর্ম অর্থ আৰু কাম এই ত্রিবর্গৰ জৰিয়তে)

অভিৱর্ধতে — বৃদ্ধিং গচ্ছতি (বৃদ্ধি প্রাপ্ত হয়)

কামাত্মা — বিষয়াভিলাষী (বিষয়ৰ অভিলাষী)

বিষমঃ — কোপনঃ (ক্রোধযুক্ত)

ক্ষুদ্রঃ — ছলান্বেষী (ছলান্বেষী)

অসমীয়া অনুবাদ — ৰজাই দণ্ড সম্যক প্রণয়ন কৰি ত্রিবর্গৰ দ্বাৰা বৃদ্ধিপ্রাপ্ত হয়। বিষয়াভিলাষী, ক্রোধযুক্ত, ছলান্বেষীজন দণ্ডৰ দ্বাৰাই নিহত হয়।

(২৮) গদ্যপাঠ ঃ অকৃতাত্মভিঃ সুমহত্তেজো দণ্ডঃ দুর্ধৰঃ (ভৱতি)। হি (দণ্ডঃ) ধর্মাদ্ ৱিচলিতং নৃপমেৱ সবান্ধৱং হন্তি।

কঠিন শব্দৰ অর্থ—

অকৃতাত্মভিঃ অজিতেন্দ্রিয়ৈঃ (অজিতেন্দ্রিয়জনৰ দ্বাৰা)

সুমহত্তেজো — প্রকৃষ্টতেজঃ স্ৱৰূপঃ (অত্যন্ত তেজস্ৱৰূপ)

দুর্ধৰঃ — ধাৰয়িতুমশক্যঃ (ধাৰণ কৰিবলৈ অক্ষম)

সবান্ধৱং — পুত্র বন্ধুসহিতং (আত্মীয় স্বজনেৰে সৈতে)

অসমীয়া অনুবাদ — অজিতেন্দ্রিয় ৰজাই অত্যন্ত তেজ স্ৱৰূপ দণ্ডৰ সম্যকভাৱে ধাৰণ কৰিবলৈ অক্ষম। ইয়াৰ উচিত প্রয়োগ নহ'লে ৰজাক আত্মীয়স্বজনেৰে সৈতে নাশ কৰে।

(২৯) গদ্যপাঠ ঃ (দোষাদ্যনপেক্ষয়া যো দণ্ডঃ প্রণীয়তে ততঃ সবন্ধুনৃপনাশাননন্তৱং) দুর্গং চ ৰাষ্ট্রং চ লোকং সচৰাচৰম্ অন্তৰিক্ষগতাং চৈৱ মুনীন্ দেৱাং চ পীড়য়েৎ।

কঠিন শব্দৰ অর্থ—

সচৰাচৰম্ — জঙ্গমস্থাৱিৰসহিতং (জঙ্গম আৰু স্থাৱৰসহিতে)

অসমীয়া অনুবাদ— (দণ্ড যদি দোষ আদি বিচাৰ নকৰাকৈ প্রণয়ন কৰা হয় তেতিয়া সবংশে ৰজাৰ বিনাশৰ পিছত) দুর্গ, ৰাষ্ট্র ***জঙ্গম-স্থাৱৰ***সহিতে পৃথিৱী লোকক আৰু অন্তৰীক্ষগামী মুনি আৰু দেৱতা সকলকো পীড়া দিয়ে।

(৩০) গদ্যপাঠ ঃ অসহায়েন মূঢ়েন লুব্ধেন অকৃতবুদ্ধিনা বিষয়েষু সক্তেন চ (ৰাজ্ঞা) সঃ (দণ্ডঃ) ন্যায়তঃ নেতুং ন শক্যঃ

কঠিন শব্দৰ অর্থ —

অসহায়েন — সহায়ৰহিতেন (সহায়হীনৰ (ৰজাৰ) দ্বাৰা)

মূঢ়েন — মূর্খেন (মূর্খৰ (ৰজাৰ) দ্বাৰা)

লুব্ধেন — লোভৱতা (লোভী (ৰজাৰ) দ্বাৰা)

অকৃতবুদ্ধিনা — শাস্ত্রানভিজ্ঞেন (শাস্ত্রজ্ঞানহীনজনৰ দ্বাৰা)

অসমীয়া অনুবাদ — সহায়হীন, মূর্খ, লোভী, শাস্ত্রজ্ঞানহীন, বিষয়ত আসক্তজনৰ দ্বাৰা (ৰজাৰ দ্বাৰা) ইয়াক (দণ্ডক) ন্যায় অনুসৰি প্রণয়ন কৰিব নোৱাৰি।

(৩১) গদ্যপাঠ ঃ শুচিনা সত্যসন্ধেন যথাশাস্ত্রানুসাৰিনা সুসহায়েন ধীমতা (ৰাজ্ঞা) দণ্ডঃ প্রণেতুং শক্যতে।

কঠিন শব্দৰ অর্থ —

সত্য সন্ধেন — সত্য প্রতিজ্ঞেন (সত্য প্রতিজ্ঞজনৰ দ্বাৰা)

যথাশাস্ত্রানুসাৰিনা — যথাশাস্ত্র ব্যৱহাৰিনা (শাস্ত্র অনুসৰি আচৰণ কৰা জনৰ দ্বাৰা)

সুসহায়েন — শোভন সহায়েন (সুসহায় সম্পন্নজনৰ দ্বাৰা)

ধীমতা — প্রাক্ষেন (জ্ঞানীজনৰ দ্বাৰা)

অসমীয়া অনুবাদ — পবিত্র, সত্যপ্রতিজ্ঞ, শাস্ত্র অনুসৰি আচৰণকাৰী, সুসহায় সম্পন্ন জ্ঞানীজনৰ দ্বাৰা (ৰজাৰ দ্বাৰা) দণ্ড প্রণয়ন কৰিব পাৰি।

(৩২) (ৰাজা) স্বৰাষ্ট্রে ন্যায়বৃত্তঃ শত্রুষু ভৃশদণ্ডশ্চ স্যাৎ। স্নিগ্ধেষু সুহৃৎসু অজিক্ষঃ (তথাচ) ব্রাহ্মণেষু ক্ষমান্বিতঃ (স্যাঃ)

কঠিন শব্দৰ অর্থ —

ন্যায়বৃত্তঃ — শাস্ত্রানুসাৰ ব্যৱহাৰী (শাস্ত্রানুসৰি আচৰণকাৰী)

ভৃশদণ্ডঃ — তীক্ষ্নদণ্ডঃ (তীক্ষ্ণ দণ্ডযুক্ত)

অজিক্ষঃ — অৰক্রঃ (অকুটিল আচৰণবিশিষ্ট)

অসমীয়া অনুবাদ — (ৰজা) নিজ ৰাষ্ট্রত শাস্ত্রানুসৰি আচৰণকাৰী, শত্রুৰ ক্ষেত্রত তীক্ষ্ণ দণ্ডযুক্ত হ'ব লাগে। স্নেহৰ পাত্র মিত্রসকলৰ প্রতি অকুটিল (আৰু) ব্রাহ্মণৰ ক্ষেত্রত ক্ষমাশীল (হোৱা উচিত)।

(৩৩) এবং বৃত্তস্য (যথোক্ত দণ্ড প্রণেতুঃ) শিলোঞ্ছনাপি জীৱতঃ নৃপতেঃ যশঃ লোকে তৈলবিন্দুৰিৱ অম্ভসি ৱিস্তার্যতে।

কঠিন শব্দৰ অর্থ —

শিলোঞ্ছেনাপি — ক্ষীণকোশত্বেনাপি (ক্ষীণ বিত্তৰেও)

অম্ভসি — জলে (পানীত)

ৱিস্তার্য্যতে — ৱিস্তাৰমেতি (বিস্তাৰিত হয়)

অসমীয়া অনুবাদ — এনে আচৰণ সম্পন্ন (দণ্ড প্রণেতাৰ) ক্ষীণ বিত্তৰেও জীৱিকা নির্বাহ কৰা নৃপতিৰ যশ পৃথিৱীত পানীত তেলৰ বিন্দুৰে বিস্তাৰ লাভ কৰাৰ দৰে বিস্তাৰিত হয়।

(৩৪) অতঃ (বৃত্তাৎ) ৱিপৰীতস্য অজিতাত্মনঃ নৃপতেঃ তু লোকে যশঃ অম্ভসি ঘৃতবিন্দুৰিৱ সংক্ষিপ্যতে।

অসমীয়া অনুবাদ — ইয়াৰ বিপৰীত আচৰণ কৰা অজিতেন্দ্রিয় নৃপতিৰ যশ পৃথিৱীত পানীত মিহলি হোৱা ঘৃতৰ বিন্দুসমূহৰ দৰে সংকুচিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ উচিতভাৱে দণ্ড প্রয়োগৰ দ্বাৰা ৰজাই কি ফল লাভ কৰে?

.....

.....

প্রশ্ন নং ৫ ঃ দণ্ডৰ অনুচিতভাৱে প্রয়োগ কৰিলে ৰজাই কি ফল পাব?

.....

.....

প্রশ্ন নং ৬ ঃ কেনেধৰণৰ গুণসম্পন্ন ৰজাই যথাবিধি দণ্ড প্রয়োগ কৰিব পাৰে?

.....

.....

৬.৫ কেতবোৰ বিশেষ শ্লোকৰ তাৎপর্য নিৰূপণ

(১৫) দণ্ডৰ ভয়ত সকলো প্রাণীয়ে নিজ নিজ যি ভোগ্য বিষয় আছে, সেইসমূহ সুন্দৰকৈ ভোগ কৰিবলৈ সমর্থ হয়। ইয়াৰ অন্যথা দুর্বলসকলে নিজতকৈ শক্তিশালী জনৰ দ্বাৰা পীড়িত হ'ব লগা হ'লহেঁতেন। ইয়াৰ উপৰিও এই দণ্ডৰ ভয়তেই প্রত্যেক প্রাণীয়ে নিজৰ কার্যসমূহ সঠিককৈ কৰিবলৈ বাধ্য হয় আৰু কর্তব্যসমূহৰ পৰা সহজে আঁতৰি আহিব নোৱাৰে।

(১৮) দণ্ডই সকলো প্রজাক শাসন কৰে। অর্থাৎ এই দণ্ডই যিহেতু সকলো প্রজাক আজ্ঞা পালন কৰিবলৈ বাধ্য কৰে সেয়ে দণ্ডকেই শাসক বুলি কোৱা হৈছে। দণ্ডৰ বাবেই সকলোৱে অন্যায় আচৰণৰ বলি হোৱাৰ পৰা ৰক্ষা পাব পাৰে। ইয়াৰ উপৰি সকলো শুই থাকিলেও দণ্ড জাগ্রত অৱস্থাত থাকে। গতিকে ইয়াৰ ভয়ত দুষ্টলোক অসৎ কার্যত প্রবৃত্ত হোৱাত বাধা জন্মে। এই দণ্ডক ধর্ম বুলি কোৱা হয় কাৰণ দণ্ডৰ ভয়তেই সমাজত ন্যায় প্রতিষ্ঠা হয়।

(১৯) দণ্ড প্রণয়ন কৰোতে ৰজাই সদায় শাস্ত্রসন্মতভাৱে বিবেচনা পূর্বক কৰিব লাগে। কাৰণ তেতিয়াহে প্রকৃত দোষীয়ে উচিত শাস্তি পাব পাৰে। এনেদৰে কৰিলে প্রজাসমূহে যথেষ্ট আনন্দ লাভ কৰিব পাৰে। অন্যথা অবিবেচনাপূর্বক কৰিলে নিৰপৰাধীয়ে শাস্তি লাভ কৰিব আৰু দোষীয়ে ৰেহাই পাব। এনেক্ষেত্রত সকলো নাশ প্রাপ্ত হ'ব।

(২০) যদি ৰজাই প্রকৃত দোষীক শাস্তি প্রদান নকৰে তেতিয়া দুষ্ট লোকৰ প্রকোপ বৃদ্ধি হ'লহেঁতেন। তেতিয়া তেওঁলোকে নিৰীহ লোকৰ ওপৰত প্রভাৱ বিস্তাৰ কৰি তেওঁলোকক কষ্ট দিলেহেঁতেন। এই কথা এটা অতি সুন্দৰ তুলনাৰে বুজোৱা হৈছে। শূলত দিয়া মাছসমূহক অতি নৃশংসতাৰে বধ কৰা হয়। এই মাছবোৰে নিজক ৰক্ষা কৰিবলৈ অপৰাগ। ঠিক সেইদৰে ৰজাই উপযুক্তভাৱে দণ্ড বিধান নকৰিলে শূলত দিয়া মাছসমূহ যেনেদৰে ধ্বংসপ্রাপ্ত হয়

তেনেদৰে দুর্বলীসকলে কষ্ট পালেহেঁতেন।

(২২) ৰজাই দণ্ড প্রদান কৰে বাবে সমগ্র পৃথিৰী নিয়ন্ত্রণাধীন হৈ থাকে। সজলোকসকলৰ বাবে দণ্ডৰ প্রয়োজন নহয়। কিন্তু পৃথিৰীত সজলোকৰ সংখ্যা অতি নগণ্য। গতিকে অন্যায়কাৰী সকলৰ বাবে দণ্ডৰ বিশেষ প্রয়োজন। এই দণ্ডৰ ভয়ৰ বাবেই সকলোৱে নিজ নিজ ভোগ কার্যত লিপ্ত হ'ব পাৰে।

(২৪) দণ্ডৰ যদি সম্যকভাৱে প্রয়োগ কৰা নহয় অর্থাৎ প্রকৃত দোষীক যদি উচিত শাস্তি বিহা নহয় তেন্তে ভিন্ন বর্ণৰ লোকে ভিন্ন বর্ণৰ স্ত্রীৰ সংসর্গলৈ আহি সঙ্কীর্ণ জাতি উৎপাদন কৰিব পাৰে। ইয়াৰ উপৰিও ধর্মৰ মর্যাদা স্বৰূপ শাস্ত্রসমূহৰ নিয়ম বা নির্দেশসমূহ ভঙ্গ হ'ব। দণ্ডৰ উচিত প্রয়োগ নোহোৱাৰ ফলতে মানুহে মানুহক বিভিন্ন অপকাৰসাধন কৰি পৰস্পৰৰ মাজত শত্রুতাৰ সৃষ্টি কৰে। এনেদৰে মনত ক্ষোভৰ উৎপন্ন হয়।

(২৭) ৰজাই যেতিয়া ভালদৰে দণ্ড প্রণয়ন কৰে দেশত শান্তি প্রতিষ্ঠা হয়। দণ্ডৰ ভয়ত অপৰাধৰ মাত্রা বহু পৰিমাণে লাঘৰ হয় আৰু এনেদৰে ৰাজ্যত সদাচাৰ বৃদ্ধি পায় আৰু ধর্মই প্রাধান্য পায়। ইয়াৰ দ্বাৰা ধর্মীয় আচাৰ অনুষ্ঠানসমূহ কোনো ধৰণৰ বাধাপ্রাপ্ত নহয়। ইয়াৰ উপৰিও দণ্ডনীয় লোকৰ পৰা ধন আদায় কৰি অর্থৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি আৰু তাৰ দ্বাৰাই কামনাসমূহো সুন্দৰভাৱে পূৰাব পাৰি। এনেদৰে ধর্ম, অর্থ আৰু কামৰূপ ত্রিবর্গৰ দ্বাৰা সমৃদ্ধ হ'ব পাৰি। কিন্তু যি ৰজা বিষয় বাসনাৰ প্রতি অত্যন্ত অভিলাষী অর্থাৎ নিজৰ বিষয় বাসনা পূৰণত নিমগ্ন হৈ থাকে, যি ৰজা অত্যন্ত ক্রোধযুক্ত আৰু ছলানুসন্ধানকাৰী তেওঁ দণ্ডৰ দ্বাৰাই নিধন হয়।

(২৮) দণ্ড হৈছে অত্যন্ত শক্তিসম্পন্ন। কাৰণ এই দণ্ডৰ ওপৰতে দেশ এখনৰ সুখ-শান্তি নির্ভৰ কৰে। অর্থাৎ দণ্ডৰ সুপ্রয়োগৰ দ্বাৰা দেশত শান্তি বিৰাজ কৰে আৰু ইয়াৰ অসম্যক প্রয়োগে দেশত অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰে। এনে শক্তিসম্পন্ন দণ্ড ধাৰণ কৰিবলৈ ৰজা সমর্থবান হ'ব লাগিব। তাৰ বাবে তেওঁ জিতেন্দ্রিয় হ'ব লাগিব। কাৰণ নিজৰ ইন্দ্রিয়সমূহক বশলৈ আনিব নোৱাৰা ৰজা দণ্ডৰো সু প্রয়োগ কৰিবলৈ অপাৰগ। এনে ৰজাক দণ্ডই সবংশে বিনাশ কৰে।

(৩১) দণ্ড প্রণয়ন ভালদৰে কৰিবলৈ ৰজাজন বিশেষ গুণসম্পন্ন হ'ব লাগে। তেওঁ বাহ্যিক আৰু আভ্যন্তৰীণভাৱে পবিত্র হ'ব লাগিব। ৰজাজনে শাস্ত্রৰ নির্দেশ সম্যকভাৱে পালন কৰিব লাগে। তেওঁৰ কার্যত সহায় কৰিবলৈ যথেষ্ট সংখ্যক সহায়কাৰী থাকিব লাগে। ইয়াৰ উপৰি তেওঁ বুদ্ধিসম্পন্ন হ'ব লাগে যাৰ দ্বাৰা তেওঁ প্রকৃত সিদ্ধান্তসমূহ গ্রহণ কৰিব পাৰে।

(৩২) ৰজাই নিজ ৰাষ্ট্রত ন্যায়সম্পন্ন আচৰণ কৰিব লাগে যাৰ জৰিয়তে সমগ্র ৰাষ্ট্রতে শান্তি প্রতিষ্ঠা হয়। তেওঁ শত্রু আৰু মিত্রক উচিত আচৰণ কৰিব লাগিব। অর্থাৎ শত্রুক তীক্ষ্ণ দণ্ড প্রদান কৰিব আৰু মিত্রসকলৰ প্রতি স্নেহশীল হ'ব। ইয়াৰ উপৰি তেওঁ ব্রাহ্মণসকলৰক্ষেত্রত ক্ষমাশীল মনোভাৱ গ্রহণ কৰিব।

৪.৬ শ্লোকসমূহৰ সাৰাংশ

কোনো লোকে যাতে নিয়মৰ পৰা বিচলিত হ'ব নোৱাৰে তাৰ বাবে ঈশ্বৰে দণ্ডৰ সৃষ্টি কৰিছিল। এই দণ্ডই হৈছে সকলো প্ৰাণীৰ ৰক্ষক। দণ্ডৰ ভয়ত সকলোৱে ভোগৰ বাবে সমৰ্থ হয়। এই দণ্ডকেই ৰজা, নেতা আৰু শাসক বুলি কোৱা হয়। কাৰণ দণ্ডয়েই প্ৰকৃততে সকলো প্ৰজাক শাসন কৰে আৰু ৰক্ষা কৰে। সকলো প্ৰাণী যেতিয়া নিদ্ৰামগ্ন হয় তেতিয়া দণ্ডহে কেৱল জাগ্ৰত অৱস্থাত থাকে। এই দণ্ডক ৰজাই শাস্ত্ৰসন্মতভাৱে ধাৰণ কৰা উচিত। ইয়াৰ অন্যথাই দণ্ডই সকলোকে বিনাশ কৰিব। কাৰণ ৰজাই যদি দণ্ড প্ৰদান কৰিব লগা ব্যক্তিক দণ্ড প্ৰদান নকৰে তেন্তে দুৰ্বলীবিলাকক বলবানসকলে পীড়িত কৰিলেহেঁতেন। দণ্ডৰদ্বাৰাই সকলো প্ৰাণী নিয়ন্ত্ৰিত হয়।দেৱতা-দানবৰ পৰা আৰম্ভ কৰি চৰাই-সাপ আদি প্ৰাণীসমূহৰ সকলোৱে দণ্ডৰ ভয়ত ভীত হৈ কাৰ্যত প্ৰবৃত্ত হয়। দণ্ড ভালদৰে প্ৰণয়ন কৰিলে প্ৰজাসমূহ বিচলিত হ'ব লগা নহয়। দণ্ড প্ৰণয়ন কৰা ৰজাজন সত্যবাদী, সুবিবেচক, জ্ঞানী আৰু ত্ৰিবৰ্গৰ জ্ঞাতা। দণ্ড সম্যকৰূপে প্ৰয়োগ কৰিলে ৰজাই ত্ৰিবৰ্গৰ দ্বাৰা বৃদ্ধি প্ৰাপ্ত হয়। কিন্তু ৰজা যদি বিষয়ৰ প্ৰতি আসক্ত হয়, ক্ৰোধ আদি দোষেৰে যুক্ত হয় তেন্তে তেওঁ দণ্ডৰ দ্বাৰাই নিহত হয়। দণ্ড ধাৰণ কৰা ৰজাজন জিতেন্দ্ৰিয় হ'ব লাগে। দণ্ডৰ উচিত প্ৰয়োগ নহ'লে ই প্ৰথমে ৰজাৰ বিনাশ কৰে আৰু তাৰ পিছত দুৰ্গ, ৰাষ্ট্ৰ, মানুহ, জীৱ-জড়, অন্তৰীক্ষ গামা, মুনি-দেৱতা আদিও পীড়িত হ'ব লগা হয়। যি ৰজা সহায়হীন, মূৰ্খ, লোভী, শাস্ত্ৰজ্ঞানৰহিত, বিষয়সক্ত তেওঁ ন্যায়পূৰ্ণভাৱে দণ্ড প্ৰণয়ন কৰিব নোৱাৰে। কিন্তু যিজন পবিত্ৰ, সত্য প্ৰতিজ্ঞ, শাস্ত্ৰ অনুসৰণকাৰী, সহায়সম্পন্ন আৰু বুদ্ধিমান তেওঁ ভালদৰে দণ্ড প্ৰণয়ন কৰিব পাৰে। ইয়াৰ উপৰি তেওঁ নিজ ৰাষ্ট্ৰত ন্যায়পূৰ্ণ আচৰণ কৰিব লাগে আৰু শত্ৰুৰ ক্ষেত্ৰত তীক্ষ্ণ দণ্ডযুক্ত, মিত্ৰৰ প্ৰতি অকুটিল আৰু ব্ৰাহ্মণৰ প্ৰতি ক্ষমাশীল হ'ব লাগে। এনে আচৰণযুক্ত ৰজাৰ যশে বিস্তাৰ লাভ কৰে।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি জানিব পাৰিলে যে—

- দণ্ড হৈছে সকলো প্ৰাণীৰে ৰক্ষা কৰ্তা। ই ব্ৰহ্মতেজসম্পন্ন। ভগৱানেই এই দণ্ডক সৃষ্টি কৰিছিল।
- ৰজাই শাস্ত্ৰসন্মতভাৱে অন্যায়কাৰীৰ প্ৰতি দণ্ড প্ৰয়োগ কৰিব লাগে।
- দণ্ড ৰাজ্যৰ নেতাস্বৰূপ। ই হে প্ৰকৃত শাসনকৰ্তা।
- ৰজাই দণ্ডবিধান নকৰিলে বলবানে দুৰ্বলীসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলেহেঁতেন।
- দণ্ডৰ প্ৰয়োগৰ বাবেই সংসাৰৰ সকলোৱে নিজ নিজ বিষয় ভোগ কৰিবলৈ সমৰ্থ হয়।

কিন্তু দণ্ডৰ অনুচিত প্ৰয়োগে আত্মীয়স্বজনেৰে সৈতে ৰজাক নাশ কৰে।

- তেনে ৰজাইহে উচিতভাৱে দণ্ড প্ৰয়োগ কৰিব পাৰে, যিজন পবিত্ৰ, সত্যনিষ্ঠ, শাস্ত্ৰ অনুসৰণকাৰী, বুদ্ধিমান আৰু সহায়সম্পন্ন।
- যি ৰজাই প্ৰতিকূল দণ্ড প্ৰয়োগ কৰে তেওঁৰ যশস্যা হানি হয়।



৬.৮ অধিক জানিবলৈ

১) ঝা, গঙ্গানাথ, (১৯৩২), *মনুস্মৃতি (মেধাতিথিৰ মনু ভাষ্য সহিত)*, কলকাতা ঃ এচিয়াটিক ছ'চাইটি অব্ বেঙ্গল।

২) মাণ্ডলিক, বিশ্বনাথ নাৰায়ণ, *মানৱ ধৰ্মশাস্ত্ৰ (খণ্ড-২)*, (প্ৰকাশকৰ সবিশেষ প্ৰাপ্ত নহ'ল)

৩) বিদ্যাভূষণ, শ্যামকান্ত, *মনুসংহিতা*, কলকাতা ঃ ভোলানাথ ব্ৰাডার্চ এণ্ড কোং।

৪) শৰ্মা, কিৰণ, (২০০৮), *মনুসংহিতা*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৬.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) প্ৰজাঃ, সুপ্তেষু, ধৰ্মং।

(খ) শ্যামো, লোহিতাক্ষো, মুহ্যন্তি, সাধু।

২নং প্ৰশ্নৰ উত্তৰ ঃ দণ্ডৰ ভয়ত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ বলবানসকলে দুৰ্বলীসকলক উৎপীড়ন কৰিলেহেঁতেন।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উচিতভাৱে দণ্ড প্ৰয়োগৰ দ্বাৰা ৰজা ধৰ্মাৰ্থকামৰূপ ত্ৰিবৰ্গৰ ফলৰদ্বাৰা সমৃদ্ধ হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ দণ্ডৰ অনুচিত প্ৰয়োগৰদ্বাৰা ৰজা আত্মীয় স্বজনেৰে সৈতে বিনাশ প্ৰাপ্ত হয়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ পবিত্ৰ, সত্যনিষ্ঠ, শাস্ত্ৰানুসৰণকাৰী, বুদ্ধিমান আৰু সহায় সম্পন্ন ৰজাই যথাবিধি দণ্ড প্ৰয়োগ কৰিব পাৰে।



৬.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ দণ্ডৰ ভয়ত প্ৰাণীসকলে কি কৰে?

প্ৰশ্ন নং ২ ঃ দণ্ডৰ উচিত প্ৰয়োগ হ'লে কি হয়?

(খ) চুটি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ এই অধ্যায়ত সন্নিবিষ্ট শ্লোকসমূহৰ বিষয়বস্তুৰ সাৰাংশ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ দণ্ডই কেনেকৈ সকলো প্ৰাণীকে ৰক্ষা কৰে সেই সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন নং ২ ঃ দণ্ডৰ উচিতভাৱে প্ৰয়োগ কৰাৰ সুফল আৰু অনুচিতভাৱে প্ৰয়োগৰ কুফল সম্পৰ্কে লিখক।

*** ***** ***